সোণাৰি মহাবিদ্যালয়
SONARI COLLEGE

# সোণালী

৩৫ সংখ্যক সোণাৰি মহাবিদ্যালয় বাৰ্ষিক আলোচনী ২০২২-২৩ বৰ্ষ



সম্পাদিকা
মনিষা কৰ্মকাৰ



মহাবিদ্যালয়ৰ কিছু আলোকচিত্ৰ

# সোণালী

পয়ত্ৰিশ সংখ্যক

## সোণাৰি মহাবিদ্যালয়ৰ আলোচনী

২০২২-২৩ বৰ্ষ

সোণাৰি মহাবিদ্যালয়
তেজস্বি নাবধীতমস্তু
SONARI COLLEGE

প্ৰতি,

.................................................................

.................................................................

সম্পাদিকা
মনিষা কৰ্মকাৰ

# সম্পাদনা সমিতি

মুখ্য পৃষ্ঠপোষক ঃ ড° বিমল চন্দ্ৰ গগৈ
অধ্যক্ষ

তত্বাৱধায়ক ঃ ড° চক্ৰপাণি পাতিৰি
অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ

উপদেষ্টা ঃ ড° ৰঘুনাথ কাগয়ুং
মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ
ড° অনিতা কোঁৱৰ
অধ্যাপিকা, ইংৰাজী বিভাগ
ড° কৌশিক দিহিঙ্গীয়া
অধ্যাপক, গণিত বিভাগ

সম্পাদক ঃ মনিষা কৰ্মকাৰ

সহযোগী ঃ প্ৰাচুৰ্য্যা ৰাজকুমাৰী, কৃষ্ণালী লাহন

প্ৰচ্ছদ পৰিকল্পনা ঃ ইন্দিবৰ বুঢ়াগোহাঁই
অৱসৰ প্ৰাপ্ত অধ্যাপক, প্ৰাণী বিভাগ
ঢকুৱাখনা মহাবিদ্যালয়, লখিমপুৰ

প্ৰকাশ কাল ঃ ২০২৩ চন

অক্ষৰ বিন্যাস ঃ জিয়াউদ্দিন আহমেদ
মুদ্ৰণ ঃ জিয়া অফছেট প্ৰেছ
ধোঁদৰ আলি
সোণাৰি, চৰাইদেউ।

ছাত্ৰ একতা সভা ২০২২-২৩ বৰ্ষ, সোণাৰি মহাবিদ্যালয়

**সোণাৰি মহাবিদ্যালয়ৰ আলোচনী,২০২২-২২ বৰ্ষ**
৩৫ সংখ্যক প্ৰকাশ



# শ্ৰদ্ধাঞ্জলি

বিগত বৰ্ষসমূহত আমাৰ মাজৰ পৰা দেশ তথা সমাজৰ বিভিন্ন দিশত অৱদান আগবঢ়াই পৰলোকগামী হোৱা বিশিষ্ট ব্যক্তি সকললৈ ৩৫ সংখ্যক বাৰ্ষিক আলোচনী 'সোণালী'ৰ জৰিয়তে শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ।

# উৎসৰ্গা



সোণাৰি মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক
অধ্যক্ষ প্ৰয়াত গোলাপ চন্দ্ৰ বৰগোহাঁই
তথা জ্ঞাতে-অজ্ঞাতে পৰলোকগামী
হোৱা মহাবিদ্যালয়ৰ পৰিয়ালৰ সমূহ
সদস্যলৈ মহাবিদ্যালয়ৰ ৩৫ সংখ্যক
বাৰ্ষিক আলোচনী 'সোণালী' উৎসৰ্গা
কৰা হ'ল



# মহাবিদ্যালয় সংগীত



✍ৰচনা আৰু সুৰ ঃ **ৰঞ্জিত চন্দ্ৰ বুঢ়াগোহাঁই**

*সাৰে আছো আমি*
*হেজাৰ সেনানি*
*জ্ঞানৰ পূজাৰী হে,*
*কলা বিজ্ঞানৰ দুগছি বন্তি*
*দুখনি হাতত লৈ।*

*সেউজী আমাৰ মনৰ পৃথিৱী*
*জ্ঞানেৰে জীপাল কৰা,*
*দুখ দৈন্য দূৰতে বিদূৰি*
*হৰষে উপচাওঁ ধৰা,*
*দৃষ্টি আমাৰ দূৰ দিগন্ত*
*পাখি মেলি উৰি যাওঁ*
*শান্তিৰ পখী হে।।*

*সৃষ্টিৰ কঁঠিয়া আহাঁ গুজি দিওঁ*
*আমাৰ মনৰ পথাৰতে,*
*অন্ধকাৰৰ প্ৰাচীৰ ভাঙি*
*পোহৰৰে ঢল বোৱাওঁ আমি*
*জ্ঞানৰ পূজাৰী হে*
*জ্ঞানৰ পূজাৰী হে।।*

**Dharmeswar Konwar,** MLA
106 No. Sonari LAC
Phone: 8822191621
Email ID: dharmeswarkonwar25@gmail.com

সত্যমেৱ জয়তে

Old MLA Hostel, Block- D(4)
Dispur, Guwahati-781006
Sukafa Nagar, Charaideo (Assam)
Pin- 785689

Ref No:

Date:



## শুভেচ্ছা বাণী

সৰ্বপ্ৰথমে সকলোলৈকে মোৰ সেৱা নিবেদিছোঁ। ঐতিহ্যমণ্ডিত সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'সোণালী' প্ৰকাশৰ বাবে লোৱা প্ৰচেষ্টাক শলাগ লৈছো, লগতে আলোচনীখনৰ প্ৰকাশক মণ্ডলীক মই আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিছো।

মহাবিদ্যালয় পৰ্যায়ৰ এখন আলোচনীত প্ৰায় সংখ্যক পৈণত লিখনী থাকে, কিন্তু পৈণত লিখনীৰ লগতে ন-শিকাৰুৰ অপৈণত লিখনিসমূহৰো গুৰুত্ব এনে আলোচনীত কোনো গুণেই কম নহয়। কিয়নো এইটো পৰ্যায়ৰ পৰাই গৈ এদিন বিখ্যাত বিখ্যাত সাহিত্যৰ সৃষ্টি হয়। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন লিখনিৰ জৰিয়তে তেওঁলোকৰ ভাৱধাৰাৰ প্ৰকাশৰ উপযুক্ত স্থল এই বাৰ্ষিক আলোচনীসমূহ।

আশাকৰো 'সোণালী' আলোচনীৰ জৰিয়তেসাহিত্য সৃষ্টিৰ এক পৰিৱেশ সৃষ্টি কৰি সকলোৰে মাজত সোণোৱালী হৈ থাকক তাৰে কামনা কৰিলো।

শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ

(ধৰ্মেশ্বৰ কোঁৱৰ)
বিধায়ক, ১০৬ নং সোণাৰি বিধানসভা সমষ্টি, অসম



জয় আই অসম

# সদৌ অসম ছাত্ৰ সন্থা
# ALL ASSAM STUDENTS' UNION

মুখ্য কাৰ্যালয় ঃ গুৱাহাটী বিশ্ববিদ্যালয়
H.O. : GAUHATI UNIVERSITY, GUWAHATI-781014

প্ৰসংগ নং ..............................  দিনাংক ২০-১২-২০২৩

## শুভেচ্ছা বাণী

চৰাইদেউ জিলাৰ অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'সোণালী' প্ৰকাশ কৰিবলৈ লোৱা বুলি জানিব পাৰি অতিশয় সন্তোষিত হৈছোঁ। সোণালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰা মহাবিদ্যালয়খনৰ বাৰ্ষিক আলোচনীখনত প্ৰকাশ পাবলগীয়া লেখাসমূহত মহাবিদ্যালয়ৰ ইতিহাস, সাম্প্ৰতিক শিক্ষা ব্যৱস্থা তথা ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক সমস্যাৱলী আদি বিষয়ত আলোকপাত হ'ব বুলি আশা প্ৰকাশ কৰিছোঁ। যিহেতু আলোচনীখনেই হৈছে এখন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক, বৌদ্ধিক তথা সাহিত্য চৰ্চাৰ এখন মঞ্চ। য'ত প্ৰকাশ পায় ছাত্ৰ-ছাত্ৰীৰ সৃষ্টিশীল সুপ্ত প্ৰতিভাসমূহ।

শেষত, মহাবিদ্যালয়খনৰ সন্মানীয় শিক্ষাগুৰু তথা কৰ্মচাৰীবৃন্দলৈ শ্ৰদ্ধা আৰু ছাত্ৰ-ছাত্ৰীসকললৈ আন্তৰিক শুভেচ্ছা জনোৱাৰ লগতে প্ৰকাশ পাবলগীয়া আলোচনীখন মনোগ্ৰাহী তথা প্ৰতিটো প্ৰজন্মৰ বাবে প্ৰেৰণাৰ উৎস হওঁক। তাৰেই কামনাৰে....

উৎপল শৰ্মা
সভাপতি

শংকৰ জ্যোতি বৰুৱা
সাধাৰণ সম্পাদক

।। সদৌ অসম ছাত্ৰ সন্থা ।।

# সদৌ তাই আহোম ছাত্ৰ সন্থা (আটাছু)
## কেন্দ্ৰীয় সমিতি
## ALL TAI AHOM STUDENTS' UNION (ATASU)
### Central Committee

Chao Basanta Gogoi
President In-Charge
Ph. 9678626282, 9435057524
gogoibasanta2014@gmail.com

Chao Devajit Gogoi
Working President
Ph. 7002816192
monhom15@gmail.com

Chao Bhaskar Jyoti Borgohain, Chao Achyut Borgohain
Join Secretary
Ph. 9954073583 — bhaskarjyotiborgohain23@gmail.com
Ph. 9101090144 — gohainachyut@gmail.com


Ref No........................ Date........................

## শুভকামনা

প্ৰতি,
স্মাৰক গ্ৰন্থৰ সম্পাদিকা
সোণাৰি মহাবিদ্যালয়

ঐতিহাসিক চৰাইদেউ জিলাৰ 'সোণাৰি মহাবিদ্যালয়'।
চৰাইদেউবাসীৰ অযুত হেঁপাহ, ত্যাগ আৰু আৱেগ সংপৃক্ত হৈ থকা মহাবিদ্যালয়খন আমাৰ গৌৰৱৰ নিচান।

মহাবিদ্যালয়খনে বিগত বৰ্ষ সমূহৰ দৰে এইবাৰো মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'সোণালী' প্ৰকাশ কৰিবলৈ লোৱাত আমি সদৌ তাই আহোম ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকল আনন্দিত হৈছোঁ। বাৰ্ষিক আলোচনীৰ পৃষ্ঠাবোৰ স্পন্দনশীল ৰং, মনোমোহা কাহিনী, আৰু স্মৰণীয় মুহূৰ্তৰে ভৰি পৰক আৰু আমাৰ জাতীয় জীৱনৰ বিভিন্ন দিশৰ সাৰমৰ্ম ধৰি ৰাখক। ই কৌতূহল জগাই তোলক, সৃষ্টিশীলতাক অনুপ্ৰাণিত কৰক। গঢ়ি তোলক সমন্বয়ৰ এনাজৰী আৰু আমি লাভ কৰা জ্ঞানৰ কথা সোঁৱৰাই দি অনুকৰণ যোগ্য স্মৃতিগ্ৰন্থ হিচাপে কাম কৰক। আমাৰ শিক্ষাগুৰুৰ লগতে ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীসকলৰ নিষ্ঠা আৰু কঠোৰ পৰিশ্ৰমৰ প্ৰমাণ হওক, তেওঁলোকৰ প্ৰতিভা আৰু কৃতিত্বসমূহ সকলোৰে প্ৰশংসা কৰিব পৰাকৈ প্ৰদৰ্শন কৰক।


সেই শুভকামনাৰে...

(দিগন্ত চাংমাই)
সহকাৰী সম্পাদক
আটাছু, কেন্দ্ৰীয় সমিতি






অধ্যক্ষ - ড০ বিমল চন্দ্ৰ গগৈ




উপাধ্যক্ষ - ড০ সুনীল দত্ত

# সম্পাদনা সমিতি



ড০ বিমল চন্দ্র গগৈ
**মুখ্য পৃষ্ঠপোষক**



ড০ চক্রপাণি পাতিৰি
**তত্বাৱধায়ক**



ড০ ৰঘুনাথ কাগয়ুং
**উপদেষ্টা**



ড০ অনিতা কোঁৱৰ
**উপদেষ্টা**



ড০ কৌশিক দিহিঙ্গীয়া
**উপদেষ্টা**



মনিষা কৰ্মকাৰ
**সম্পাদিকা**



কৃষ্ণালী লাহন
**সদস্য**



প্ৰাচুৰ্য্যা ৰাজকুমাৰী
**সদস্য**



হেপ্পী বাইলুং
**সদস্য**

# কৃতজ্ঞতা

- ❖ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমল চন্দ্ৰ গগৈ আৰু উপাধ্যক্ষ ড° সুনীল দত্ত মহোদয়।
- ❖ আলোচনীৰ সকলো লেখক লেখিকা।
- ❖ তত্বাৱধায়ক ড° চক্ৰপাণি পাতিৰি
- ❖ উপদেষ্টা ড° ৰঘুনাথ কাগয়ুং, ড° অনিতা কোঁৱৰ, ড° কৌশিক দিহিঙ্গীয়া
- ❖ ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া আৰু ছাত্ৰ-ছাত্ৰী।
- ❖ জিয়া অফছেট প্ৰেছৰ পৰিয়ালবৰ্গ।



# অধ্যক্ষৰ একলম

ড০ বিমল চন্দ্ৰ গগৈ
অধ্যক্ষ
সোণাৰি মহাবিদ্যালয়




অসম ৰাজ্যৰ ইতিহাস প্ৰসিদ্ধ চৰাইদেউ জিলাৰ সদৰত অৱস্থিত সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী "সোণালী"খন প্ৰতি বছৰে নতুন ৰূপত প্ৰকাশিত হৈ আহিছে। মুখ পত্ৰ এখনৰ ধাৰাবাহিকতা ৰক্ষা কৰাটো এটা গুৰুত্বপূৰ্ণ কথা । ২০২০-২১ বৰ্ষত ক'ৰণা মহামাৰীয়ে সমগ্ৰ পৃথিৱীৰ মানৱ জাতিৰ অস্তিত্বৰ সংকট আনি দিয়াৰ সময়টো "সোণালী"খন প্ৰকাশ হৈছিল। সেই সংখ্যাৰ আলোচনীখনে অসম সাহিত্য সভাৰ ৰঞ্জীত বৰপূজাৰী বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল। আশাকৰো "সোণালী"ৰ এই সংখ্যাত আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ নতুন চিন্তা-ধাৰা প্ৰকাশিত হ'ব।

চৰাইদেউ জিলাৰ অন্যতম উচ্চ শিক্ষাৰ অনুষ্ঠান সোণাৰি মহাবিদ্যালয়খনে ২০২৩ বৰ্ষত ৫২ টা বছৰ অতিক্ৰম কৰিলে। মহাবিদ্যালয়খনৰ আন্তঃ গাঠনিৰ বহুত পৰিবৰ্তন হ'ল আৰু ছাত্ৰ- ছাত্ৰীৰ সংখ্যাও বৃদ্ধি পালে। সোণালী জয়ন্তী উদ্‌যাপনৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ বাট চ'ৰাটো নতুনকৈ তৈয়াৰ কৰা হয়, ভিতৰৰ পথটি নতুনকৈ ব্লক দি বনোৱা হয়, প্ৰতিষ্ঠাপক অধ্যক্ষ গোলাপ চন্দ্ৰ বৰগোহাঁই দেৱৰ প্ৰতি মূৰ্তি স্থাপন কৰা হয়, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ ভৱনৰ নিৰ্মাণ কাৰ্য প্ৰায ৭০% সম্পন্ন কৰা হয় আৰু মহাবিদ্যালয়ৰ ঘৰবোৰৰ বাহিৰৰ ফাল ৰং কৰি পৰিষ্কাৰ কৰা হয়। মহাবিদ্যালয়খনে এক নতুন ভৌতিক ৰূপত ধৰা দিলে। মহাবিদ্যালয়ৰ শ্ৰেণীকোঠা সমূহত নতুনকৈ লোহাৰ ফ্ৰেমৰ ডেস্ক-বেঞ্চৰ ব্যৱস্থা কৰা হয় আৰু চাৰিটা কোঠাত আধুনিক স্মাৰ্ট ইন্টাৰেক্টিভ পেনেল বৰ্ডৰ ব্যৱস্থা কৰাৰ লগতে এখন পেনেল ইফালে সিফালে নিব পৰাকৈ ব্যৱস্থা কৰা হয় । আমাৰ ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়ৰ আন্তঃ গাঠনি সমূহৰ সৎব্যৱহাৰ কৰাৰ লগতে এই সম্পদ সমূহক নষ্ট নোহোৱাকৈ ৰাখিবলৈ সততে যত্ন বান হ'ব লাগিব।

মহাবিদ্যালয় সমূহত এই বৰ্ষৰ পৰাই নতুন শিক্ষা পদ্ধতি NEP 2020 প্ৰৱৰ্তন কৰা হৈছে। এইবাৰ নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীসকলে চাৰিবছৰীয়া স্নাতক পাঠ্যক্ৰম লাভ কৰিছে। এই পাঠ্যক্ৰমটোক Four year under

graduate programme বুলি কোৱা হৈছে। ইয়াত কলা, বিজ্ঞান আৰু বাণিজ্য শাখাৰ যিকোনো এটা শাখাৰ ছাত্ৰ-ছাত্ৰীয়ে আন এটা শাখাৰ পাঠ্যক্ৰম গ্ৰহণ কৰিব পাৰে। অৰ্থাৎ ক'লা শাখাৰ ছাত্ৰ-ছাত্ৰীয়ে বিজ্ঞান বা বাণিজ্য শাখাৰ পাঠ্যক্ৰম পঢ়িব পাৰে। এই নতুন শিক্ষা নীতিৰ নতুন পাঠ্যক্ৰমত ছাত্ৰ-ছাত্ৰীসকল অভ্যস্ত হ'বলৈ কিছু সময়ৰ প্ৰয়োজন হ'ব। দেখা গৈছে যে ছাত্ৰ-ছাত্ৰীসকলে সময়ৰ লগত নিজকে খাপ-খুৱাই লবলৈ ইতিমধ্যে সক্ষম আমাৰ ছাত্ৰ-ছাত্ৰসকলে একাডেমীক বেংক অফ ক্ৰেডিত ( ABC ) নিজকে পঞ্জিয়ণ কৰিছে। আশা কৰো ছাত্ৰ-ছাত্ৰীকলে নতুন শিক্ষানীতিৰ নতুন বিষয় বস্তুক আয়ত্ব কৰি শৈক্ষিক যাত্ৰা সফল কৰি তুলিব।

নতুন শিক্ষা ব্যৱস্থা প্ৰৱৰ্তনৰ লগে লগে আমাৰ মনত নতুন চিন্তাৰ উন্মেষ ঘটিব লাগিব। আমাৰ মানসিকতাৰ পৰিৱৰ্তন হ'ব লাগিব আৰু কৰ্তব্যবোধ জাগি উঠিব লাগিব। নিয়মিত অধ্যয়ন, নিয়মানুবৰ্তিতা, শিষ্টাচাৰ, গোটখা আদি মাদক দ্ৰব্য ত্যাগ, শ্ৰেণীত নিয়মিত উপস্থিতি, সময়ৰ সদব্যৱহাৰ, সমসাজ পৰিধান আৰু মহাবিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ ৰক্ষাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব প্ৰদান আদি বিষয় সমূহ ছাত্ৰ-ছাত্ৰীসকলে ভালদৰে লক্ষ্য কৰিব লাগে। এশ শতাংশ শ্ৰেণীত উপস্থিত থাকিবলৈ চেষ্টা কৰিব লাগে তেতিয়াহে পৰীক্ষাত সুফল পাব পাৰি। অযথা কথাপাতি মহাবিদ্যালয়ত হুলস্থুলীয়া পৰিৱেশ সৃষ্টি কৰিব নালাগে। কেন্টিনত বেছি সময় বহি থাকিব নালাগে। তাৰ সলনি গ্ৰন্থাগাৰত পুথি অধ্যয়ন কৰি জ্ঞান আহৰণ কৰিব লাগে। পাঠ্যপুথিৰ উপৰিও আন সহায়ক গ্ৰন্থ অধ্যয়ন কৰি নিজৰ জ্ঞানৰ পৰিধি বৰ্ধিত কৰিববলৈ যত্ন কৰিব লাগে । মহাবিদ্যালয়ত অনুষ্ঠিত বিভিন্ন কাৰ্যসূচী, আলোচনা চক্ৰ, কৰ্মশালা, খেলা-ধূলা, সভা-সমিতিত উপস্থিত থাকি সেইবোৰ সফল কৰি তুলিব পৰাটো ছাত্ৰ-ছাত্ৰীসকলৰ ভাল গুণ। মুঠতে এগৰাকী ভাল ছাত্ৰ বা ভাল ছাত্ৰী হ'বলৈ সততে চেষ্টা কৰিব লাগে।

মহাবিদ্যালয়খনৰ অধ্যক্ষ হিচাবে কৰ্মসম্পাদন কৰোতে প্ৰায় দেখা যায় যে আমাৰ ছাত্ৰ-ছাত্ৰী সকলে লিখা দৰ্খাস্ত বিলাকত কিছুমান ভুল থাক যায়। কেতিয়াবা দৰ্খাস্তখনৰ শেষত নিজৰ চহী নকৰে । কেতিয়াবা দৰ্খাস্তখন দেউতাক বা আনৰ দ্বাৰা লিখাই আনে নাইবা আনৰ স'তে হুবহু একে কৰি লিখি আনে।আচলতে দৰ্খাস্ত বিলাক শিক্ষক সকলৰ সহায় লৈ শুদ্ধকৈ লিখিবলৈ চেষ্টা কৰিব লাগে আৰু শেষত নিজৰ চহী কৰিব লাগে। যিকোনো লিখনি এটা লিখোতে শব্দৰ বানান শুদ্ধ হ'ব লাগে কিয়নো বানান অশুদ্ধ হ'লে শব্দটোৰ অৰ্থও সলনি হৈ যায়। নামভৰ্তিৰ ফৰ্ম নাইবা পৰীক্ষাৰ ফৰ্ম আদি পুৰাওঁতে নিজৰ নাম, ঠিকনা, ম'বাইল নম্বৰ, ই মেইল আদি সাৱধানে পূৰাব লাগে। এনে কৰোঁতে কিবা ভুলকৈ ভৰালে শুদ্ধ কৰাৰ সুবিধা নাথাকে। "সাৱধানৰ মৰণ নাই" বুলি অসমীয়াত এষাৰ কথা আছে। কোনো বিষয়বস্তু ভালদৰে পঢ়ি, মনত ৰাখি শুদ্ধকৈ লিখিব আৰু শুদ্ধকৈ ক'ব পাৰিলেহে বিষয়টো আয়ত্ব কৰা বুলি ক'ব পাৰি। সেই বাবে ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়ত অধ্যয়ন কৰা প্ৰতিটো বিষয় ভালদৰে আয়ত্ব কৰিববলৈ যত্নবান হ'ব লাগে।

মহাবিদ্যালয়ত অধ্যয়ন কৰি জ্ঞান ভাল আৰু ডিগ্ৰী লাভ কৰাৰ উপৰিও ছাত্ৰ-ছাত্ৰীসকলে নিজৰ সুপ্ত প্ৰতিভা সমূহ বিকশিত কৰাত গুৰুত্ব প্ৰদান কৰা উচিত। প্ৰবন্ধ, গল্প, কবিতা, গীত, নাটক আদি লিখিও নিজৰ সৃষ্টিমূলক প্ৰতিভাৰ বিকাশ কৰিব পাৰি। "সোণালী" আলোচনীখনে ছাত্ৰ-ছাত্ৰীসকলৰ নিজৰ সৃষ্টিশীল লিখনিবোৰ প্ৰকাশ কৰি সদায় উৎসাহিত কৰি আহিছে। সোণালীৰ স্বৰ্ণময় যাত্ৰা অব্যাহত থাকক— তাৰেই কামনা কৰিছো।

শেষত "সোণালী"ৰ এই সংখ্যাৰ সম্পাদিকা মণিষাই আলোচনীখন প্ৰকাশৰ বাবে যি চেষ্টা কৰিলে তাৰ বাবে ধন্যবাদ জনাইছো। তত্ত্বধায়ক ড° চক্ৰপানী পাতিৰ দেৱৰ লগতে আলোচনীখন প্ৰকাশ আৰু সম্পদনাৰ লগত জড়িত সকলো শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জ্ঞাপন কৰিলো। আলোচনীখন ছপাকৰি উলিওৱাৰ ক্ষেত্ৰত বিশেষভাৱে জড়িত ছপাশালৰ স্বত্বাধিকাৰীৰ লগতে সকলো কৰ্মকতালৈ ধন্যবাদ আৰু কৃতজ্ঞতা জনাই অধ্যক্ষৰ একাষাৰ ইয়াতে সামৰিলো।

জয়তু সোণাৰি মহাবিদ্যালয়।

# সম্পাদকীয়



আলোচনী হৈছে এখন দাপোন স্বৰূপ। য'ত আমি দেখা পাও আমাৰ মাজত লুকাই থকা সুপ্ত প্ৰতিভা সমূহ। আমাৰ সু-সজ্জিত তথা অলৌকিক বৰ্ণ সমষ্টিৰ সৃষ্টি সমূহ। হেজাৰ সমস্যা নেওচি দুনয়নত ভাহি অহা নিৰ্জীৱ পদাৰ্থৰ জীৱিত ধাৰাবাহিকতাবোৰ।

শিৱসাগৰ জিলাৰ সোণাৰিত ১৯৭০ চনৰ ৫ আগষ্ট তাৰিখে বৰ্তমানৰ চৰাইদেউ জিলাৰ ঐতিহ্যমণ্ডিত আগশাৰী উচ্চ শিক্ষানুষ্ঠান হৈছে আমাৰ"সোণাৰি" মহাবিদ্যালয়। জিলাখনৰ মাজ-মজিয়াত হোৱাৰ বাবে ইয়াত অগণন নৱ-তৰুণে হেজাৰ সপোন লৈ আহে। সপোনবোৰ বাস্তৱত ৰূপায়ণ কৰি সাতোৰঙীন ৰামধেনুৰ দৰে আজিও বহু ছাত্ৰগণ জিলিকি আছে। ডেউকাবিহীন সপোনবোৰত গুৰুবৃন্দই অকৃত্ৰিম ডেউকাৰ যোগান ধৰি দূৰ-দিগন্তলৈ উৰা- মাৰিব শিকায়।

বৰ্ণমালাৰ দলিচা পাৰি, নৱ-নৱ সপোন লৈ, হেজাৰ ধুমুহা নেওচি খোজ দিয়েহি জ্ঞানৰ মুকুতা বুটলা ভক্তগনে এই পৱিত্ৰ জ্ঞানৰ মন্দিৰত। অগণনৰ ফুলৰ বাগিচাত সুগন্ধি যুক্ত ৰং-চঙীয়া ফুলৰ লগতে বুলি থাকে গন্ধ বিহীন বহু ফুল। কিন্তু নিৰাদৰ নহয় কোনো ক্ষনেও। নিত্য ন-ন ফুলৰ সৃষ্টিৰে ভৰি পৰে এই বাগিচাখন। সেউজীয়াবোৰৰ মাজতে জিলিকে বগা তগৰ পাহী। ৰাধাচূড়া, আমলখিৰ তলতে সৃষ্টি হয় অগণন কবিতা, গল্প, নাটক, চুটিগল্পৰ আৰু বহু সাহিত্যৰাজি ......।

'সময় বৰ নিষ্ঠুৰ। সময় গতিশীল।' বিগত সোণালী বৰ্ষ গৰকা লৈকে আমাৰ মহাবিদ্যালয়ে পঢ়ুৱৈবৃন্দলৈ আগবঢ়াই আহিছে এক দুৰ্লভ উপহাৰ। প্ৰতিভাৰ ভঁৰাল ও মানসিক শান্তিৰ সমাহাৰ, বৰ্ণমালাৰে সৃষ্টি হোৱা অলৌকিক শব্দৰ মালা, কবিতাৰ শব্দৰে নিগৰা কবিৰ। মৌন ওঁঠৰ ভাষাই হৈছে আমাৰ মহাবিদ্যালয়ৰ আলোচনী 'সোণালী'। সোণৰ দৰেই ইয়াত জিলিকি থাকে ৰসযুক্ত বাক্য ৰসাত্মক গল্পৰ সমাহাৰ। বাক্যৰ কুঁহে-কুঁহে লুকাই থাকে প্ৰতিভাৰ চালিকা শক্তি। দুটি হাতৰ কোমল পৰ্যন্ত প্ৰাণপাই উঠে বৰ্তমানৰ পৰিস্থিতিৰ শোষণৰ বলি হোৱা ক'লা অধ্যায়ৰ জীয়া প্ৰতিচ্ছবিবোৰ। নী-পীড়িত শোষিতৰ বলি হোৱাৰ সত্বেও যে গাঁৱলীয়া চহা জীৱন কিমান সুমধুৰ হ'ব পাৰে তাৰেই বৰ্ণনা দিয়ে কবিতাৰ স্তৱকবোৰে।

পৰিৱৰ্তনশীল সময়ত আজি বিভিন্ন সামাজিক মাধ্যমৰ যোগেদি নৱ- তৰুণে নিজৰ প্ৰতিভাসমূহ পাঠকবৃন্দলৈ উপহাৰ দি আহিছে। তথাপিও কোনোবা ক্ষণত এখন গ্ৰন্থৰ স্থান পূৰণ কৰাত ই আজিও বহুগুণে ব্যৰ্থ। সেয়েহে এই গ্ৰন্থৰ মৰ্য্যদাৰ প্ৰতি গুৰুত্ব প্ৰদান কৰি আমি শিক্ষিত নৱ-চামে প্ৰত্যেক বছৰে সোণাৰি মহাবিদ্যালয়ৰ প্ৰাংগণৰ পৰা 'সোণালী'ৰ সৃষ্টি কৰোঁ। 'সোণালী'ৰ অন্তৰ্গভত খেলা কৰে ন-পুৰণি লেখক-লেখিকাৰ কাব্যিক সৌন্দৰ্য, লেখনিৰ সৃজনীশীলতা, বৰ্ণ-ব্যঞ্জনৰ মাধুৰ্য, শব্দৰ অৰ্থ, শিখৰ, অনুভৱৰ মালা, মগজুৰ ব্যৱহাৰ ও সঠিক উত্তৰৰ সমাধান বিচৰা কুইজৰ

সমাহাৰ। বিজ্ঞ-অভিজ্ঞবোৰৰ বিকশিত মনৰ আৱেগবোৰ। 'সোণালী'ৰ চোতালতে শৈশৱৰ নৃত্য, জীৱনৰ একা-বেঁকা পথবোৰৰ দ্বাৰা দীপালী হোৱা কবিতাই নানা-ৰঙীন স্তৱকত নৃত্য কৰে।

কাব্যিকতাৰ জানো আদি -অন্ত আছে। ই বোৱতী নৈ। কবিতাৰ সুঁতিত বৈ থাকে। সেয়েহে দণ্ডদিনীয়া জীৱনত শুভ্ৰ কাগজ আৰু নীলা চিয়াঁহীৰ বন্ধুত্ব অটুট ৰাখিব লাগে। লেখনিৰ অন্ত নাৰাখি বৰ্ণৰ লগত খেলা কৰি জীৱন উপভোগ কৰিব লাগে। মানুহে যিমান পাৰি লিখিব লাগে, কাৰণ হাতৰ স্পৰ্শত নিৰ্জীৱ পদাৰ্থ ও সজীৱ হৈ দীপালী হৈ পৰে।

আমাৰ এক প্ৰবল চেষ্টা আজি সাৰ্থকতাৰ দিশত। মহাবিদ্যালয়ৰ মুখপত্ৰ 'সোণালী'ৰ যোগেদি বহু তৰুণ লেখক-লেখিকাই এক সাহিত্যিক মঞ্চ পাইছে বুলি আমি আশাবাদী। 'সোণালী' লৈ প্ৰেৰণ কৰিছে বহু ন-পুৰণি লেখক-লেখিকাই নিজৰ সাহিত্যৰাজি সমূহ। মহাবিদ্যালয়ৰ অধ্যক্ষৰ পৰামৰ্শ ও তেখেতৰ অপূৰ্ব লেখনিয়ে 'সোণালী'ৰ সৌষ্ঠৱ বৃদ্ধি কৰিছে। মহাবিদ্যালয়ৰ গুৰুবৃন্দৰ লেখনিয়ে আলোচনীৰ মৰ্যাদা বৃদ্ধি কৰাৰ লগতে নৱ-প্ৰজন্মৰ কাব্যিকতাৰ প্ৰতি আগ্ৰহ সৃষ্টি কৰাত অবিহনা যোগাইছে। সময়ৰ প্ৰতি লক্ষ্য ৰাখি বহু বিজ্ঞজনৰ ওচৰত কাষ চাপিব নোৱাৰাত তেখেতসকলৰ ওচৰত একে মুখে ক্ষমাপ্ৰাৰ্থী। মোৰ কাতৰ অনুৰোধ ৰক্ষা কৰি নিজৰ প্ৰতিভাসমূহ বিকশিত কৰিবলৈ 'সোণালী' লৈ প্ৰেৰণ কৰা প্ৰত্যেজন ন-পুৰণি লেখকবৃন্দৰ ওচৰত মোৰ চিৰকৃতজ্ঞ। আপোনালোকৰ অবিহনে এই আলোচনীৰ শুভাবদ্ধনত মই সদা ব্যৰ্থ। আলোচনীখন সফল ৰূপায়ণত বিশেষ ভাৱে সহায় ও পৰামৰ্শ দিয়া তত্ত্বাবধায়ক ড° চক্ৰপাণি পাতিৰি ছাৰ, অধ্যক্ষ ড° বিমলচন্দ্ৰ গগৈ ছাৰ, মহাবিদ্যালয়ৰ শিক্ষাগুৰু সকল, মহাবিদ্যালয়ৰ অগ্ৰজ, অনুজ, বন্ধু বান্ধৱী সকলোকে প্ৰমুখ্য কৰি ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াৰ লগত এই আলোচনী খনত ওতপ্ৰোত ভাৱে জড়িত মোৰ বান্ধৱী কৃষ্ণলী আৰু প্ৰাৰ্চুয্যা সকলোকে এই আলোচনীৰ দ্বাৰাই ধন্যবাদ জ্ঞাপন কৰিছো।

লিখিত সমলে দি যায় এটি যুগৰ বাৰ্তা। বহু জনৰ চিন্তা-ধাৰাৰ আৱেগ-অনুভৱবোৰ। হেৰাই যাব ধৰা বহু ইতিবাচক মন্তব্যবোৰ। আমিও আমাৰ মহাবিদ্যালয়ৰ লিখিত সমল হিচাপে "সোণালী"ত খোদিত কৰিছো বহু গৰাকী প্ৰতিভা সম্পন্ন ব্যক্তিৰ চিন্তা-ধাৰাক। ন-ন দৃষ্টি ভংগীৰে প্ৰকাশ কৰা তেওঁলোকৰ মাদকতাবোৰক।

সদৌ শেষত আমাৰ "সোণালী" সদায় সোণ হৈ জিলিকি ৰওক প্ৰত্যেকজন সাহিত্যিক প্ৰেমী লেখক-লেখিকা, পঢ়ুৱৈ ও শুভাকাংক্ষীৰ মাজত।

মনিষা কৰ্মকাৰ
সম্পাদিকা

# সূচীপত্ৰ


| | | |
|---|---|---|
| পৰ্য্যটকৰ সপোনৰ দেশ চুইজাৰলেণ্ড | ✍ৰীণা বৰঠাকুৰ | ১৯ |
| স্নাতক পৰ্যায়ৰ শিক্ষাৰ্থী আৰু Backlog Examination | ✍গীতিকা তালুকদাৰ | ২১ |
| ৪ বৰ্ণৰ অৰ্থ কি | ✍বিষ্ণু প্ৰধান | ২৩ |
| সোণোৱাল কছাৰী | ✍লীজা ধাদুমীয়া | ২৫ |
| থলুৱা খেল ধেমালি আৰু শিশু উৎকৰ্ষ সাধন | ✍ৰাজীৱ কুৰ্মি | ২৭ |
| সাম্প্ৰতিক সময়ত ছাত্ৰ-ছাত্ৰীৰ ওপৰত সামাজিক মাধ্যমৰ প্ৰভাৱ | ✍অপ্সৰা নেৱাৰ | ২৮ |
| ৰাজপুত শিল্পকলাঃ | ✍পৰী বৰগোঁহাই | ৩০ |
| আহোম জনগোষ্ঠীসকল | ✍পল্লৱী মেছ | ৩২ |
| আত্মমৰ্যদা | ✍মনশ্ৰী কোঁৱৰ | ৩৪ |
| সোণাৰি মহাবিদ্যালয় আমাৰ, মোৰ প্ৰত্যেক সোণাৰিয়ানৰ আৱেগ | ✍কৃতিকা দাস | ৩৫ |
| মোৰ জীৱনত বন্ধুত্বৰ অস্থিত্বতা | ✍নিৰুফাৰ বেগম | ৩৬ |
| Karam Puja | ✍Pallabi Karmakar | 37 |
| Mental Health and Wellness | ✍Pranjit Baruah | 38 |
| GENDER EQUALITY | ✍Rupsana Begum | 39 |
| The Generation Gap | ✍Vaswati Bhattacharjee | 40 |
| The Impact of Internet on Society | ✍Bijoylakhi Rajkumari | 41 |
| সাতসৰী | ✍ধৰিত্ৰী বড়াগোহাঁই | ৪২ |
| অ সময় বৈ যা... | ✍প্ৰিঞ্চি প্ৰিয়া গগৈ | ৪৪ |
| তিনিবছৰীয়া কলেজীয়া জীৱনৰ এক মধুৰ স্মৃতি | ✍হেঙ্গী বাইলুং | ৪৫ |
| মহাবিদ্যালয়ৰ এটি অনুভৱ | ✍ঈশা গগৈ | ৪৮ |
| সময় | ✍মৌচুমী ভূএঁঞা | ৪৯ |
| দিগন্ত | ✍অঞ্জনা বৰগোহাঁই | ৫০ |
| যত্ন কৰিলেহে ৰত্ন পায় | ✍লক্ষী শৰ্মা | ৫১ |
| আমাৰ মা'ৰ কাহিনী | ✍ৰাজীৱ কুৰ্মি | ৫২ |
| মহাবিদ্যালয় | ✍নয়মণি চেতিয়া | ৫৩ |
| মই ধৰ্ষিতাই কৈছো | ✍মনময়ূৰী চাহু | ৫৪ |
| মোৰ কন্যা সন্তান | ✍অম্লি দাস | ৫৫ |
| জীৱন বাটত পোহৰ বিচাৰি | ✍ৰুমী দিহিঙ্গিয়া | ৫৬ |
| সোণাৰুৰ দেশত জীৱনৰ এটি পল | ✍লুকুমণি চাংমাই | ৫৬ |
| হেপাহৰ মহাবিদ্যালয় | ✍কিৰণময়ী বসুমতাৰী | ৫৭ |
| জোনাক | ✍বাবলী বাউৰী | ৫৭ |
| ল'ৰালি | ✍দীপশিখা চেতিয়া | ৫৮ |

# সূচীপত্ৰ


| | | |
|---|---|---|
| বৰষুণ | ✍দেৱজনী গগৈ | ৫৮ |
| তুমি নামৰ আধৰুৱা কবিতা | ✍কৃতিকা দাস | ৫৯ |
| জীৱন | ✍পূজা বৰগোহাঁই | ৫৯ |
| জোনাকৰ বাগিছা | ✍প্ৰেৰণা গগৈ | ৬০ |
| ক্লান্ত নাৰী | ✍পায়ল চাংমাই | ৬০ |
| মানৱতা | ✍কৰিশ্মা তাঁতী | ৬১ |
| একা-বেকা নেদেখা বাট- | ✍দিপশিখা লাহন | ৬১ |
| ছাত্ৰ জীৱন | ✍নিৰুফাৰ বেগম | ৬১ |
| কলেজীয়া স্মৃতি | ✍মমতা ওৰাং | ৬২ |
| শীত | ✍লক্ষ্যজিৎ গগৈ | ৬২ |
| শপত | ✍ভাস্বতী ভট্টাচাৰ্য | ৬৩ |
| আবেলিৰ বৰষুণজাক | ✍দেৱশ্ৰী গগৈ | ৬৩ |
| ৰোমন্থন | ✍হীৰামণি বৰগোঁহাই | ৬৪ |
| ফাগুণৰ এজাক বতাহ | ✍জেচমিন গগৈ | ৬৪ |
| Busy World | ✍Vaswati Bhattacharjee | 66 |




# পৰ্য্যটকৰ সপোনৰ দেশ চুইজাৰলেণ্ড

ৰীণা বৰঠাকুৰ
সোণাৰি

ইউৰোপ ভ্ৰমণৰ কথা ভাবিলে ভ্ৰমণ পিপাসু-মানুহৰ বাবে নিসন্দেহে পচন্দৰ দেশ হব চুইজাৰলেণ্ড। যাৰ দুই তৃতীয়াংশক আৱৰি ৰাখিছে আল্পচ পৰ্বতমালাই। অসমীয়া সাহিত্যিকৰ কলমতো প্ৰাণ পাই উঠা এই আল্পচ স্বৰ্গীয়- সৌন্দৰ্য্যক নিজৰ চকুৰে নেদেখিলে অনুমান কৰাটো সম্ভৱ নহয়। প্ৰকৃতিয়ে অকৃপন হাতেৰে সজাইতোলা, লগতে মানৱ সৃষ্ট উৎকৃষ্ট পৰিকল্পনাই এই দেশখনক এক অনন্য মাত্ৰা প্ৰদান কৰিছে। উদ্ভাৱনী মুলক স্পেশাল শক্তিৰে পৃথিবীৰ মাজতে অগ্ৰণী দেশখনত সামাজিক অপৰাধৰ হাৰ (crime rate) নূণ্যতম। সুখী মানুহৰ তালিকাও তৃতীয় স্থান অধিকাৰ কৰা দেশখনৰ মানুহবোৰে প্ৰাণ খুলি হাঁহিব পাৰে। চুইজাৰলেণ্ড ইয়াৰ আৱাসীসকলৰ বাবে, লগতে পৰ্য্যটকৰ বাবেও নিৰাপদ স্থান। যিসময়ত ইউৰোপৰ কেইবা- খনো দেশত অসামাজিক কাৰ্য্যকলাপে জনজীৱন অতিষ্ঠ কৰি তুলিছে, পৰ্য্যটকো অতিষ্ট হৈ থাকিব লগা হৈছে, সেইসময়ত আল্পচৰ বুকুত নিশ্চিন্তে টোপনি গৈছে ইয়াৰ বাসিন্দাই। আমাৰ মনত শৈশৱৰে পৰা এক সপোন আছিল, জীৱনত অন্ততঃ এবাৰ আল্পচক ওচৰৰ পৰা চোৱাৰ। কিন্তু সপোনক সাকাৰ ৰূপ দিবলৈ মনৰ লগত ধন আৰু সুসংযোগ থাকিব লাগিব, নহলে সপোন মৰহী যায়। ছোৱালীজনী ইউৰোপত থকাৰ সুবাদত আমাৰ জীৱনতো সেই সুসংযোগ ঘটিল আৰু যোৱাটো গ্ৰীষ্মৰ (২০২৩ চনৰ) পৰিসমাপ্তিৰ সময়ত ছেন, জেন, ভিচাৰ জড়িয়তে ইউৰোপৰ কেইখনমান দেশ ভ্ৰমণ কৰিছিলো আৰু

নিসন্দেহে তালিকাৰ প্ৰথম স্থানত আছিল চুইজাৰলেণ্ড।

দিনটো আছিল শনিবাৰ, তেওঁলোকৰ বাবে উইকেণ্ড। আবেলিৰ পৰা জাকে জাকে মানুহ ওলাই আহিল। ডেকা-গাভৰু বুঢ়া-বুঢ়ী, সন্তানক প্ৰেমত (সৰু ল'ৰা-ছোৱালীক বহুৱাই থেলি বা টানি লৈ যাব পৰা চকালগোৱা, ধুনীয়া হুড থকা সৰু গাড়ী) বহুৱাই নৱ-দম্পতী সকলো আহিছে সপ্তাহৰ ক্লান্তি দূৰ কৰি- আনন্দ কৰিবলৈ। কোনোবাই লেকৰ পাৰত আড্ডা মাৰিছে, কোনোবাই খেলা-ধুলা কৰিছে, আন কোনোবাই বুক কৰি ৰখা হোটেলত নাচ-গানত মগ্ন হৈছে। মুঠৰ ওপৰত এক আনন্দ মুখৰ পৰিৱেশ। আড্ডাৰ মাজৰ পৰা ডেকা ল'ৰা এটি- হাতত পানীয়ৰ বটল লৈ আমাৰ ওচৰলৈ আহি ফটো তুলিলে। হাঁহি বোৰ বিয়পিল আমাৰ মুখলৈও, সন্ধিয়াটো পাৰ হল আনন্দৰ মাজেৰে। জলবায়ু সেমেকা, সেয়ে সেইদেশী মানুহৰ মদিৰা-পান এটা সাধাৰণ কথা, কিন্তু ভাল লাগিল মাতলামি কৰা এজন মানুহো লগ নাপালো। জীৱনটো প্ৰান খুলি উপভোগ কৰিছে অথচ বিশৃঙ্খংলতা নাই, সেয়ে বোধহয় পৃথিবীৰ সুখী মানুহৰ তালিকাত তেওঁলোকৰ স্থান।

জুৰিখত থকা ভাৰতীয় হোটেল তাজ পেলেচত এটি ভাৰতীয় দলক লগ পালো। ভিন্ন ৰাজ্যৰ হলেও এওঁলোকৰ মাজৰ বন্ধুতটো চকুত পৰা। অইলৰ কৰ্মচাৰী, ট্ৰেইনিঙৰ কামত ইউৰোপলৈ আহিছে আৰু উইকেণ্ডবোৰত ভিন্ন দেশ ভ্ৰমণ কৰিছে। দলটোত অসমৰ যুৱক দিব্যজ্যোতি খাউণ্ডক লগ পাই খুউব ভাল লাগিল। বিদেশত নিজৰ মানুহক লগ পোৱাৰ আনন্দই সুকীয়া। হাঁহি স্মৃতিৰে আহাৰ খাই- থকা দলটোক লগ পাই আমাৰ ওঁঠবোৰো প্ৰসাৰিত হল আকৌ এবাৰ। দেশীয় ৰন্ধন-জুটিৰ লগতে সঙ্গসুখে সেই দিনটো অন্তৰত খোদিত হৈ ৰ'ল।

জুৰিখৰ পিচত 'ইণ্টাৰলেকেন'। দুই বিশাল হ্ৰদৰ সংযোগস্থলত গঢ়ি উঠা এক অতীৱ সুন্দৰ চহৰ। চুইজাৰলেণ্ডৰ যোগাযোগ ব্যৱস্থা অতি উত্তম আৰু এই ইণ্টাৰলেকেনৰ পৰা কেইবাখনো চহৰৰ লগত পোনপটীয়া সংযোগ আছে। এই চহৰ বোলছবি জগতৰ নিৰ্দেশক সকলৰ বাবে এক আকষক স্থল। বলিউদৰ বিখ্যাত ছবি নিৰ্দেশক

বি আৰ চোপ্ৰাৰ এটা ষ্টেচু ইণ্টাৰলেকেনত আছে আৰু ভাৰতীয় পৰ্যটকক এই ষ্টেচুৱে সদায় আকৰ্ষণ কৰি আহিছে। পৰ্বতৰ ওখস্থানলৈ কেবোলে থিয়ৈ থিয়ৈ টালি নিয়া এক ধৰণৰ বাছত উঠি লগতে ওপৰৰ পৰা সুন্দৰ চহৰখনৰ মনোৰম দৃশ্য উপভোগ কৰি লাভ কৰা ৰোমাঞ্চকৰ অভিজ্ঞতা সতকাই পাহৰিব নোৱাৰিম। ইণ্টাৰলেকেনৰ পৰা দুখন ট্ৰেইন সলনি কৰি, তাৰপিছত এক বিশাল ৰোপৱেও উঠি আৰু সৰ্বশেষত এখন মিনিৰেলত উঠি 'মোৰেন' নামৰ চুইজাৰলেণ্ডৰ ওখ আৰু- আকেৰ্ষণীয় সৰু ঠাইটুকুৰালৈ গৈছিলো। আমাৰ বাবে অতি আশ্চৰ্য্যৰ কথা যে এই চাৰিখলপীয়া যাত্ৰাও আমাৰ মাত্ৰ তিনিঘণ্টা চল্লিচ মিনিট লাগিছিল। এই তথ্য উল্লেখ কৰাৰ কাৰণ হল এই দেশব অতি উন্নত আৰু খৰটকীয়া যোগাযোগ ব্যবস্থা।

মোবেন নামৰ পাহাৰীয়া ঠাইখনৰ বাসিন্দা মাথোঁ ৪০০ জন, কিন্তু পৰ্যটকৰ বাবে ২৫০০ বিছনা আছে। প্ৰায় সকলো বাসিন্দাৰে হোটেল ব্যবসায় আছে। সংখ্যাটোৱে বুজাই ইয়ালৈ কিমান পৰ্যটক যায়। আমি আগতে বুক কবিথোৱা হোটেল খনৰ চুইছ মহিলা- গৰাকী আৰু তেওঁৰ সঙ্গী কেইজন অতি অমায়িক স্বভাৱৰ আছিল। আমি অসমীয়া মানুহ, পুৱাই চাহকাপ নাপালে দিনটো অসমাপ্ত থাকি যায়। কথাখিনি তেওঁলোকৰ লগত চেয়াৰ কৰোঁতে লগে লগে এটা ইলকট্ৰিক কেটলি আৰু চাৰিটা সুন্দৰ কাপ ট্ৰে এখনৰ সৈতে আমাক চমজাই দিলে। সুন্দৰ মহিলা গৰাকীৰ মধুৰ হাঁহিটোৱে সঁচাকৈ দিনটো সুন্দৰ কৰি তুলিছিল।

মোৰেনক হিয়াত সামৰি একেই চাৰিখলপীয়া ব্যবস্থাৰে আৰু এক বিখ্যাত চহৰ 'জেনেভা' পালোহি। ইয়াত যিহেতু এপাৰ্টমেণ্ট বুক কৰা আছিল, প্ৰথমতে আহোঁতেই ছোৱালী- জনীয়ে সংগ্ৰহ কৰা গাখীৰ আৰু আমি কঢ়িয়াই লৈ ফুৰা- চাইপাতেৰে একাপ একাপ সুন্দৰ চাহ খাই মনৰ তৃপ্তি পুৰাই ললো। গধূলি ওচৰতে থকা ডাঙৰ মাৰ্কেটৰ পৰা চাউল, দাইল, আলু তেল আদি ক্ৰয় কৰি সম্পূৰ্ণ ঘৰুৱা এসাজেৰে খাই আৰামদায়ক শেতেলিত দিনটোৰ ভাগৰ মাৰিলো। জেনেভাতে আছে ইউ এন অ' ৰ (UNO) ৰ মুখ্য কাৰ্য্যালয়। তিনিটা খুৰাৰ (যাৰ এটা খুৰা ভগা) বিশাল চকীখনেই এই ঠাইখনৰ পৰিচয়, সিটো ইণ্টাৰনেটৰ সুবাদত আগতেই দেখিছো। সেয়ে মেট্ৰৰ পৰা চকীখন দেখিয়েই নামি পৰিলো। ভিন্ন দেশৰ পতাকা উৰি থকা ইউ এন অৰ হেড় কোৱাটাৰত জিলিকি আছে। নিজৰ দেশৰ পতাকাখন বাচি উলিয়াই মনৰ মাজতে প্ৰণাম কৰিলো। ইয়াৰ পিছত WHO কাৰ্য্যালয়টো ওচৰৰ পৰা পৰিদৰ্শন কৰিলো। গুগোলে পথদেখুৱাওতে অলপ অসুবিধাৰহে সম্মুখীন হলো। আচলতে আমি বাচ এখনত উঠহে তাৰৈ যোৱাটো বাঞ্ছনীয় আছিল। চুইজাৰলেণ্ডত টেক্সি ব্যৱস্থা বহুত ব্যয়বহুল। আৰু মানুহে কম ব্যবহাৰ কৰে, কাৰণ ইয়াৰ অতি সুবিধাজনক মেট্ৰৰ ব্যৱস্থা আছে। যিনহওক এই ঠাইখন যেন আন্তঃৰাষ্ট্ৰীয় সংযোগস্থলহে, বিজ্ঞান প্ৰযুক্তি আৰু উদ্ভাৱনী শক্তিৰ অপূৰ্ব নিদৰ্শন ইয়াত সিচৰিত হৈ আছে।

মাটি কালিৰ হিচাপত অসমতকৈও সৰু দেশ খনৰ জনসংখ্যাই (২০১৯ৰ গণনাত) এককোটিও স্পৰ্শ কৰা নাই। ওপৰত আল্পচ আৰু তলত আছে সৰু বৰ মিলি ৭০০০টা হ্ৰদ। বেছিভাগৰে পাৰবিলাক বন্ধোৱা আৰু সুদৃশ্য দলঙেৰে ইপাৰ সিপাৰ হব পৰা। প্ৰকৃতিৰ অপূৰ্ব আৰু অকৃপন হাতৰ দান লগতে মানুহৰ উৰ্বৰ মগজুৰ সুসংযোগেৰে এই ক্ষুদ্ৰ দেশখনক বিশ্বৰ ভিতৰতে এক চহকী দেশৰ গণনাত ৰাখিছে। মেট্ৰ বা বাছৰ টিকট মবাইল এপৰে বা ঠায়ে ঠায়ে বহুৱাই ৰখা কম্পিউটাৰৰ জৰিয়তে ক্ৰয় কৰিব লাগে। সৰু ল'ৰা-ছোৱালীৰ পৰা বয়সস্থ সকলেও এনে ব্যবস্থাত অভ্যস্ত, সঁচাকৈয়ে প্ৰযুক্তিক সজ অৰ্থত ব্যবহাৰ কৰিলে ই মানব-সভ্যতালৈ বৰদান, কিন্তু অযোগ্যজনৰ হাতত পৰিলে এক অভিশাপ হৈ পৰে, যিটো জনসংখ্যাই গিজগিজাই থকা আমাৰ দেশত সহজে চকুত পৰে। যি নহওক এইবোৰ আলোচনাক এই লিখনিতে সামৰিব বিচৰা নাই। আমাৰ ইউৰোপ ভ্ৰমণৰ প্ৰথমখন দেশ চুইজাৰলেণ্ডত আমি মাত্ৰ এই চাৰিখন স্থানহে নিৰ্বাচিত কৰিছিলো। সাধাৰণ মধ্যবিত্ত মানুহৰ পকেটৰ হিচাপবোৰো অগ্ৰাধিকাৰত পৰে আৰু এইদেশৰ জীৱন ধাৰণৰ মান অতি উন্নত। সেয়ে অত্যন্ত ব্যয়বহুল দেশ- খনত আমি মাত্ৰ আঠটা দিন আছিলো। অৱশ্যে অতি বিত্তবান মানুহৰ জীৱনতো পৃথিৱীৰ সকলো ঠাই দৰ্শন কৰাটো সম্ভৱ নহয়। নিজৰ সমৰ্থতাৰে দেশ আৰু বিদেশত যিমানখিনি স্থান ভ্ৰমণ কৰিব পাৰিছো, জীবনত ভিন্ন মানুহৰ লগত যোগাযোগ কৰিছো সেয়াও আমাৰ চৰম প্ৰাপ্তি। হয়তো সকলোৰে জীৱন উপভোগ কৰাৰ মাধ্যম সুকীয়া, কিন্তু আমাৰ দৰে ভ্ৰমণবিলাসী মানুহৰ বাবে চুইজাৰলেণ্ডত কটোৱা সময়খিনি বৰ উপভোগ্য আছিল। সমৰ্থতাৰ লগতে মনৰ ইচ্ছাৰ সংমিশ্ৰণ ঘটাই আমাৰ দৰে সাধাৰণ মানুহেও ছু চুইজাৰলেণ্ডক ভ্ৰমনৰ তালিকাত সংযোগ কৰিব পাৰে।



# স্নাতক পৰ্যায়ৰ শিক্ষাৰ্থী আৰু Backlog Examination

**গীতিকা তালুকদাৰ**
**সহকাৰী অধ্যাপিকা** (শিক্ষা বিভাগ)

স্নাতক পৰ্যায়ত শিক্ষাৰ্থীসকলৰ মাজত বৰ্তমান সঘনাই পৰিলক্ষিত হোৱা এটা শৈক্ষিক সমস্যা হল Backlog। শিক্ষাৰ্থীসকলে নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত নিৰ্দিষ্ট বিষয়ৰ পৰীক্ষাত অৱতীৰ্ণ হৈ যেতিয়া প্ৰথমবাৰত উত্তীৰ্ণ হবলৈ সমৰ্থ নহয় তাকেই সাধাৰণভাৱে 'Back-log' বুলি কব পাৰি। পৰীক্ষাত Back অহাটো কোনো নতুন সমস্যা নহয় যদিও ক্ৰমাগতভাবে বাঢ়ি অহা হাৰ শৈক্ষিক দিশত এক অন্তৰায় বুলি কব পাৰি। এইক্ষেত্ৰত কিছুমান বিবেচনাধীন দিশ যেনে: শিক্ষাৰ্থীৰ স্বাস্থ্যজনিত সমস্যা সংকীৰ্ণ পৰিৱেশৰপৰা আহি মহাবিদ্যালয়ৰ বিশাল পৰিৱেশৰ লগত প্ৰথমাৱস্থাত সমাযোজন কৰিবলৈ অসুবিধা পোৱা, বিদ্যালয়ৰ বছৰেকীয়া পাঠ্যক্ৰমৰপৰা আকস্মিকভাৱে যান্মাসিক পাঠ্যক্ৰমৰ লগত সমাযোজনৰ সমস্যা ইত্যাদিয়ে স্বাভাৱিকতে কম বেছি পাৰমাণে বিষয় বিলাকত 'Back' লগাত অৰিহণা যোগাইছে। কিন্তু, শিক্ষয়িত্ৰী হিচাপে শ্ৰেণীকোঠাত পাঠদান কৰোঁতে সঘনাই আমাৰ দৃষ্টিগোচৰ হোৱা প্ৰধান কাৰণসমূহ যিয়ে এক নিৰ্দিষ্ট ষান্মাসিকৰ পাঠ্যক্ৰমণ বিষয়বিলাকত 'Back' লগাত সহায় কৰিছে, সেই কাৰণবোৰ পৰ্যালোচনা কৰিবলে প্ৰয়াস কৰা হৈছে-

(১) বহুসংখ্যক শিক্ষাৰ্থীয়ে Class Routine ত মহাবিদ্যালয়ে নিৰ্দিষ্টকৈ নিৰ্দিষ্ট সময়ত নিৰ্ধাৰণ কৰা শ্ৰেণীসমূহ সূক্ষ্মভাৱে পৰ্যবেক্ষন নকৰে। ইয়াৰ ফলস্বৰূপে শিক্ষাৰ্থীসকলে শ্ৰেণীকোঠাত অনুপস্থিত হয় অথবা বহু পলমকে শ্ৰেণীকোঠাত উপস্থিত হয়।

(২) কিছুসংখ্যক শিক্ষাৰ্থীয়ে ঘৰৰপৰা মহাবিদ্যালয়লৈ সঠিক সময়ত আহে কিন্তু ইচ্ছাকৃতভাৱে শ্ৰেণীত অনুপস্থিত থাকে। তেওঁলোকে হয়তো ভাবে যে আমাক শিক্ষকে ধৰিব নোৱাৰে, কিন্তু শিক্ষকসকলৰ বাবে প্ৰতি গৰাকী শিক্ষাৰ্থীৰ নাম মনত ৰখাটো সবস্তপৰ নহয় যদিও মুখবোৰ চিনাকি হয়।

(৩) এটা শ্ৰেণীকোঠাত শিক্ষাদান কৰিলে গমপোৱা যায় বেছিসংখ্যক শিক্ষাৰ্থীয়ে নিজৰ নিৰ্দিষ্ট বিষয়ৰ কিতাপ কিনিব নিবিচাৰে। এইক্ষেত্ৰত Non-Honours ৰ শিক্ষাৰ্থীৰ কিতাপ কিনিব নিবিচৰাৰ প্ৰৱণতা অধিক। তাৰ পৰিৱৰ্তে সহজতে নিজৰ ম'বাইলত সম্পূৰ্ণ কিতাপখনৰ ফটো তুলি লব বিচাৰে।

(৪) শিক্ষাৰ্থীসকলে বেছিভাগ ক্ষেত্ৰতেই নীৰৱ শ্ৰোতাৰ ভুমিকা অৱলম্বন কৰে। শিক্ষাদান প্ৰক্ৰিয়া তেতিয়াহে ফলপ্ৰসূ হয়, যেতিয়া উভয় পক্ষৰ মাজত সক্ৰিয় যোগাযোগ থাকে। এইক্ষেত্ৰত, তত্ত্বগধুৰ বিষয়বোৰে শিক্ষণ প্ৰক্ৰিয়াটো একঘেয়ামী কৰি তোলে।

(৫) সাধাৰণতে আমি দেখিবলৈ পাও যে এখন নিৰ্দিষ্ট বিশ্ববিদ্যালয়ৰ অন্তভুক্ত মহাবিদ্যালয়সমূহৰ বাবে Question Pattern একে ধৰণৰ হয়। এইক্ষেত্ৰত শিক্ষাৰ্থীসকলে নিৰ্দিষ্ট বিষয়সমূহৰ পুৰণি প্ৰশ্ন কাকত সমূহে পুথিভঁৰালৰপৰা সংগ্ৰহ কৰি সঠিকভাৱে পৰ্যালোচনা কৰিলে অবতীৰ্ণ হ'বলৈ লোৱা পৰীক্ষাৰ এটা থুলমূল ধাৰণা লাভ কৰিব পাৰে। বাস্তৱ- ক্ষেত্ৰত কমসংখ্যক শিক্ষাৰ্থীয়ে এনেধৰণৰ কৌশল অৱলম্বন কৰে।

(৬) বেছিভাগ শিক্ষাৰ্থীয়ে নিৰ্দিষ্ট বিষয়ৰ Syllabus সম্পৰ্কে জ্ঞাত নহয়। শিক্ষকে শেণীকোঠাত প্ৰদান কৰা 'Notes' কেই সৰ্বোচ্চ বুলি ভাবি নিজাববীয়াকৈ 'Notes' প্ৰস্তুত কৰিবলৈ বহুসংখ্যক শিক্ষাৰ্থীৰে নিবিচাৰে।

(৭) কিছুমান শিক্ষাৰ্থীয়ে নিৰ্বাচিত কিছু শিক্ষকৰ শ্ৰেণীতহে উপস্থিত থাকিবলৈ বিচাৰে। মন পচন্দৰ

শিক্ষকজন শিক্ষাদান কৰিবলে নাহিলে তেওঁলোকেও শ্ৰেনীলৈ নহাকে থাকে।

(৮) Back লগাটো বেছিভাগ শিক্ষাৰ্থীয়ে সাধাৰণভাৱে লয়, যিয়ে প্ৰতিটো ষাণ্মাসিক পৰীক্ষাত 'Back'ৰ হাৰ বৃদ্ধিতে সহায় কৰিছে।

হু ওপৰোক্ত কাৰণসমূহ শিক্ষয়িত্ৰী হিচাপে আমাৰ দৃষ্টিগোচৰ হয়। কিন্তু, আমি সকলোৱে জানো যে যিকোনো সমস্যাৰে সমাধান আছে। গতিকে, আমাৰ শিক্ষাৰ্থীসকলৰ মাজত সঘনাই পৰিলক্ষিত হোৱা এই সমস্যাটো সম্পূৰ্ণভাৱে নিৰ্মূল কৰিব নোৱাৰি যদিও ইয়াৰ বৃদ্ধিৰ হাৰ হ্ৰাস কৰিব পাৰি। এইক্ষেত্ৰতঃ, তলত উল্লেখিত বিষয়সমূহ বিবেচনাযোগ্য

(১) প্ৰতিখন মহাবিদ্যালয়ে প্ৰতিটো ষাণ্মাসিকৰ শ্ৰেণী আৰম্ভণিৰ আগতেই নিৰ্দিষ্ট কৰি দিয়া 'class Routine খন শিক্ষাৰ্থীসকলে সংগ্ৰহ কৰি নিজৰ class ৰ বহীত লিখি লোৱা উচিত যাতে শ্ৰেণীসমূহত সঠিক সময়ত উপস্থিত থাকিব পাৰে।

(২) শিক্ষাৰ্থীসকলে ঘৰৰপৰা নিৰ্দিষ্ট সময়ত মহাবিদ্যালয়লৈ ওলাই আহিলেই যথেষ্ট নহয়। পিতৃ-মাতৃয়েও হেঁপাহেৰে বাট চায়, ওচৰ-চুবুৰীয়াক কবলৈ গৌৰৱবোধ কৰে যে সন্তানে -BA/B.S.C পৰ্যায়ত পঢ়ি আছে। গতিকে সময়মতে ইচ্ছাকৃতভাবে সদায় শ্ৰেণীসমূহূত উপস্থিত থকাটো যে উচিত, সেই কথা নিজেই অনুধাৱন কৰিব লাগিব।

(৩) পুথিভঁৰাল হৈছে জ্ঞানৰ ভাণ্ডাৰ। এটা পুথিভঁৰাল পাঠ্যক্ৰমৰ বিষয়সমূহৰ উপৰিও অন্যান্য বিভিন্ন তথ্য সমৃদ্ধ বিষয়েৰে পৰিপুষ্ট হৈ থাকে। শিক্ষাৰ্থীসকলে যদিহে ব্যক্তিগতভাৱে কিতাপ কিনিবলৈ নোৱাৰে, তেন্তে পুথিভঁৰালত শিক্ষৰ্থীৰ বাবে নিৰ্দিষ্ট কৰি থোৱা দিনত কিতাপ লব পাৰে, পুৰণি প্ৰশ্নকাকত ল'ব পাৰে যিয়ে তেওঁলোকক যথেষ্ট সহায় কৰিব।

(৪) শিক্ষাৰ্থীক শ্ৰেণীকোঠাত উপস্থিতিৰ হাৰ বৃদ্ধি কৰিবলৈ প্ৰশাসনীয়ভাবে কঠোৰতাৰ নীতি অৱলম্বন কৰিব লাগিব। স্নাতক পৰ্যায়ত নামভৰ্তিৰ সময়ত বা পাঠ্যক্ৰমৰ আৰম্ভণিতেই Counselling ৰ জৰিয়তে সিহঁতক জ্ঞাত কৰাব লাগিব যে শ্ৰেণী উপস্থিতিৰ হাৰ কমিলে পৰীক্ষাৰ "form-fill up কৰিব নোৱাৰে।

(৫) শিক্ষাৰ্থীসকলে প্ৰতিটো যান্মাসিকৰ আৰম্ভণিৰ লগে লগেই বিভাগসমূহ বা ইন্টাৰনেটৰ জৰিয়তে নিৰ্দিষ্ট বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমৰ 'Syllabus' সংগ্ৰহ কৰি কিতাপ কিনিব লাগিব। এইক্ষেত্ৰত, আৰ্থিকভাৱে দুৰ্বল শিক্ষাৰ্থীয়ে বিভাগৰ পুথিভঁৰাল বা মহাবিদ্যালয়ৰ পুথিভঁৰালৰপৰা সহায় লব পাৰে।

(৬) Back লগাটো সহজভাবে নলৈ গুৰুত্ব সহকাৰে ল'বলৈ শিকা উচিত। এবাৰ লগাটো মানি ল'ব পাৰি, কিন্তু প্ৰতিবাৰেই 'Back' লগা দিশটোৱে Form-fill up'ৰ নামত আৰ্থিক দিশ সময়ৰ অপচয়, শিক্ষাৰ্থীৰ মানসিক স্থিতি ইত্যাদিবোৰকো প্ৰভাৱিত কৰে। বাৰে বাৰে 'Back' লগাৰ পিছত হতাশ হলে এগৰাকী শিক্ষাৰ্থীৰ যিকোনো এটা ডিগ্ৰী সম্পূৰ্ণ নহবও পাৰে।

(৭) শিক্ষাৰ্থীলেকল সদায় শিক্ষকৰ ওচৰ চাপিবলৈ প্ৰয়াস কৰিব লাগে। তেওঁলোকে শ্ৰেণীকোঠাত সকলোৱে মাজত সম্মুখীন হোৱা সমস্যাবোৰ প্ৰকাশ কৰিবলৈ দ্বিধাবোধ কৰিব পাৰে। কিন্তু পৰৱৰ্তী পৰ্যায়ত নিৰ্দিষ্ট বিষয়টো পঢ়োৱা শিক্ষকজনক লগ ধৰি সমস্যাটোৰ সমাধান বিচাৰিব পাৰে।

সামগ্ৰিকভাৱে ওপৰোক্ত দিশসমূহ পৰ্যালোচনা অন্তত ক'ব পাৰি যে 'Back' লগাটো আমি অস্বীকাৰ কৰিব নোৱাৰো। কিয়নো সকলো শিক্ষাৰ্থীৰে বুদ্ধিমত্তা একে নহয়। কিন্তু Back হাৰ হ্ৰাস কৰিবলৈ আমি সকলোৱে অৰ্থাৎ শিক্ষক- শিক্ষয়িত্ৰী, প্ৰশাসন সজাগ হ'ব লাগিব। কিয়নো এখন মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ হৈ মহাবিদ্যালয় তথা সমাজৰ সম্পদ। এই সম্পদসমূহক সঠিক দিশত লৈ যোৱাটোত আমাৰো দায়িত্ব আছে। কাৰণ, তেওঁলোকৰ উৎকৃষ্ট ফলাফল প্ৰদৰ্শনে আমাক সমাজত এক সুকীয়া স্থান দিয়ে। যেতিয়া ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনস্থ মহাবিদ্যালয় সমূহৰ স্থানসমূহ ফলাফলৰ ভিত্তিত দেখুওৱা হয়, তেতিয়া আমাৰ মহাবিদ্যালয়খনৰ স্থান ওপৰত থাকিলে আমি প্ৰদান কৰা শিক্ষা সাৰ্থক হোৱা যেন অনুভৱ হয়। অন্যথা ক'ৰবাত ত্ৰুটি ৰৈ যোৱা যেন বোধ হয়। NAAC'ৰ মূল্যাংকন ব্যবস্থাটো শিক্ষাৰ্থীসকলৰ শৈক্ষিক ফলাফল, সহপাঠ্য- ক্ৰমিক ফলাফল, পৰবৰ্তী পৰ্যায়ত আমাৰ শিক্ষাৰ্থীসকলৰ সামাজিক স্থিতি ইত্যাদি দিশে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। আহক, আমি সেকলোকে নিজৰ নিজৰ সামৰ্থ অনুসৰি শিক্ষাৰ্থীসকলক উপলব্ধি কৰাও যে শিক্ষাৰ্থীসকল অধ্যয়নৰ প্ৰতি দায়বদ্ধ হওঁক।



# ৪ বৰ্ণৰ অৰ্থ কি

বিষ্ণু প্ৰধান
প্ৰাক্তন ছাত্ৰ

প্ৰথম শতিকাৰ পৰা তৃতীয় শতিকাৰ ভিতৰত 'মনুস্মৃতি' লিখা হৈছিল বুলি বিজ্ঞান বা বিশেষজ্ঞ সকলে মত পোষণ কৰে। 'মনুস্মৃতি' হৈছে এক ধৰ্ম গ্ৰন্থ, এই গ্ৰন্থখন ভাৰতৰ পৌৰাণিক কথাৰ মতে পৃথিৱীৰ প্ৰথম মানৱ, মনুৰ দ্বাৰা লিখা হৈছে। মনুক বহুতো লোকে ব্ৰহ্মা দেৱতাৰ পুত্ৰ বুলিও কয়। তেখেতৰ গ্ৰন্থ সমূহ অধ্যয়ন কৰিলে তেওঁ এজন ৰাজনীতিবিদ আছিল বুলিও কব পাৰি । ভাৰতৰ ধৰ্মীয় গ্ৰন্থ সমূহৰ ভিতৰত মনুস্মৃতি গ্ৰন্থ হৈছে অন্যতম । এই গ্ৰন্থখন বহুবাৰ বিতৰ্কৰ বিষয় হোৱাৰ লগতে বহুতো লোকে এই গ্ৰন্থখনৰ সমৰ্থনত থিয় হোৱাও পৰিলক্ষিত হয়।

মনুস্মৃতি বা হিন্দু ধৰ্মৰ মতে বৰ্ণ হৈছে চাৰি প্ৰকাৰৰ। ব্ৰহ্মাণ, ক্ষত্ৰিয়, বৈশ্য আৰু সুদ্ৰ। বৰ্ণ হৈছে এক জাতি ব্যৱস্থা আৰু হিন্দু ধৰ্মই মানৱ জাতিক চাৰিটা ভাগত ভাগ কৰে ওপৰত উল্লেখ কৰাৰ দৰে । মনুস্মৃতি লিখা মতে হিন্দু ধৰ্মৰ চাৰিটা বৰ্ণৰ প্ৰথম বৰ্ণ বা শ্ৰেষ্ঠ বৰ্ণ হৈছে ব্ৰাহ্মণ। ব্ৰাহ্মণ সকলৰ কাম হৈছে পূজা পাতল, হুম যজ্ঞ আদি কৰা বা মানৱ সমাজৰ বিভিন্ন মাংগলিক কৰ্মবোৰ কৰা। দ্বিতীয় বৰ্ণ হৈছে ক্ষত্ৰিয়, এই বৰ্ণৰ কাম হৈছে ৰাজশাসন যুদ্ধ বিগ্ৰহ ৰাজ্য সুৰক্ষা আদি কৰা। তৃতীয় বৰ্ণ হৈছে বৈশ্য, এই শ্ৰেণীৰ লোক সকলৰ কাম হৈছে বেপাৰ বাণিজ্য কৰা ৰজা মহাজৰা বা শাসন কৰ্তাক কৰ দি ৰাজ্য চলোৱাত সহায় সহযোগিতা কৰা। চতুৰ্থ বা অন্তিম শ্ৰেণীৰ লোক হৈছে সুদ্ৰ, এওঁলোকে ওপৰৰ তিনি শ্ৰেণীৰ দাস হিচাপে পৰিচিত, তেওঁলোকৰ কাম হৈছে ওপৰৰ তিনি শ্ৰেণীৰ দাসত্ব কৰা।

হিন্দু ধৰ্মীয় গ্ৰন্থ সমূহত ওপৰৰ কথা উল্লেখ আছে। শাস্ত্ৰই গুণক তিনিটা স্তৰত ৰাখে সত, ৰজ আৰু তম। সত হৈছে সদ্ভাৱ, শান্তি, সু-সমতা, ৰজ হৈছে আবেগ , কাৰ্যকলাপ, গতি আৰু তম হৈছে অজ্ঞনতা, জড়তা, এলাহ। এই তিনি ঘুণক বৰ্ণৰ লগত খাপ খোৱালে, ব্ৰহ্মাণ সকল সকলোৱে মংগলৰ কথা চিন্তা কৰে কোনো মোহ মায়া নথকাৰ বাবে এই শ্ৰেণীৰ লোক সকলৰ ঘুণ হ'ব সত বা এওঁলোক সত গুণৰ অধীন হ'ব। ক্ষত্ৰিয় সকল যিহেতু ৰাজ সাশনৰ বাবে হিংসাত্মক কাৰ্য সম্পাদন কৰিব লগীয়া হয়, সাম দণ্ড অৰু ভেদ এই তিনিটা নীতি প্ৰয়োগ কৰিবলগীয়া হয় গতিকেলৈ এক শ্ৰেণীৰ লোক সকল ৰজ গুণী। বৈশ্য শ্ৰেণীয়ে জীৱন নিৰ্বাহিৰ বাবে বিভিন্ন মোহ মায়া, ংিসা, কামনা আদিৰ সহায় লয় গতিকে এই শ্ৰেণীৰ লোক সকল ৰজ আৰু তম দুই গুণৰ অধীন হয়। সুদ্ৰ শ্ৰেণীৰ লোক সকল অজ্ঞানী তথা কৰ্মৰ পৰা আঁতৰত থাকিব বিচাৰে যাৰ বাবে তেওঁলোকৰ ওপৰত অন্য শ্ৰেণীৰ লোক সকলে শাসন চলাই গতিকে ইয়াক তম গুণত ৰখা হয়।

ওপৰৰ দুটা পেৰেগ্ৰাফ পঢ়িলে আমি বৰ্ণ ব্যৱস্থা আৰু গুণ বিষয়ে কিছু আভাস পাওঁ। কিন্তু এই কথাবিলাক ধৰ্মীয় গ্ৰন্থ সকুহত কিয় উল্লেখ আছে বা মানৱ জীৱনত ইয়াৰ প্ৰাসংগিকতা কি ? সেই বিষয়ে যদি োমি জানিবলৈ চেষ্টা কৰো তোন্ত এইবোৰ ভালদৰে অধ্যয়ন কৰাটো অত্যন্ত প্ৰয়োজন। আচলতে এই গুণ আৰু বৰ্ণ ব্যৱস্থা মানৱ জীৱনত অত্যন্ত জৰুৰী ইয়াৰ অবিহনে মানৱ জাতি গঢ় দিয়াৰ কথা চিন্তাও কৰিব নোৱাৰি। বহুতো লোকে ভাৱে বা ক'ব খোজে যে তেওঁলোক জাতি ব্যৱস্থাক গুৰুত্ব নিদিয়ে। এইবোৰৰ পৰা আঁতৰি থাকে। যেনে বহুতো লোকে ৰাজনীতিৰ বিষয়েও কয় ইয়াৰ পৰা আতৰি থাকিব লাগে, আঁৰি থাকিলে ভাল ইত্যাদি ইত্যাদি। আচলতে যিদৰে আমি ৰাজনীতি পৰা আঁতৰি থাকিব নোৱাৰোঁ কেৱল আমি কবহে পাৰোঁ। ঠিক একেদৰে বহুতো লোকে কলেও কিন্তু তেওঁলোক জাতি ব্যৱস্থা বা গুণৰ অধীন। এইবোৰ এৰি চলাৰ কথা ভবাটো এটা ভাৱনা হে ই বাস্তৱ নহয়। এটা

ৰাষ্ট্ৰ প্ৰতিটৈশ হ'বলৈ হ'লে চাৰি বৰ্ণৰ আৰু তিনিগুণৰ প্ৰয়োজন। ইয়াৰ অবিহনে ৰাষ্ট্ৰ প্ৰতিষ্টা অসম্ভৱ। পূজা পাতল নোহোৱাকৈ এটা ৰাষ্ট্ৰ হ'ব পাৰে কিন্তু শিক্ষা নোহোৱাকৈ এটা ৰাষ্ট্ৰ জীয়াই থাকিব নোৱাৰে আৰু এই শিক্ষকৰ গুণ সৎ হ'ব লাগিব যাতে সৎ শিক্ষাৰে সৎ ৰাষ্ট্ৰ গঠন কৰিব পাৰে। এই শিক্ষকেই হ'ব ৰাষ্ট্ৰখনৰ ব্ৰাহ্মণ শ্ৰেণীৰ লোক। এখন দেশ অন্য দেশৰ লগত যুদ্ধ নকৰিব পাৰে কিন্তু অন্য দেশে যাতে আক্ৰমণ কৰিব নোৱাৰে তাৰ বাবে আত্মৰক্ষাৰ ব্যৱস্থা কৰাৰ অতিকৈ প্ৰয়োজন আৰু এই আত্মৰক্ষাৰ ব্যৱস্থাই হৈছে দেশখনৰ ক্ষত্ৰিয় শ্ৰেণীৰ লোক । এখন দেশত মানুহৰ প্ৰয়োজনীয় সকলোবোৰ সামগ্ৰী উৎপাদন কৰিব নোৱাৰি আৰু বহুখিনি উৎপাদন কৰিলেও সেই উৎপাদিন সামগ্ৰী বিতৰণ কৰাৰ প্ৰয়োজনীয়তা আছে আৰু এনে কাৰ্মৰ লগত জড়িত লোক সকল হৈছে বৈশ্য শ্ৰেণীৰ । এখন দেশক যদি আমি স্বচ্ছ কৰি ৰাখিব বিচাৰোঁ তেতিয়া হ'লে আমাক চাফাই কৰ্মচাৰীৰ প্ৰয়োজন কাৰণ দেশ এখন সুস্থ হোৱাটো তেতিয়াহে সম্ভৱ হ'ব যেতিয়া ইয়াৰ পৰিৱেশ সুস্থ হ'ব। দেশ এখনক স্বচ্ছ কৰি ৰখাত যিসকল জড়িত আছে সেই শ্ৰেণীৰ লোক সকলক সুদ্ৰ শ্ৰেণীৰ লোক বুলি কোৱা হয়।

মনুস্মৃতিৰ মতে বা 'মনুস্মৃতি' অধ্যয়ন কৰা কিছু লোকে ক'ব বিচাৰে যে, 'মনুস্মৃতি' লিখা আছে ব্ৰহ্মণ শ্ৰেণীৰ লোকসকল ভগৱান ব্ৰহ্মাৰ মুৰৰ পৰা জন্ম হৈছে, ক্ষত্তিয় সকলে বাহুৰ পৰা, বৈশ্য সকলে জাংঘৰ পৰা আৰু সুদ্ৰ সকলে গৰিৰ তলুৱাৰ পৰা । বৰ্ণ বা জাতি ব্যৱস্থা হৈছে জন্ম সুত্ৰে মানুহে লাগ কৰা এক পৰিচয়। কিন্তু আমি যদি ইয়াৰ প্ৰকৃত অৰ্থ বিচাৰ কৰো তেন্তে এই জাতি ব্যৱস্থা এনেকুৱা নহয়। ভগৱানে মানুহক কেতিয়াও একে বএঙৱস্থাত থাকিবলৈ পৃথিৱীলৈ পঠিওৱা নাই। মানুহৰ কৰ্ম অনুযায়ী তেলঁলোকৰ পৰিচয় সলনি হোৱাটো স্বাভাৱিক। ভাগৱত জীতি চতুৰ্থ তনধ্যায়ৰ ১৩ নং শ্লে "চতুৰ বৰ্ণম ময়া সৃষ্টম গুণ কৰ্ম বিভাগস্বহ । তস্য কৰ্তৰম আপিমাম বিধ্যাকাৰতাৰম আব্যায়াম। অৰ্থাৎ চাৰি বৰ্ণৰ ৰচনা ভগৱান শ্ৰকৃষ্ণ এই বৰ্ণ ব্যৱস্থা মানুহৰ কৰ্ম আৰু গুণ অনুযায়ী বিভাজন কৰা হয়। পৃথিৱীত যেতিয়া মানৱৰ জন্ম হয় প্ৰথম অৱস্থাত শিওটি সুদ্ৰ হৈ জন্মগ্ৰহণ কৰে আৰু শিশুটিৰ গুণ ওম হয়। অৰ্থাৎ জন্মসূত্ৰে মানৱ ুদ্ৰ বৰ্ণ আৰু তম গুণী। ই চিৰন্তন সত্য ইয়াক আমি পৰিৱৰ্তন কৰিব নোৱাৰোঁ, যাৰ স্পষ্ট অৰ্থ হৈছে তাৰ মানে তেওঁ ব্ৰাহ্মণ নহয়। ব্যক্তিয়ে ব্ৰাহ্মণ হিচাপে প্ৰতিটো। হ'বলৈ ব্ৰাহ্মণৰ দৰে আচৰণ কৰিব লাগিব, জ্ঞানী হ'ব লাগিব বেদ শাস্ত্ৰৰ অধ্যয়ন কৰিব লাগিব। আমাৰ ভাৰতীয় সমাজত এচাম লোকে বৰ্ণ ব্যৱস্থাক আওকাণ কৰে আৰু এচাম লোকে এই ব্যৱস্থাৰ ভুল ধাৰণা লৈ জীয়াই আছে। যিহেতু ভাৰতীয় সমাজৰ বৰ্ণ ব্যৱস্থাৰ প্ৰাধান্য সমগ্ৰ বিশ্বতে বিশ্ববাসীয়ে নজনাকৈ আছে গতিকে এই ব্যৱস্থাৰ সঠিক অৰ্থ সকলোৱে জনাৰ প্ৰয়োজনীয়তা আছে। বৰ্ণ ব্যৱস্থাই কেতিয়াও বিতৰ্ক সৃষ্টি নকৰে কিন্তু ইয়াৰ অৰ্থ ভুলকৈ বিচাৰে । এজন ব্যক্তি সমাজত জন্ম লাভ কৰোঁতে সুদ্ৰ হৈ জন্মে। বিভিন্ন আনুষ্ঠানিক। অনানুষ্ঠানিক ভাৱে জ্ঞান লাভ কৰাৰ পিছত ব্যক্তিজন কোণ বৰ্ণত থাকিব সেইয়া নিৰ্ধাৰিত হ'ব ব্যক্তিজনৰ কৰ্মৰ জড়িয়তে। কৰ্ম সূত্ৰে কিছু লোক ব্ৰাহ্মণ তথা সত গুণী হয়, কিছুৱে ক্ষত্ৰিয় হৈ ৰজ গুণী হয়। কিছুলোকে বৈশ্য বৰ্ণৰ অন্তৰ্গত ৰজ আৰু তম্ গুণী হয়। কিছুমান ৰচিছে ইয়াক আমি আঁকোৱালি লোৱা উচিত আৰু ইয়াৰ প্ৰকৃত অৰ্থৰ জ্ঞান কৰাটো আমাৰ দায়িত্ব।



# সোণোৱাল কছাৰী

**লীজা ধাদুমীয়া**
**পঞ্চম ষাণ্মাসিক অসমীয়া বিভাগ**

মানুহৰ জীৱন ধাৰণ পদ্ধতিৰ সৈতে সম্পৰ্কত বিভিন্ন ধৰ্মীয় সামাজিক পৰম্পৰা ৰীতি-নীতি, লোক-অভ্যাস, আচাৰ- অনুষ্ঠান আদিসমূহেই হৈছে লোকসংস্কৃতি। বিভিন্ন জাতি জনগোষ্ঠীৰ আৱাসভুমি অসমৰ সকলোৰে নিজস্ব লোকাচাৰ আৰু লোক- বিশ্বাস থকা পৰিলক্ষিত হয়। উত্তৰ-পূব ভাৰতৰ অসম ৰাজ্যৰ অন্যতম থলুৱা খিলঞ্জীয়া জনগোষ্ঠীটোৱেই সোণোৱাল কছাৰী। চীন তিৰ্ব্বতীয় ভাষা পৰিয়ালৰ মান তিব্বতীয় শাখাৰ অসম-বৰ্মী এক জনগোষ্ঠী। সোণোৱাল কছাৰীসকল বড়ো. কাছাৰী ঠালৰ অন্তৰ্গত আৰু অসমৰ ধেমাজি, লখিমপুৰ, তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলাত বিস্তাৰিতভাৱে বসবাস কৰে। শিৱসাগৰ, যোৰহাট, গোলাঘাট, মাজুলী, শোণিতপুৰ আৰু পূৰ্বভাৰতৰ নগাভূমি আৰু অৰুণাচল প্ৰদেশৰ কিছুমান ঠাইতো বিক্ষিপ্তভাবে বসবাস কৰা দেখিবলৈ পোৱা যায়।

আহোম ৰজাসকলে সোৱণশিৰি নদীৰ বালিৰ পৰা সোণ বুটলা কাম কৰা নিয়োগ কৰা কছাৰীসকলক সোণোৱাল খেলত সংগঠিত কৰা হৈছিল। এই কাছাৰীসকলক সোণোৱাল কাছাৰী নামেৰে জনাজাত হ'ল। সোণোৱালসকলৰ মাজত মুখ বাগৰি অহা এক লোক কথাৰ মতে উজনি অসমত থকা কেইঘৰমান সোণোৱাল কছাৰীয়ে আইনি আটীৰ গোঁসাই কেশৱ দেৱ গোস্বামীক অলৌকিক গুণসম্পন্ন লোক জ্ঞান কৰি বাঁহৰ এচুঙা সোণ দক্ষিণা দি তেওঁৰ ওচৰত শৰণ লোৱাৰ বাবে এইসকল কছাৰীক সোণোৱাল কছাৰী বুলি কিছুমানে কব বিচাৰে।

সোণোৱাল কছাৰীসকলৰ সাজপাৰ বিষয়ে কবলৈ গলে। গাওঁত সাধাৰণতে সোণোৱাল কছাৰীসকলে নানা বৰণীয়া আটক ধুনীয়া সাজপাৰ পৰিধান কৰে। মহিলাসকলৰ সাজপাৰৰ ভিতৰত মুগাচাদৰ, মুগাৰ মেখেলা পৰিধান কৰিব লাগে। সম্ভ্ৰান্ত পুৰুষসকলে সাধাৰণতে ধুতী আৰু কামিজ মূৰত পাগুৰি আৰু কান্ধত চেলেং চাদৰ লয়। সাধাৰণ চহালোকে আঁঠুৰ মুৰলৈকে চুৰীয়া পিন্ধি গাত হাচতি লয়। শোনোৱাল কছাৰীসকলৰ বয়ন শিল্প এক পৰম্পৰাগত ৰীতি-নীতি। ঘৰতে সাজি লোৱা তাঁতৰ শালত সোণোৱাল কছাৰীসকলৰ তিৰোতাসকল কাপোৰ বোৱাত বৰ পাকৈত। ছোৱালী বিয়া দিওঁতে ছোৱালীক তাতৰ শাল এযোৰ যৌতুকত দিয়াতো বাধ্যতামূলক আছিল। সোণোৱাল কছাৰী শিপিনীসকলে ঘৰতে বৈ এৰী চাদৰ, বৰ কাপোৰ আদি গৰম কাপোৰ আৰু ৰঙচঙীয়া ফুল বছা মুগা আৰু পাটৰ চাদৰ, মেথনী, মেখেলা, ৰীহা কপাহী মেখেলা, কপাহী চাদৰ, চুৰীয়া, ধুতি, হাচতি, গামোছা, তিয়নী, একাঠিয়া চেলেং কাপোৰ আদি সোণোৱাল কছাৰী শিপিনীসকলৰ শিল্পী সুলভ প্ৰতীক। সোনোৱাল কছাৰী মহিলাসকলে মুৰ ঢাকিবলৈ সদায় কৈয়া ব্যৱহাৰ কৰে। গামখাৰু কেৰু, জাংফাই, থুৰিয়া, জোনবিৰি, কংকন, ডুগডুগী, লাটুমনি, মাদুলী আদি পৰম্পৰাগত আ-অলংকাৰ সোণোৱাল কছাৰী মহিলাসকলে ব্যৱহাৰ কৰাত ৰুছী দেখুৱাই।

সোনোৱাল কছাৰীসকলৰ খাদ্যাভ্যাসৰ সিদ্ধ ভাত, তৰকাৰী, মাছ- মাংস আদিয়ে প্ৰধান। সোণোৱাল কছাৰীসকল সাধাৰণতে আমিষভূজি, মাছ সোণোৱাল কছাৰীসকলৰ প্ৰিয় খাদ্য। তেওঁলোকে দাঁতি কাষৰীয়া নৈ-বিলৰ পৰা মাছ ধৰি আনি বিধে বিধে তৃপ্তিকৰ আঞ্জা তৈয়াৰ কৰি খায়। সোণোৱাল কছাৰীসকলৰ কেইবিধমান স্বকীয় পানীয় হল- মদ, ৰহী মদ আৰু গুৰৰ লালিৰ পৰা তৈয়াৰ কৰা চেৰাক। সোণোৱাল কছাৰীসকলে পুৰুষ-নাৰী, লৰা-

বুড়া সকলোৰে মিলি একেলগে পানীয় গ্রহণ কৰাত কোনো বাধা নাই।

সোণোৱাল কছাৰীসকলে ধৰ্মীয় অনুষ্ঠানসমূহ পালন কৰে তাৰে ভিতৰত 'বজোয় ডাঙৰীয়াৰ সকাম' সোণোৱাল কছাৰীসকলৰ খ্ৰীং ৰাজা ধ্ৰৱণী, গজাই গুৰু ঢাকনী হয়াৰ অৰ্থ হল সৃষ্টিকৰ্তা খ্ৰীং ৰাজা আৰু পালন্তা গজাই গুৰু গজাই ডাঙৰীয়াৰ নিৰ্দেশ অনুসৰিয়েই সোণোৱালাসকলৰ সকলো পূজা-পাৰ্বন, নীতি-নিয়ম, জীৱন ধাৰণ প্ৰণালী আদি প্ৰচলন হল। সোণোৱাল কছাৰীসকলৰ আন এটা ধৰ্মীয় অনুষ্ঠান হল বহুৱা নাচ। এই নাচ প্ৰদৰ্শন কৰোঁতে শিল্পীসকলে মুখা আৰু দেহটো কলপাতেৰে মেৰিয়াই লয়। এই নাচৰ প্ৰস্তুতিপৰ্বত শিল্পীসকলৰ সাজ-সজ্জা কৰা হয় এখন আওহতীয়া হাবিত। তাত কেৱল বয়সস্থ লোকৰহে প্ৰবেশ অনুমতি থাকে। বহুৱা নাচত অভিনয় কৰা শিল্পীসকলৰ পৰিচয়ো অতি গোপনে ৰখা হয়। একোজন বহুৱাক সাজ-সজ্জাৰে তৈয়াৰ কৰিবলৈ প্ৰায় ৩-৪ ঘণ্টা সময় লাগে। হাবিবপৰা ওলোৱা বহুৱাই মুকলি মঞ্চত প্ৰৱেশ কৰাৰ সময়ত শিল্পীসকলৰ আগত এখন ৰঙা আঁৰ কাপোৰ টানি দিয়া হয়। এই ৰঙা কাপোৰখনক সোণোৱাল কছাৰীসকলে ধ্বংস আৰু সৃষ্টিৰ ঐশ্বৰিক লীলাক প্ৰতীক বুলি জ্ঞান কৰে।

বৰ্তমান সোণোৱাল কছাৰীসকলৰ স্বীকৃতি প্ৰাপ্ত নিজা ভাষা নাথাকিলেও তেওঁলোকৰ মাজত কথিত উপভাষা প্ৰচলিত দেখা যায়। সোনোৱাল কছাৰীসকলে প্ৰধানকৈ মান্য অসমীয়া ভাষা ব্যবহাৰ কৰিলেও তেওঁলোকে ব্যৱহাৰ কৰা উপভাষা ভালেমান শব্দ অসমীয়া অভিধানত এতিয়ালৈকে অন্তভুক্তি হোৱা নাই। মানুহে মুখে মুখে কথা কোৱাৰ যি নতুন নতুন উপায় আৱিষ্কাৰ কৰিছে তাৰ ফলতসকলো ভাষাতেই পৰিৱৰ্তন অহা দেখা গৈছে। সোণোৱাল কছাৰীসকলৰো কোনো এক সময়ত তেওঁলোকৰ এক নিজস্ব স্বতন্ত্ৰ ভাষা আছিল তাত কোনো সন্দেহৰ অৱকাশ নাই। ভৌগোলিক, সামাজিক, সাংস্কৃতিক আদিৰ পৰিবৰ্তনৰ ফলত তেওঁলোকৰ ভাষাটোও পৃথিৱীৰ পৰা নিঃচিহ্ন হবলৈ উপক্ৰম হৈছে। সোনোৱালসকলৰ ভাষাটোৱেও পৰিবৰ্তনৰ-ধামখুমীয়াত পৰি অস্তিত্ব ৰক্ষাত বিফল হৈ পৰিছে। তথাপিও কিছুমান ভিতৰুৱা গাঁৱত থকা সোণোৱাল সমাজত অদ্যাৱধি তেওঁলোকৰ নিজস্ব ভাষাৰ কেতবোৰ শব্দ প্ৰচলিত হৈ আহিছে। যিবোৰ শব্দ অদ্যপৰিমিত মান্য অসমীয়া ভাষাত এতিয়াও অন্তভুক্তি হোৱাই নাই।

## সাঁথৰ

শ্ৰীমতী চয়নিকা চেতিয়া
প্ৰথম যান্মাসিক।

(১) এটা নিগণি এশ ধান কুটে, নেগুৰত ধৰিলে জাপমাৰি উঠে।
উত্তৰ ঃ- ঢেঁকী।
(২) ওপজিয়েই বুঢ়া হয় কোন, নিকিনিলেও কিনা হয় কোন।
উত্তৰ ঃ- বুঢ়া আঙুলি।
(৩) ইহে সিহে পিঠিৰে দৌৰে কিহে।
উত্তৰ ঃ- নাঁও।
(৪) ৰঙাকৈ বামুণটি খোজ কাঢ়ে খৰ, পিছফালে দেখি আহিছোঁ, বাঁহৰ তলত ঘৰ।
উত্তৰ ঃ- আমৰলি পৰুৱা।



# থলুৱা খেল ধেমালি আৰু শিশু উৎকৰ্ষ সাধন

ৰাজীৱ কুৰ্মি (তৃতীয় যান্মাসিক)

আমাৰ অসমত বিভিন্ন জাতি জনগোষ্ঠীৰে বসবাস কৰা মানুহ আছে। এই সমগ্ৰ পৃথিৱীত বিভিন্ন জাতিৰ মানুহৰ মাজতে নানা ধৰণৰ খেল ধেমালি থকা দেখা যায়। সকলো জাতি জনগোষ্ঠীৰে নিজৰ নিজৰ থলুৱা খেল ধেমালি থাকে। শিশুসকলৰ মাজতো বহুতো খেল ধেমালি দেখা যায়। যেনে আঙঠি খেল, ইৰিকতি মিৰিকটি; উকুলি-মুকুলি, কনি যুঁজ, তাংগুটি, কলহ ভঙা খেল, ঘিলা, অলং দলং খেল, ৰজা-ৰাণী খেল, কুকুৰা যুঁজ, চেংগুটি, খলিগুটি, খৰীয়াল পানী খেল, চুৰ পুলিচ খেল, ভাকুট কুট কুট, কপাৰ্টি, ইত্যাদি আৰু বহুতো।

শিশুৰ এই খেল ধেমালিৰ গীতবোৰ সমৃদ্ধ আৰু সুকীয়া সুকীয়া। সৰ্বমুঠ ক'বলৈ গ'লে ১৮০টা মান বিভিন্ন খেল সন্নিবিষ্ট বুলি উল্লেখিত অসমীয়া সংস্কৃতিৰ এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হৈছে পৰম্পৰাগত খৈল ধেমালি সমূহ। ল'ৰা-ছোৱালী সকলে বিশেষকৈ ধূলিবালিৰ লগত সম্বন্ধ থকা খেল ধেমালি বেছি ভাল পোৱা দেখা যায়। শিশু সকলে মাটিৰে সৰু সৰু পুতলা বনাই, কেতিয়াবা আকৌ - কাপোৰেৰে পুতলা সাজি কইনা দৰা খেল খেলা দেখা যায়। খেল হৈছে ব্যক্তি বা শিশু সকলৰ বাবে এক স্বতঃস্ফূৰ্ত ক্ৰিয়া। এই শিশু সকলৰ আচৰণৰ স্বতঃস্ফূৰ্ত উদ্যম খেলাৰ পৰা প্ৰেৰণা পোৱা দেখা যায়; খেলাৰ অভিজ্ঞতা স্বাভাৱিকতেই সুখদায়ক আৰু আনন্দময়। খেলৰ যোগেদি শিশুসকলে স্বাভাৱিক প্ৰবৃত্তি বা প্ৰৱণতা বিকাশৰ উন্নতি সাধন কৰে। খেলৰ দ্বাৰা শিশুৰ শিক্ষাৰ ক্ষেত্ৰত আত্ম প্ৰকাশ ভাষা আৰু বিকাশৰ সুস্থ সবল পথে আগুৱাই যোৱাত সহায় কৰে। খেল সাধাৰণতে দুটা ভাগত ভাগ কৰা হৈছে- আন্ত ক্ৰীড়া আৰু দ্বিতীয়টো হৈছে বহিঃ ক্ৰীড়া। আন্ত ক্ৰীড়া গৃহৰ ভিতৰৰ খেল আৰু বহিঃ ক্ৰীড়া খেল পথাৰত অনুষ্ঠিত কৰা ক্ৰীড়া।

অসমৰ সৈতে জড়িত এই খেলবোৰ সময়ৰ সোঁতত অসমীয়া সমাজৰ পৰা হেৰাই গৈছে। নৱ প্ৰজন্মই খেল খেলাটো বহুত দূৰৰে কথা, বৰ্তমানত চিনি পোৱাটোও কঠিন হ'ল। আজিকালি গাঁৱৰ অঞ্চলতো খেল কমি আহিছে সকলোৰে ঘৰে ঘৰে টিভি, কম্পিউটাৰ আৰু অনলাইন পঢ়াৰ বাবে হাতত মোবাইল দেখিবপোৱা গৈছে।

খেলে শিশুসকলৰ অংগ-প্ৰত্যংগ সঞ্চালন বিকাশত সহায় কৰে আৰু লগতে শক্তিশালী কৰি তোলে। কিছু খেল এনে আছে যি শিশুৰ মাংসপেশী নিয়ন্ত্ৰণ কৰে, অংগসমূহৰ পৰিপক্ক দৈহিক বিকাশ আৰু অংগ সঞ্চালনাৰ দক্ষতা অৰ্জন কৰিব পাৰি। আৰু শিশুৰ এই দক্ষতাবোৰৰ অভ্যসনৰ সুযোগ পায়। খেলৰ দ্বাৰা যেনেকৈ সিৰাৰ সুষম বিকাশ ঘটে। ঠিক তেনেদৰে সামগ্ৰিক পেশীৰ সমন্বয়ো ঘটে। খেলে কোনো এটা বিষয়ৰ ওপৰত জ্ঞান আহৰণ কৰাৰ ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা পালন কৰে। শিশুসকলে পাঁচ ইন্দ্ৰিয়ৰ সক্ৰিয় কৰি ৰাখে আৰু এই ভূমিকাই তেওঁলোকৰ উৎসাহৰ স্থল। খেল-ধেমালিৰ পৰা শিশুসকলে মানসিক উদ্দীপনা শিক্ষা জগাই তুলিব পাৰে আৰু খেলৰ দ্বাৰা শিক্ষাদানৰ কৌশল, সামাজিক জীৱনৰ লাগতিয়াল গুণ আৰু সু অভ্যাস গঢ়ি তুলিবলৈ সক্ষম হয়।

অসমৰ থলুৱা পৰম্পৰাগত খেল ধেমালি সমূহ আমি ভালদৰে সংৰক্ষণ কৰি ৰাখিব লাগে। ভাৰতবৰ্ষত বা বাহিৰৰ ৰাজ্যত শক্তি আৰু জ্ঞানৰ সমান মান দিয়া হৈছে খেলক।আহোম ৰাজত্ব কালছোৱাত খেলৰ অধিক প্ৰধানত আছিল। খেল ধেমালিৰে মানুহৰ মনত উৎসাহ উদ্দীপনা যোগাই। স্বৰ্গদেউ ৰুদ্ৰসিংহই ৰংপুৰত ৰংঘৰ সজাই বিভিন্ন বিষয়া সৃষ্টি কৰিছিল। মহযুঁজ, মালযুঁজ, ঘোৰা দৌৰ আদি বিভিন্ন খেলৰ প্ৰচলন বাবে। সেইসকলক শেনছোৱা, হাতীবৰুৱা উপাধি দিয়া হৈছিল।

আমি সকলোৱে এই খেল ধেমালি সমূহ জীয়াই ৰাখিবলৈ চেষ্টা কৰিব লাগে। এই ঐতিহ্য বহনকাৰী খেলবোৰৰ উপকাৰিতা আৰু প্ৰয়োজনীয়তাৰ বিষয়ে নতুন প্ৰজন্মক জনাবলৈ চেষ্টা কৰাতো উচিত নহ'লে লাহে লাহে বিলুপ্তি ঘটিব আমাৰ কৃষ্টি আৰু সংস্কৃতিৰ। আমি এই কথাযাৰ লক্ষ্য ৰাখিয়েই জাতি জনগোষ্ঠীৰ পৰম্পৰাগত নিজস্ব খেল ধেমালি সমূহ জীয়াই ৰাখিবৰ বাবে পাঠক সমাজলৈ আগবঢ়াই বিশ্ববাসীৰ মাজলৈ নিয়াটো অতি প্ৰয়োজনীয়।

# সাম্প্ৰতিক সময়ত ছাত্ৰ-ছাত্ৰীৰ ওপৰত সামাজিক মাধ্যমৰ প্ৰভাৱ

**অপ্সৰা নেৱাৰ**
**প্ৰথম ষান্মাসিক**

বিজ্ঞানৰ ন ন আৱিষ্কাৰৰ ভিতৰত ইণ্টাৰনেট হৈছে এক উল্লেখযোগ্য। বৰ্তমানৰ যুগ হৈছে ইণ্টাৰনেটৰ যুগ। আজিৰ দিনত ইণ্টাৰনেটৰ অবিহনে কোনো কাৰ্য সম্ভৱ নহয়। ইণ্টাৰনেট মানুহৰ প্ৰতিটো কামৰ লগত ওতঃপ্ৰোভাৱে জড়িত হৈ আছে। ঠিকসেইদৰে সামাজিক মাধ্যমৰ জগতত আমি এনেদৰে সোমাই পৰিছো য'ৰ পৰা সহজে ওলাই অহাটো কঠিন। বৰ্তমানৰ সকলোবোৰ কাৰ্য সামাজিক মাধ্যমৰ দ্বাৰা সম্পন্ন হয়। যেনে টি. ভি ,কম্পিউটাৰ বা ম'বাইল ফোনৰ দ্বাৰা বিজুলিৰ বিল দিয়া, কথা বতৰা পতা, দেশ বিদেশৰ খবৰৰ সম্পৰ্কে জ্ঞাত হোৱা ইত্যাদি। যি বিলাক কাৰ্যবোৰ আগতে কৰিবলৈ বহুদিৰ প্ৰয়োজন বা যথেষ্ট পৰিশ্ৰমৰ প্ৰয়োজন হৈছিল সেইবিলাক আজি কালি অতি কম সময়তে সম্পন্ন কৰিব পাৰি।

সাম্প্ৰতিক সময়ত সামাজিক মাধ্যমে মানৱ সমাজত বিভিন্ন বৰঙণি আগবঢ়াইছে যদিও ছাত্ৰ-ছাত্ৰী আৰু সমাজৰ ওপৰত গুৰুতৰ প্ৰভাৱ পেলাইছে। ছাত্ৰ-ছাত্ৰীসকলে ঘণ্টা ঘণ্টা ধৰি সময় টি.ভি, লেপটপ, ম'বাইল ফোন কম্পিউটাৰ ইত্যাদি ধৰণৰ মাধ্যমসমূহত ব্যস্ত হোৱা দেখা যায়। ইয়াৰ ভিতৰত ম'বাইল ফোনৰ ব্যৱহাৰ অত্যাধিক হৈছে। বিশেষকৈ ইষ্টাগ্ৰাম, ফেচবুক, ৱাটচএপ, টুইটাৰ, ভিডিঅ গেম আদি মাধ্যমৰ প্ৰতি বেছিকৈ আকৰ্ষিত হোৱা দেখা যায়। বৰ্তমান সময়ত ইষ্টাগ্ৰাম ৰিলচ বনাই বহুতো ছোৱালী সকলে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে, কিন্তু ইয়াৰে ভিতৰত বহুতো ছোৱালীয়ে বেয়া দিশ বাচি লৈ কম বয়সতে বিয়া হোৱা দেখিবলৈ পোৱা যায়। ঠিক সেইদৰে ভিডিঅ গেম খেলি একাংশ ল'ৰা-ছোৱালীয়ে নিজৰ জীৱনত বিপদ কঢ়িয়াই আনিছে। বৰ্তমান সময়ত এনেধৰণৰ গেম খেলি মানুহৰ মৃত্যু হোৱাৰ কথাও শুনিবলৈ পোৱা গৈছে। সামাজিক মাধ্যমৰ এনেধৰণৰ প্ৰভাৱ মানুহক অধিক আলহ্য আৰু অকৰ্মী কৰি পেলাইছে। আগতে কিতাপ পত্ৰ, খেলা ধূলা, নৃত্য নাটকত মানুহ যিমান আগ্ৰহী আছিল কিন্তু বৰ্তমান সময়ত মানুহৰ মাজত সেই আগ্ৰহ দেখিবলৈ পোৱা নাযায়। ছাত্ৰ-ছাত্ৰী সকলৰ মাজতো পঢ়া বা অনান্য ক্ৰিয়াকলাপৰ প্ৰতি সম্পৰ্ক নাইকিয়া হোৱা দেখিবলৈ পোৱা যায়। কন কন শিশুসকলে বিভিন্ন ৰোগৰ সন্মুখীন হ'ব লগা হৈছে। কম বয়সতে চকুৰ ৰশ্মীৰ ক্ষমতা হেৰুৱাইছে, ছাত্ৰ-ছাত্ৰী সকলৰ নৈতিক চৰিত্ৰ বিকাশত অভাৱ হোৱা দেখা গৈছে, পিতৃ-মাতৃয়ে সন্তানক আৰু সন্তানে পিতৃ-মাতৃক সময় দিব নোৱাৰা হৈছে। সামাজিক মাধ্যমত সহজতে উপলভ্য হোৱা ভিডিঅ, অশ্লিল ফটো আদি চোৱাৰ ফলত ছাত্ৰ-ছাত্ৰী সকল বেয়া দিশলৈ যোৱা দেখা যায়। এই সকলোবোৰৰ কাৰণ হৈছে সামাজিক মাধ্যমৰ অত্যাধিক ব্যৱহাৰ। সামাজিক মাধ্যম সমূহ মানুহৰ জীৱনৰ এক অবিচ্ছেদ্য অংগ। বৰ্তমান সময়ত সামাজিক মাধ্যম সমূহে মানৱ সমাজত যথেষ্ট জনপ্ৰিয়তা লাভ কৰিছে, সেয়ে এই মাধ্যম সমূহৰ পৰা আমি একেবাৰে এৰাই চলিব নোৱাৰো, কেৱল মাত্ৰ ইয়াৰ ব্যৱহাৰ হ্ৰাস কৰিব পাৰি। সামাজিক মাধ্যমৰ ব্যৱহাৰ হ্ৰাস কৰিবলৈ হ'লে আমি সকলোৱে নিৰ্দিষ্ট সময়ত আৰু গুৰুত্বপূৰ্ণ কামৰ বাবেহে ইয়াৰ ব্যৱহাৰ কৰাটো প্ৰয়োজন। ম'বাইল ফোনত ব্যস্ত থকাতকৈ বাতৰি কাকত , আলোচনী, খেলা-ধূলাৰ আমেজ ল'ব লাগে। অবাবত সময় পাৰ নকৰি সমাজ সেৱা কাৰ্য, শৰীৰৰ উন্নতি হোৱা কাৰ্য সমূহত গুৰুত্ব দিয়া উচিত। ছাত্ৰ-ছাত্ৰী সকলক পিতৃ-মাতৃয়ে সামাজিক মাধ্যমৰ পৰা দূৰত ৰাখিবলৈ বিশেষ ভূমিকা গ্ৰহণ কৰা উচিত। যাতে তেওঁলোকে নিজৰ পঢ়াৰ প্ৰতি অধিক গুৰুত্ব দিয়ে। তেওঁলোকক নতুন নতুন ঠাই ভ্ৰমণৰ বাবে লৈ যোৱা, খেলা ধুলা, শাৰীৰিক ব্যাম ইত্যাদি ধৰণৰ ক্ৰিয়াকলাপৰ মাজত লাগু কৰি ৰাখিব লাগে। তেতিয়াহে মানুহৰ ওপৰৰ পৰা সামাজিক মাধ্যমৰ প্ৰভাৱ হ্ৰাস পাব আৰু মানুহৰ লগতে সমাজ উন্নতিৰ দিশে আগবাঢ়ি যাবলৈ সক্ষম হ'ব।

গতিশীল সমাজৰ লগত খোজ মিলাই আগুৱাই নিয়াটোৱেই মানুহৰ কৰ্ম আৰু ধৰ্ম । প্ৰতিটো বস্তুৰ ইতিবাচক আৰু নেতিবাচক দিশ থাকে। একেদৰে সামাজিক মাধ্যমসমূহৰ বহুতো ভাল আৰু বেয়া দিশ আছে। জীৱশ্ৰেষ্ঠ মানুহে নিজৰ বিবেচনা শক্তি প্ৰয়োগ কৰি ইয়াৰ ইতিবাচক দিশ গ্ৰহণ কৰি নেতিবাচক দিশবোৰ এৰাই চলা উচিত। তেতিয়াহে মানৱ জাতিৰ উন্নতিৰ আশা কৰিব পাৰি।

## সাঁথৰ

শ্ৰীমতী চয়নিকা চেতিয়া
প্ৰথম ষান্মাসিক।

(৫) জন্ম অৱতাৰে মূৰত টুপী, কৃষ্ণ অৱতাৰে ভুলাই গোপী, ৰাম অৱতাৰে ৰাৱণ বধে, সেই তৰকাৰি ঘৰে ঘৰে।
উত্তৰ ঃ- বাঁহগছ।
(৬) ওপৰত ছাটি তলত গুটি, তাক খাই আহিন কাতি।
উত্তৰ ঃ- কচু।
(৭) ওপৰেদি উৰি যায়, নহয় শৰালি, থাপ মাৰি মাছ খায়, নহয় বৰালি।
উত্তৰ ঃ- জাল।

# ৰাজপুত শিল্পকলাঃ

**শ্ৰীমতী পৰী বৰগোঁহাই**
**প্ৰথম ষাণ্মাসিক**
**বুৰঞ্জী বিভাগ।**

ৰাজপুতসকলৰ উৎপত্তি সম্পৰ্কি বিভিন্ন মত পোষন কৰে। ড০ স্মিথৰ মতে সপ্তম শতাব্দীৰ পৰা দ্বাদশ শতাব্দীৰ শেষলৈকে বিস্তৃত কালছোৱাত ৰাজপুত যুগ বুলি কোৱা হয়। ৰাজপুতসকল সূৰ্য বা চন্দ্ৰবংশীয় বীৰসকলৰ বংশধৰ। এওলোকে ৰামায়ণ আৰু মহাভাৰতৰ বীৰসকলৰ ব ংশধৰ। প্ৰচলিত অৰ্থত ৰাজপুত শব্দৰ অৰ্থ ৰাজপুত্ৰ। বানভট্টৰ মতে উচ্চবংশজাত ক্ষত্ৰিয়ক ৰাজপুত বোলা হয়। আন এচাম পণ্ডিতৰ মতে ৰাজপুতসকল আৰ্যজাতিৰ লোক। ৰাজপুত সকলে সতীদাহ প্ৰথা, জহৰব্ৰত প্ৰথা মানে আৰু তেওঁলোকে সূৰ্যপূজা কৰে। তেওঁলোকে অশ্বমেধ যজ্ঞ পাতিছিল। আধুনিক বুৰঞ্জীবিদসকলৰ মতে ৰাজপুতসকল বাহিৰৰ পৰা অহা জাতি । তেওঁলোকৰ মতে ৰাজপুতসকল শক, হুণ আৰু গুৰ্জৰসকলৰ বংশধৰ। শিলালিপিসমূহৰ পৰাও জনা যায় যে ৰাজপুতসকল বহিৰাগত । যিসকল ৰাজপুত ফৈদে সূৰ্য পূজা কৰে সেইবোৰ ফৈদক বিদেশীৰ বংশধৰ বুলি বিবেচনা কৰা হয়।

মোগল সকলৰ আগমনৰ বহু বছৰ আগতে ৰাজপুতসকলে দুৰ্দান্ত প্ৰতাপেৰে ভাৰতত বিৰাজ কৰিছিল। ৰাজপুত শিল্পকলা বুলিলে উত্তৰৰ পাঞ্জাব হিমালয়, পূৰ্বৰ বুন্দেলখণ্ড, দক্ষিণাত্যৰ কিছু অংশ আৰু দক্ষিণ পশ্চিমে গুজৰাতৰ কিছু অঞ্চলৰ শিল্পকলাক বুজা যায়। এই অঞ্চলৰ শিল্পীসকলে দলবদ্ধভাৱে শাসকসকলৰ পৃষ্ঠপোষকতাত শিল্পৰ কাম কৰিছিল। এই সময়ত ভাৰতত ৰাজপুত সকলে তিনিটি শিল্পৰীতি ব্যৱস্থাত হৈছিল। যাক কলম বোলা হয়। এই তিনিটি কলম হ'ল ৰাজস্থানী কলম, পূৰ্বী কলম আৰু দক্ষিণী কলম। ৰাজপুত চিত্ৰকলাক আকৌ দুভাগত ভাগ কৰা হয়— ৰাজস্থানী আৰু পাহাৰী কলম। ৰাজপুতনা আৰু বুন্দেলখণ্ডৰ বিস্তীৰ্ব অঞ্চলত যোড়ৰ শতীব্দীৰ পৰা ঊনবিংশ শতাব্দিৰ মধ্যভাগ পৰ্যন্ত যি ৰাজ স্থানী চিত্ৰ অকাঁ হৈছিল তাকেই ৰাজস্থানী চিত্ৰ বোলে। এই চিত্ৰবোৰ খুব সৰু হোৱাৰ বাবে ইয়াক অনুচিত্ৰ বা মিনিয়েচাৰ চিত্ৰ বোলা হয়। ভাৰতীয় চিত্ৰকলাত সঙ্গীতৰ প্ৰতিফন দেখা যায়। 'ৰাগমালা' চিত্ৰ মাধ্যমত। ৰাজপুত চিত্ৰকলাত চিত্ৰৰ চমৎকাৰ ঘটিছিল 'ৰাগমালা' চিত্ৰৰ মাধ্যমত। ৰাজপুত চিত্ৰকলাত সঙ্গীতৰ মূলভাৱক, কবিতাৰ মেজাজক বা মনোভাৱ। প্ৰকাশৰ বাবে নায়ক আৰু নায়িকা ,ই ভাৱ লৈ চিত্ৰ অঙ্কন কৰিছিল। ৰাজস্থানী চিত্ৰত 'ৰাগমালা' আৰু 'ৰাসলীলা' পৰ্যায়ৰ চিত্ৰবোৰ বিশেষ উল্লেখযোগ্য। ৰাগমালাত ভাৰতীয় সঙ্গীতৰ ছয় ৰাগ আৰু ছয়ত্ৰিশ ৰাগিনীৰ চিত্ৰৰূপ বিধৃত। ৰাসলীলাৰ বৃহৎ আকাৰ দেৱালৰ চিত্ৰ উদয়পুৰ, বিকিনিৰ ৰাজপ্ৰসাদত দেখা যায়। এই চিত্ৰবোৰক জয়পুৰী চিত্ৰও বোলা হয়। টেম্পৰা পদ্ধতিত অকাঁ ৰাজস্থানী চিত্ৰবোৰ আছিল মূলত দেৱাল চিত্ৰধৰ্মী। ৰাজস্থানী শিল্পীসকলে উজ্জল ৰং আৰু সূক্ষ্ম তুলিকা ব্যৱহাৰ কৰিছিল।

ৰাজপুত চিত্ৰশিল্পীসকলে সুৰ, মুৰ্চ্ছনা, সুৰৰভাৱনা, অনুভূতি, ছন্দকথাৰ বা কবিতাৰ আঙ্গিক আৰু গোৱাৰ সময় আৰু কালক লৈ পুৰুষ নাৰীৰ আবেগ প্লুত ৰূপৰ মাধ্যমত এখন এখন চিত্ৰ অঙ্কন কৰিছিল। এই ৰাজপুতনা চিত্ৰকলাৰ পৰা আৰম্ভ কৰি আধুনিক চিত্ৰকলাৰ পুৰ্বে 'ৰাগমালা' অঙ্কনৰ চিত্ৰবোৰ বিশ্লেষণ কৰিলে দেখা যায় নায়ক 'বীৰ' আৰু নায়িকা 'বীৰঙ্গনা' হিচাপে উপস্থাপনৰ কৰা হৈছে, গছপুলি, পহু-পক্ষী আদিৰ সহযোগত চিত্ৰ অংকন কৰিছিল। ৰাগিনী প্ৰতিকৃতি অঙ্কনৰ সময়ত শিল্পীসকলে প্ৰকাশ কৰিছিল এগৰাকী ভাৱপ্লুত নাৰী তেওঁৰ মনোহৰ সুৰ মূৰ্ছনাক লৈ হৰিণৰ হৃদয় আৰু ময়ুৰৰ হৃদয় জয় কৰিছে। পৰৱৰ্তী সময়ত মোগল সাম্ৰাজ্যত যিদৰে পাৰ্চিয়ান শিল্পৰ প্ৰভাৱ দেখা যায় তেনেদৰে পৰৱৰ্তী সময়ত ৰাজপুত চিত্ৰকলাতো মোগল আৰু পাচিয়ানি প্ৰভাৱ দেখা যায়। ৰাগমালা চিত্ৰত পূৰ্বৰ দৰে ৰেখাৰ সুক্ষ্মতা, কোমলতা আৰু সুক্ষ্মৰূপ পৰৱৰ্তী সময়ত দেখা পোৱা নাযায়, ইয়াৰ পৰিৱৰ্তে বল, বীৰ, তেজবীজ আৰু বলিষ্ঠতা পোহৰ-ছাঁৰ প্ৰকাশ ঘটিছে। পূৰ্বতে কৃষ্ণৰ চিত্ৰখন কেৱল ৰেখাৰ দ্বাৰা অঙ্গিত কৰিছিল পাছত মোগলৰ সময়ত কৃষ্ণৰ ছবিত পাৰ্চিয়ান প্ৰভাৱ পৰি পোহৰ ছাঁৰ প্ৰয়োগ ঘটিছে।

ৰাজপুত চিত্ৰত ভাৰতীয় শিল্পৰ যড়ঙ্গ—ৰূদ্ৰ, বীৰ, বীভৎস, হাস্য, কৰুণ, শৃঙ্গাৰ শান্ত প্ৰভূতি ৰসৰ প্ৰভাৱ দেখা যায়। সপ্তদশ শতাব্দীৰ শেষভাগৰ পৰা ঊনবিংশ শতাব্দীৰ প্ৰথম ভাগ পৰ্যন্ত কাংড়া, গাড়োৱাল, চাম্বা, মাণ্ডি, ডোগৰা আৰু শেষশৈলীৰ যি আত্ম বিকাশ ঘটিছিল তাক পাহাৰী চিত্ৰকলা বোলা হয়।

কাংড়া চিত্ৰকলাৰ বিষয় হ'ল কৃষ্ণলীলা , শাক্ত বিষয়, নল দময়ন্তীৰ উপাখ্যান, ৰামায়ন-মহাভাৰতৰ কাহিনী, দৈনন্দীন জীৱন যাত্ৰাৰ দৃশ্য, ৰাজপুত দৰবাৰৰ চিত্ৰ, দৈহিক কৌশল, নিষিদ্ধ প্ৰণয় ইত্যাদি। মধ্যযুগৰ ভাৰতীয় কাব্য আৰু কিংবদন্তীয়ে এই চিত্ৰকলাক অনুপ্ৰাণিত কৰিছিল। যি কোনো কাংডা চিত্ৰত নাৰী মূৰ্ত্তিত অপূৰ্ব কমনীয়তা আৰু কোমলতা প্ৰকাশ হৈছিল। এই চিত্ৰবোৰত পুৰুষৰ চিত্ৰ অঙ্কন কৰোতে নাৰী সুলভ কমনীয়তা প্ৰকাশ কৰিছিল। কাংড়াৰ শেষ প্ৰতিপত্তিশালী শাসনকৰ্তা ৰজা সংসাৰচাঁদৰ আমোলত এই চিত্ৰশৈলীৰ চৰম উন্নতি হয়।

পাহাৰী চিত্ৰকলাত সাদৃশ্যাত্মক বা Realistic আৰু মোগল যুগত পাৰশ্য ৰীতিৰ প্ৰভাৱ দেখা যায়। পোহৰ ছাঁৰ ব্যৱহাৰ, ৰঙৰ নানা টোন, চিত্ৰপটত উজ্জল বৰ্ণৰ অকম্পিত তুলিকাৰ সুক্ষ্ম প্ৰয়োগ পাহাৰী চিত্ৰকলাক অতি উচ্চ মৰ্যদাৰে ঘোষিত কৰিছে। মুঠ কথাত ৰাজপুত চিত্ৰই ভাৰতীয় চিত্ৰকলাৰ ইতিহাস এক উচ্চ স্থান দখল কৰি আছে।

## মহৎলোকৰ বাণী

শ্ৰীমতী আশাপূৰ্ণ বছা
অসমীয়া বিভাগ, প্ৰথম ষাণ্মাসিক

(১) চুৰ কৰা মহাপাপ
— বুদ্ধদেৱ।

(২) সময় অমূল্য ধন
— বেঞ্জামিন ফ্ৰেঙ্কলিন।

(৩) শিক্ষাই মানুহৰ শ্ৰেষ্ঠ সম্পদ
— চক্ৰেটিজ।

(৪) চৰিত্ৰ মানুহৰ আচল সম্পত্তি
— মাইলচ।

# আহোম জনগোষ্ঠীসকল

**পল্লৱী মেছ**
**স্নাতক মহলাৰ**
**প্ৰথম যান্মাসিক**

টাই আহোম বা চামসকল হৈছে অসম আৰু অৰুণাচলত বসবাস কৰা এটা বৃহত্তৰ টাই জাতিৰ অন্তৰ্গত উত্তৰ-পূবৰ আটাইতকৈ ডাঙৰ টাই জনগোষ্ঠী। ঐতিহাসিকভাৱে চীনদেশৰ দেহ'ঙৰ দাইকোঁৱৰ চাওলুং চ্যু-কা-ফাৰ লগত ১২২৮ চনত অহা ৯০০০ টাই লোকৰ ঠালটোৱেই আহোমৰ সৰ্ববৃহৎ টাই ঠাল যি ব্ৰহ্মপুত্ৰ উপত্যকাত মু'ঙ দন চ'ন খান স্থাপন কৰি ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰায় ৬০০ বছৰ ৰাজত্ব কৰে। তেওঁলোকৰ ভাষা টাই বা শ্যান আছিল, কিন্তু কালক্ৰমত নানা কাৰণত বিশেষকৈ ৰাজ্য বিস্তাৰৰ লগে লগে দেশৰ জনসংখ্যাও বৃদ্ধি পোৱাত প্ৰজাৰ সুবিধাৰ কথালৈ চিন্তা কৰি নিজ ভাষাৰ পৰিৱৰ্তে অসমীয়া ভাষা গ্ৰহণ কৰে। কিন্তু পুৰণা পূজা-সেৱা ৰীতি-নীতি সম্বন্ধীয় সকলো কাম তেওঁলোকৰ পুৰোহিতসকলে টাই ভাষাতে চলাই থাকে আৰু আজিলৈকে চলাই আহিছে । সেইদৰে ৰাজকীয় কাম-কাজবিলাকো অষ্টাদশ শতিকালৈকে আহোম ভাষাতেই চলাই আছিল। অসমৰ গোলাঘাট যোৰহাট, চৰাইদেউ, শিৱসাগৰ, ডিব্ৰুগড়, লখিম্পুৰ, তিনিচুকীয়া, ধেমাজী আৰু কাৰ্বি আংলং আৰু অৰুণাচল প্ৰদেশৰ লোহিত জিলাত টাই আহোম সম্প্ৰদায়ৰ লোকে বসবাস কৰি আছে। টাই আহোম উন্নয়ন পৰিষদে ২০১২-১৪ চনত চলোৱা সমীক্ষা মতে আহোমসকলৰ বৰ্তমানৰ জনসংখ্যা প্ৰায় ২৫ লাখ।

জীৱিকা ঃ যোৱা শতিকাৰ শেষ ভাগলৈকে শালি ধানৰ খেতিয়েই তেওঁলোকৰ মুখ্য জীৱিকা আছিল। সমান্তৰালভাৱে গৰু-মহ, গাহৰি-ছাগলী, হাঁহ-কুকুৰা পুহিছিল। আজৰি সময়ত পুৰুষসকলে গছ মুগাও পুহিছিল। তিৰোতাসকলে এৰী মুগা, পাট-পলু পুহিছিল। এই পলুৰ পৰা সূতা-কাটি তাঁত বৈ ঘৰখনৰ বাবে প্ৰয়োজনীয় কাপোৰ যোগাৰ কৰি লৈছিল। শাক-পাচলিৰ বাৰী এখন, কল-তামোলৰ বাৰী এখন কাঠনিবাৰী এখন আহোমসকলৰ বসতিস্থলত এটা স্বাভাৱিক দৃশ্য আছিল।

ঘৰ-দুৱাৰ ঃ আগতে তেওঁলোকে চাংঘৰত বাস কৰিছিল যদিও পিচলৈ মাটিৰ ভেটিত টুপ দিয়া দুচলীয়া ঘৰ সাজি লৈছিল। সাধাৰণতে ঘৰৰ খুঁটাবোৰ কাঠৰ, বেৰবোৰ বাঁহৰ আৰু চাউনি খেৰেৰে কৰি লৈছিল। আজিকালি সকলোৱে পকী ঘৰ হৈছে। থকা ঘৰ দুটা বৰঘৰ আৰু চ'ৰাঘৰ। বৰঘৰৰ মুধৰ কোঠাত ৰান্ধনিশাল থাকে। পিছৰ কোঠাটো খোৱা কোঠা হিচাপে ব্যৱহাৰ কৰে। বাকী থকা কোঠাবোৰ সাধাৰণতে জীয়ৰীসকলে শোৱা কোঠা হিচাপে ব্যৱহাৰ কৰে। চ'ৰাঘৰ আলহী-অতিথি বহা কোঠা আৰু শোৱা কোঠা হিচাপে ব্যৱহাৰ কৰে।

খাদ্য ঃ প্ৰায়বিলাক আহোমসকলে আমিষভোজী, পতংগভোজী আৰু আজিও টাইসকলৰ খাদ্যাভ্যাসকে চলাই আছে। গাহৰি, কুকুৰা, হাঁহ আদিৰ মাংসৰ উপৰিও আহোমসকলে মুগালেটা; শুকুতী মাছ আৰু আমৰলি টোপ খোৱা দেখা যায়। তেওঁলোকৰ মুখ্য আহাৰ ভাত । আহোমসকলে কলৰ বাকলিৰ পৰা প্ৰস্তুত কৰা খাৰ ব্যৱহাৰ কৰে আৰু বহু ঔষধি গুণযুক্ত শাক-পাচলি আৰু বেত-গাজঁ খায়। আহোমসকলৰ খাদ্যাভাষে অইন টাইসকলৰ লগত সাদৃশ্য প্ৰদৰ্শন কৰে। তেওঁলোকৰে খাদ্যাভাষত থেও-দাম (মাটি মাহ), খাও-মুন (ভাত দালচেনি), সান্দহ গুৰি , চেও-খাও (ভাপত দিয়া ভাত), খাও-মাই (চুঙা-চাউল), তিলেৰে প্ৰস্তুত কৰা তিল পিঠা, খাও তৃয়েক (আখৈ)। নুতলোৱাকৈ কোমল চাউলৰ প্ৰস্তুতকৰণ বা তৰা পোতত বান্ধি বনোৱা খাও-মাই (চুঙা-চাউল) আহোমসকলে কম মছলাযুক্ত খাদ্য আৰু মাছ, বেঙেনা, বিলাহী আদি পুৰি বা তৰা পাতত দি খাই বেছি ভাল পায়। লাও বা সাজ হ'ল আহোমসকলে দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা এবিধ উপাদেয় পানী, সাধাৰণতে, লাহি আৰু বৰা চাউল মিহলি কৰি সিজাই তাৰ লগত হুৰপিঠা মিহলাই লাও পানী তৈয়াৰ কৰা হয়। চাহ তেওঁলোকৰ আন এবিধ উপাদেয় পানীয়।

ধৰ্মবিশ্বাস ঃ আহোমসকলে উপৰিপুৰুষৰ অৱস্থিতিত বিশ্বাস কৰে আৰু উপৰিপুৰুষক পূজা পাতল কৰাটোৱেই তেওঁলোকৰ প্ৰধান ধৰ্ম আছিল। মৃত মাক-বাপেকক ধৰি চৈধ্য পুৰুষলৈকে 'ডাম' হিচাপে স্তৰে স্তৰে নিয়মিতভাৱে পূজা কৰে 'ফী দেৱতা চিহাপে ' মে-ডাম-মে-ফী,

ওমফাঃ চাইফা আদি পূজা দি আহিছে। তদুপৰি, 'বিক্খন' 'জাচিংফা' 'লাইলুংখাম' আদি পূজাও পোতি আহিছে। এই সকলো পূজাতে জীৱ উছৰ্গা কৰা হয় আৰু টাই ভাষাতে স্তুতি-বন্দনা কৰা হয়। অৱশ্যে বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰাৰ পিচৰ পৰা তেওঁলোকৰ তিনি পণ্ডিত ফৈদ মহন-দওধাই-বাইলুংসকলৰ বাহিৰে বাকীসকলে এইবোৰ পূজা-পাতল পাতিবলৈ এৰিলে।

বিবাহ ঃ আহোমসকলৰ বাবে বিবাহ হ'ল বংশ ৰক্ষাৰ কাৰণে পতা এটা অতি গুৰুত্বপূৰ্ণ মাঙ্গলিক অনুষ্ঠান। তেওঁলোকে 'চ-ক্লং' আৰু 'দেওবান' এই দুই পদ্ধতিৰে বিবাহ সম্পাদন কৰে। চ-ক্লং টাই-আহোম ভাষাৰ শব্দ চ অৰ্থাৎ যোৰা লওৱা আৰু ক্লং অৰ্থা পূজা । ৰাতি বিবাহৰ মুখ্য পৰম্পৰাত ম'ৰুলৰ সন্মুখত সোণ , ৰূপ, পিতল বা কাঠৰ গছাত ১০১ গছ বান-ফাইং চোমচাও প্ৰমুখ্যে ১০১ জনা ফুৰাৰ উদ্দেশ্যে প্ৰজ্জ্বলিত কৰা হয়।

সংস্কৃতি ঃ বুৰঞ্জী চৰ্চা আহোমসকলৰ একক সংস্কৃতি তদুপৰি কৃষি, স্থাপত্য, শিল্প-কলা, ৰেচম আৰু বয়ন শিল্প, পোছক-পৰিচ্ছদ, আ-অলংকাৰ, খাদ্য প্ৰকৰণ, বিশ্বাস অবিশ্বাস আদি অসমীয়া সংস্কৃতিৰ সকলোতে আহোমসকলৰ সংস্কৃতিৰ প্ৰভাৱ দেখিবলৈ পোৱা যায়। উদাহৰণস্বৰূপে শালি খেতিৰ প্ৰচলন, কঠিয়া পাৰি ধান ৰোৱা, গুটীয়া ম'হেৰে হাল বোৱা, দৰা-দৰাকৈ আলি দি খেতি পথাৰত জলসিঞ্চনৰ ব্যৱস্থা কৰা, টোমত ভৰাই কঠিয়াৰ সাঁচ ৰখা আদিৰ বিষয়ে উল্লেখ কৰিব পাৰি। স্থাপত্য কলাৰ ক্ষেত্ৰত টুপ দিয়া আৰু ফুল চতি দিয়া ঘৰ, চাং পতা ভঁৰাল, ঢাপ মৰা আৰু নঙলা দিয়া বাৰী ইত্যাদি আহোম সকলৰ সংস্কৃতি। মুগা আৰু পাটপলু পুহি তাৰ পৰা সুতা উলিয়াই কাপোৰ বৈ তাৰে সাজ-পোচাক তৈয়াৰ কৰা, বিভিন্ন শাক-পাচলি আৰু মাছ- মাংসৰে উপাদেয় খাদ্য প্ৰস্তুত কৰাকে ধৰি অনেক দিশত তেওঁলোকৰ সংস্কৃতিৰ প্ৰভাৱ অসমীয়া সংস্কৃতিত বিদ্যমান।

অসমৰ বিভিন্ন জাতি-জনগোষ্ঠী, ভাষা-ভাষীলোক সকলক এক শাসনৰ অধীনলৈ আনি এটা অসমীয়া জাতি হিচাপে গঢ় দিয়াৰ লগতে অসমত বসবাস কৰা বিভিন্ন জাতি আৰু জনগোষ্ঠীৰ মাজত সংযোগী ভাষা হিচাপে অসমীয়া ভাষাৰ ভেটি স্থাপন কৰাত আহেমসকলৰ অৱদান সমাতোকৈ বেছি।

গ্ৰন্থৰ সহায়লৈ

## মহৎলোকৰ বাণী

শ্ৰীমতী আশাপূৰ্ণ বছা
অসমীয়া বিভাগ, প্ৰথম যান্মাসিক

(৫) উপদেশতকৈ আৰ্হি ভাল
— হজৰত মহম্মদ।

(৬) পাপক ঘিণ কৰিবা পাপীক ঘিন নকৰিবা।
— যীশুখ্ৰীষ্ট।

(৭) কৰ্মই উপাসনা হাঁহিয়েই জীৱন
— বিষ্ণুপ্ৰসাদ ৰাভা

(৮) শিক্ষা নথকা মানুহ এজন শুকান কাঠৰ দৰে
— হজৰত মহম্মদ।

# আত্মমৰ্যদা

মনশ্ৰী কোঁৱৰ
স্নাতক প্ৰথম ষান্মাসিক

যি নিজকে হীন বুলি ভাৱে, তেওঁ সমাজত কেতিয়াও উচ্চ স্থান লাভ কৰিব নোৱাৰে, লাগিলে তেওঁ যিমানে জ্ঞানী-গুণী মানুহেই নহওঁক কিয়। এইটো প্ৰমাণিত সত্য যে, মানুহে যেনে ধৰণৰ চিন্তা কৰে, তেনে ধৰণৰ কাম কৰে। যদি কোনোবা মানুহে নিজকে নিম্ন খাপৰ বুলি ভাৱে, তেনেহ'লে তেওঁৰ কামো তেনে ধৰণৰ হ'ব। এই ক্ষেত্ৰত তেওঁ নিজৰ চিন্তাধাৰা গোপন কৰাৰ চেষ্টা কৰিলেও সফল হ'ব নোৱাৰে। তেওঁৰ কামেই তেওঁৰ মনোভাৱ প্ৰকাশ কৰি দিব। তেওঁসকলোৰে ওচৰত ধৰা পৰি যাব।

নিজকে সমাজত এজন মৰ্যাদাপূৰ্ণ মানুহ হিচাপে প্ৰতিষ্ঠা কৰিব বিচাৰিলে আপুনি নিজকে এজন মৰ্যাদাপূৰ্ণ মানুহ বুলি বিবেচনা কৰিব লাগিব। সেয়ে নিজকে সকলো সময়তে মৰ্যাদাপূৰ্ণ মানুহ বুলি গণ্য কৰিব। নিজৰ প্ৰতি কোনো ধৰণৰ হীন ধাৰণা পোষণ নকৰিব। আপুনি আৰু কেতিয়াবা ভাবি চাইছেনে এজন বিক্ৰয় প্ৰতিনিধিয়ে সকলোকে সমান গুৰুত্ব নিদিয়ে কিয়? এজন গ্ৰাহকক তেওঁ যিমানখিনি গুৰুত্ব দিয়ে, আন এজনক সিমানখিনি নিদিয়ে কিয়? এজন কৰ্মচাৰীয়ে কোনোবা এজন সহকাৰী বিষয়াৰ নিদেৰ্শ তৎক্ষণাৎ পালন কৰে, কিন্তু আন এজনে নকৰে কিয়? আমি এজনৰ কথা মনোযোগ দি শুনো, কিন্তু আন কাৰোবাৰ কথাত মুঠেও গুৰুত্ব নিদিওঁ কিয়?

আপোনাৰ চৌদিশে দৃষ্টি নিক্ষেপ কৰক। আপুনি দেখিবলৈ পাব, কোনো কোনো মানুহক অচিনাকি মানুহেও 'ছাৰ' বুলি সম্বোধন কৰে, কিন্তু অন্যান্য সকলক সেই গুৰুত্ব নিদিয়ে।

আপুনি দেখিবলৈ পাব, কোনো কোনো মানুহে মান মৰ্যাদা, প্ৰশংসা আৰু সকলোৰে আস্থা অৰ্জন কৰিবলৈ সক্ষম হয়, কিন্তু বেছিভাগেই সেইবোৰৰ পৰা বঞ্চিত হয়। আৰু অধিক গভীৰভাৱে মন কৰিলে আপুনি দেখিবলৈ পাব যে , যিসকলে মানুহৰ পৰা আটাইতকৈ মেছি মান-সন্মান লাভ কৰিবলৈ সক্ষম হয়, তেওঁ লোকেই জীৱনত আটাইতকৈ বেছি সফল হ'বলৈ সমৰ্থ হয়। এনে হোৱাৰ কাৰণ নো কি? এটা বাক্যৰে এই প্ৰশ্নৰ উত্তৰ দিবলৈ হলে ক'ব লাগিব ঃ "ইয়াৰ কাৰণ হ'ল চিন্তাৰ শক্তি।" চিন্তা শক্তিৰ বলত এনে হোৱা দেখা যায়।

মনত ৰাখিব, আমাক মানুহে সেই ৰূপতহে দেখে, আমি নিজকে যি ৰূপত চাৰ বিচাৰো, বা আমি নিজকে যি দৃষ্টিৰে চাওঁ।

আমি নিজকে যেনে কামৰ যোগ্য বুলি ভাবো, সমাজে আমাৰ ওপৰত তেনে কামৰে দায়িত্ব অৰ্পণ কৰে। সমাজত আমাৰ স্থান নিৰ্ণয় কৰে আমাৰ চিন্তা কৰাৰ ধৰণে।

জীৱনত সফল হ'ব বিচাৰিলে প্ৰথমতে নিজকে প্ৰবলভাৱে আত্মবিশ্বাসী কৰি তোলক।
নেলছন ৰকফেলাৰ

আমাৰ মাজৰ বেছিভাগ মানুহেই ধন-দৌলতৰ পিছে পিছে অন্ধভাৱে দৌৰি থাকে । ধন-দৌলতকে তেওঁলোকে জীৱনৰ প্ৰধান সম্পদ বুলি ভাৱে। তাতকৈও যে এটা ডাঙৰ সম্পদ আছে, সেই দিশত তেওঁলোকৰ কোনো মনোযোগ নাথাকে। সেই মূল্যবান সম্পদটো হ'ল 'শিক্ষা'।

আপুনি সময়ৰ স'তে তাল মিলাই চলিব পাৰিলে, নতুন নতুন শিক্ষাৰে নিজকে শিক্ষিত কৰি তুলিব পাৰিলে পৰিবৰ্তনৰ হৈতে নিজক নিজে সহজে খাপ খুৱাব পাৰিব, পৰিবৰ্তনে অনা সুযোগবোৰক দেখিবলৈ পাব আৰু সেইবোৰক কামত লগাবলৈ সমৰ্থ হ'ব। তাৰ অন্যথা হ'লে আপুনি সেইবোৰক দেখিবলৈ নাপায়। সেইবোৰ আপোনাৰ কাষেদি নীৰৱে পাৰ হৈ যাব। ফলত আপুনি সুযোগহীন হৈ সমস্যাত পৰি কক্ বকাব লাগিব।

বহুতে ভাৱে যে, তেওঁলোকৰ হাতত থকা ধন-সমপত্তিয়ে তেওঁলোকক সকলো সমস্যাৰ পৰা উদ্ধাৰ কৰিব। কিন্তু তেওঁলোকে নাজানে সমলো সমস্যা ধন-দৌলতেৰে সমাধা নহয়। তাৰ বাবে প্ৰয়োজন হয় এটা শিক্ষিত মগজু, মুকলি মন আৰু চলমান চিন্তা শক্তিৰ। আমাৰ জীৱনলৈ এনে বহু সমস্যা আহে যিবোৰক আমি আমাৰ টকা -পইচাৰে সমাধা কৰিব নোৱাৰো । তাৰ বাবে প্ৰয়োজন হয় জ্ঞান-বুদ্ধিৰ, বিদ্যা-শিক্ষাৰ।

আত্মবিশ্বাসহীন দুৰ্বল মনৰ মানহেহে সকলোকে সন্দেহ কৰিবলৈ আৰম্ভ কৰে, যাৰে-তাৰে নামত অভিযোগ উত্থাপন কৰে। তেনেদৰে আনৰ নামত অভিযোগ উত্থাপন কৰি তেওঁলোকে নিজৰ দুৰ্বলতা ঢাকিব বিচাৰে।
লিও বাছেগ্লিয়া



# সোণাৰি মহাবিদ্যালয় আমাৰ, মোৰ প্ৰত্যেক সোণাৰিয়ানৰ আৱেগ

কৃতিকা দাস
শিক্ষাতত্ব বিভাগ
প্ৰথম স্নাতক

"আজি মোৰ স্মৃতিৰ পৈজটো খুলিছো
অতিশয় সযতনে
লুটিয়াই বগৰাই চাইছো
এৰি অহা দিনবোৰৰ স্মৃতি..."

সময় গতিশীল, ই পাখি লগা কাঁড়ৰ দৰে, ইয়াক কোনেও ধৰি ৰাখিব নোৱাৰে, সময়ৰ লগে লগে সকলোবোৰ স্মৃতিৰ গৰ্ভত বিলীন হয় আৰু কিছুমান মধুৰ সময় স্মৃতিৰ মানস পটত ৰৈ যায়।

আদিগুৰু- অনাদিগুৰু, শিক্ষাগুৰু আৰু দীক্ষাগুৰু এই চাৰিজন গুৰুক আমাৰ সন্মুখত লৈয়ে জীৱনযাত্ৰাত আগুৱাই গৈ আছোঁ। জীৱনৰ প্ৰথম খোজটো কাৰ হাতত ধৰি দিছিলো নাজানো হয়তো মা দেউতাৰ হাতত হয়তো ককা আইতাৰ হাতত, কিন্তু তেতিয়াই যি প্ৰথম খোজ দিছিলোঁ সেই খোজেটোৰেই আজিও অবিৰাম গতিত...। পল পলকৈ খোজ মিলাই প্ৰাৰ্থমিক শিক্ষা লাভ কৰিলোঁ। সৰুৰে পৰা যেতিয়াৰ পৰা জনা হৈছো তেতিয়াৰ পৰাই মনত এটা হাবিয়াস পুহি ৰাখিছিলো সোণাৰি মহাবিদ্যালয়ত এদিন অধ্যয়ন কৰিম সেই মৰ্মে প্ৰাৰ্থমিক শিক্ষাৰ পাছত মাধ্যমিক শিক্ষা, উচ্চ শিক্ষা লাভ কৰি কলেজীয়া জীৱনত খোজ পেলালোঁ। এটা ৰঙীন সপোনৰ পম খেদি, বুকুত অযুত সপোন লৈ ৰিঙা ৰিঙা লগা এবুকু জোনাক এবুকু আশাৰে যাত্ৰা কৰিছিলোঁ সোণাৰি মহাবিদ্যালয়লৈ।

শাৰী শাৰী কৃষ্ণচূড়া আৰু সোণাৰুবোৰে যেন এটি মিঠা হাঁহি লৈ অপেক্ষা কৰি থাকে একো একোজন নতুন সদস্য আদৰিবৰ বাবে আৰু কালক্ৰমত তেওঁৰ চিনাকি হৈ পৰে এজন সোণাৰিয়ান হিচাপে।

সৌ সিদিনা আহিছিলোহে, নৱাগতা হিচাপে এই কলেজত থিয় দিছিলো। এতিয়া কলেজৰ অলি গলি প্ৰতিখন শ্লেপ মোৰ বৰ আপোন কলেজৰ প্ৰতিডাল দুবৰিৰ ওপৰত দেউ দি খোজ কাঢ়ি ফুৰোতে কেনেকৈনো দুটাকৈ বসন্ত অতিক্ৰম কৰিলো ধৰিবই নোৱাৰিলোঁ। কিন্তু এইয়া চাগে মোৰেই সৌভাগ্য যে স্নাতক পাঠ্যক্ৰমো মই এই কৃষ্ণচূড়া আৰু সোণাৰুৰ দেশতেই কৰাৰ সুযোগ পালোঁ।

পুৰণি বন্ধু-বান্ধবীবোৰৰ লগতে নতুনকৈ যথেষ্ট সংখ্যক বন্ধু বান্ধৱীৰ সমাহাৰ। কলেজত সময়বোৰ দিনক দিনে ভাল লগা হৈ পৰিল। ব্যস্ত প্ৰতিজন সোণাৰিয়ান। কোনোবাজন যদি কেমেষ্ট্ৰিৰ লেৱটেৰীত প্ৰেক্টিকেল কৰাত ব্যস্ত, কোনোবাজন আকৌ লাইব্ৰেৰীৰ আলমাৰিত মন পছন্দৰ কিতাপখন বিচৰাত ব্যস্ত। কোনোবাজন আকৌ কৃষ্ণচূড়াৰ ছাঁয়াত- জিৰনীলৈ কৃষ্ণচূড়াৰ ৰঙাপাহিক সাক্ষী কৰি আনজনৰ সতে হৃদয় সলোৱাত ব্যস্ত। উঃস মুঠতে প্ৰতিজন সোণাৰিয়ানৰ ব্যস্ততাৰ অন্ত নাই।

সোণাৰি মহাবিদ্যালয়ৰ এগৰাকী ছাত্ৰী হিচাপে নিজেই গৌৰৱ অনুভৱ কৰোঁ। মহাবিদ্যালয়ৰ পঞ্চাছবছৰীয়া বৰ্ণিল যাত্ৰাত নিৰ্জে অংশগ্ৰহণ কৰিব পাই নিজে সুখী হওঁ। সোণাৰি মহাবিদ্যালয়ৰ এই যাত্ৰা সদায় অব্যাহিত থাকক আৰু সদায় আগবাঢ়ি যাওক। চাওঁতে চাওঁতে দুটাকৈ বসন্ত অতিক্ৰম কৰিলোঁ। সৌ সিদিনা মহাবিদ্যালয়ত
ভৰি দিছিলোঁ হে সময় বাগৰাৰ লগে লগে কেতিয়ানো দুটা বৰ্ষ পাৰ হ'ল গমকে নাপালোঁ। সময়ৰ লগে লগে এনেদৰে সময়ৰ গতিত- বিলীন হৈ যাম আমি, শেষ হ'ব কলেজীয়া বিলিন হৈ যাম জীবন। সেই মধুময় সময়। বৰ্তমানৰ অভিজ্ঞতাবোৰ কেৱল অতীত হিচাপে মনত পেলাম স্মৃতিৰ কোনোবা এটা কোণত যাব ৰই চিৰদিনৰ বাবে ৰৈ যাব

"জয়তু সোণাৰি মহাবিদ্যালয়"
"জয়তু সোণাৰিয়ান"

# মোৰ জীৱনত বন্ধুত্বৰ অস্থিত্বতা

নিৰুফাৰ বেগম
চতুৰ্থ যান্মাসিক

বন্ধুত্ব হৈছে এনে এডাল এনাজৰী যাক সহজতে পাবলৈ টান। যি বন্ধু বা বান্ধৱীৰ সদায় সৎ পথত চলে, সৎ আচৰণ কৰে, বিপদত সহায় কৰে, তেনে বন্ধু বা বান্ধৱীৰ সঙ্গ লোৱা উচিত। কিছুমান বন্ধু বান্ধৱীয়ে সদায় নিজৰ কথাহে ভাৱে। আনক বিপদত পেলাই ৰং চাবলৈ ভাল পায়। তেনে বন্ধু বান্ধৱীৰ পৰা আঁতৰত থাকিব লাগে।

সৎ লোকৰ পৰা যিদৰে সজগুণী হব পাৰে, সৎ বন্ধু-বান্ধৱীৰ পৰাও সৎ পথে চলিব পাৰি। কিন্তু অসৎ বন্ধু বান্ধৱীৰ পৰা সৎ লোকো অসৎ পথলৈ যাব পাৰে। সংস্কৃতত এটি শ্লোক আছে- "আৰম্ভ গুৰী ক্ষয়িনী ক্ৰমেনলৰ্ব্বী পুৰা বদ্ধিমতিচ শশ্মত দিনসৎ পূবাধ পৰাধ মিন্নকায়েৰ মৈত্ৰী থলসজ্জনা নাম।" অৰ্থ্যাৎ দুজনৰ লগত মিত্ৰতা স্থাপন কৰিলে প্ৰথম ভাগ দেখাত স্থায়াৰ দৰে দীঘল হৈ লাহে লাহে ছুটি হৈ পৰে। কিন্তু সৎ জ্ঞানৰ লগত মিত্ৰতা স্থাপন কৰিলে দিনৰ ভাগৰ উত্তৰাৰ্ধৰ ছায়াৰ দৰে প্ৰথম সৰু থাকি লাহে লাহে বাঢ়ি গৈ থাকে।

প্ৰায় এনেকুৱা হোৱা দেখিবলৈও পোৱা যায় যে, বহু সময়ত অকলশৰে কটাবলীয়াও হয় কিয়নো নিজৰ মনৰ পছন্দৰবা মন মিলা বান্ধৱী এগৰাকীৰ সৈতে নিজৰ মনোভাৱ প্ৰকাশ কৰিবলৈ মন যায় যদিও বহু ক্ষেত্ৰত ঠাট্টা, মস্কৰা আৰু উপলুঙাৰ সন্মুখীন হব লগাও হয়। তেনে সময়ত বহুত দুখ লাগে কিন্তু নিজৰ মনোবলক সাৰটি ধৰি আগুৱাই যাবলৈ চেষ্টা কৰিব লাগে বুলি মোৰ বিশ্বাস কিয়নো ছাত্ৰ জীৱনৰ প্ৰথম কৰ্মই হৈছে অধ্যয়ণ। পৰীক্ষাত সৰ্ব্বোচ নম্বৰ লাভ কৰিব নোৱাৰিলেও নিজৰ চেষ্টা অক্ষুণ্ণ ৰাখিব লাগে। বন্ধুত্বৰ অস্তিত্বই যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। এনেদৰেই মোৰ জীৱনৰ বন্ধুত্বৰ অস্তিত্বই স্থান পাব ধৰিছে।

### মহৎলোকৰ বাণী

কল্পিতা গগৈ।

(১) শিক্ষা হৈছে আটাইতকৈ শক্তিশালী অস্ত্ৰ যাক ব্যৱহাৰ কৰি আপুনি পৃথিৱীখন সলনি কৰিব পাৰিব।

— নেলচন মেণ্ডেলা।

(২) সময়েই হ'ল মানুহৰ আটাইতকৈ মূল্যৱান সম্পদ, কাৰণ সময় এবাৰ গ'লে কেতিয়াও ঘূৰি নাহে।

— টমাচ আলভা এডিচন।

(৩) এখন কিতাপ নষ্ট কৰা আৰু এজন ভাল মানুহক হত্যা কৰা একে কথা।

— মিল্টন।



# KARAM PUJA

Pallabi Karmakar
1st Sem Zoology

Karam Puja is the most important festival of tea tribe communities of Assam with a view to propitating "Mother of Earth" the goddesses of creation. It is celebrated on the night of 'Bhado Ekadosi' which is generally in the mid of Auguest. Unmarried girls fast and grew seedlings for 7-9 days. It is basically an agriculture related Festival. It is believe that by the blessing of God "Karam" they will get bumper crops and their family will be saved from evil.

There is a generally belief that the desire of a man germinate send in human earth. More over Woman pray for the night of Karcam puja is called "Jhumair Nritya". It is basically a group dance performs by the rhythem of "Dholl" and "Madal" by a group of tea tribe community people. This is the festival of full fun and enjoy

### মহৎলোকৰ বাণী

কল্পিতা গগৈ।

(৫) বিশ্বাসৰ ফল প্ৰেম, প্ৰেমৰ ফল সেৱা, সেৱাৰ ফল শান্তি।

— মাদাৰ টেৰেছা।

(৬) জীৱনত আগুৱাই যাব বিচাৰিছো যদি বাস্তৱৰ সন্মুখীন হ'বলৈ শিকা।

— জুলিয়েট বেষ্টিয়েনা।

# Mental Health and Wellness

Pranjit Baruah
Department of English
FYUGP BA. 1st Semester

"A Healthy Mind and Body is very mush essential for Sustain life."

Mental Health is the overall-well being which characterized by a person's positiveness. The ability which help to cope up with the challenges and the capacity to form and maintain healthy relationship. Mental health refers to a persons emotional psychological and social well being. It encompasses now individuals think, fell and behave. A good mental health helps to handle stress, mane choices, relate every critical situation to find out its solution.

Wellness in the dimension of health which Interconnected with each other. It influence to make conscious choices that promote well- being and which contribute to a healthy and fruitfull life, wellness refers to the activity pursuit of overall wellbeing across various dimention of health,.

It goes beyond the mane absence of illness and encompasses physical, mental, emotional, social, and Spiritual wellbeing Wellness helps in embracing and understanding the essential for leading a balance and fulfilled life.

Mental health and wellness together enhance the health care. It percived human Qualifies, manage Stress, build relationship, and cope with life's challenges in a positive State. A good mental health can also help student. It enhances concentrate the student congnitive ability, leading to improved academic performance. A posiitive mental health also aids to manage mental Stress and in student concern during exams and challengings garrant if very mush cracial and important

Over all, we may conclude that healthy mental healthb and wellness. and contributes to every invidual productive fulfillment of life

Thank you.



# GENDER EQUALITY

Rupsana Begum
B.A. 1st Semister

Earlier, Gender Equality refers to equality between Male and female but equality every in today's between individual.

Gender equality refers to equal rights, responsibilities and opportunities for every individual every citizen has the right to live their life according to their wish without any discrimination. It can be achieve when all individuals are consider equal irrespective of their gender, Colour, Caste, Religion, language, sex etc. It implies that the interests, needs and priorities of everyone should taken in to must Consideration and recogn. We all are human beings so everyone must have equal rights and treated similarly. There must be gender equality refers to fair rights between every individual although we see most of the time women are the victims, especially the Transgender people but there are same cases where men are also the victims and don't get gender equality. So, basically everyone one of us need or required gender equality in one or the other ways. For examples, there are strict moral rules for women not for men, women are expected to do the domestic work. Even in work women are paid low for doing same job as men similarly men who enjoys cooking, dancing and who are emotional are look down in our society. The Transgender people could not get work in respectable places even they are well qualified.

Therefore, Everyone must gets gender equality to be free from all these gender discrimination. Gender equality is important for a nation to progress and attain higher development and growth Gender equality can only be achieved when every individual are treated equally. We must takes steps and measures to achieved gender equality by putting an end to all the evil practices such as child marriage, domestic violence, killing infant, etc. A change is coming, although it is too slow but steadily it can be seen and hopefully it continue to bring change in our society and do everyone get their equal shares of everything.

# The Generation Gap

Vaswati Bhattacharjee
B.Sc 1st Semister

The generation gap is probably oneof the controuersial issues of the contemporary era. It is frequently observed that parents and their teenagers often get inudued in tiff. They remain unknown each other and worest of all, they fail to exhibit respect for each others view. Parents always have their own openion about the future of their children and they try to become exemplary. Often, parents refuse to admit that their children have grown up and are capable enough to take responsibility of own self. A series of contant aduice oftem make teenagers irritated. As a result. sometimes the youth does absolutely contradictory things.

Every parent want to have a perfect child, so when children do not live up to their expectation. There can be a big problem when teenagers try to establish their opinion and choice, the home turns out to be a battle field. Few years ago. One of our neighbour's friend partially close to us had to go threough such a situation He was a very good dancer. he can't live with dancing. He wanted to do it professionally but his parents didn't it was a good occupation. In their opinion, it was not sereious enough. Finally, he achieved his desired objecture, but his relationship with his parents became better Now, they hardly converse with one another. Certainly, some families can overcome the difficulty but most of them cannot."

Today we are living in such a society where young generation possesses big dreams and aspirations. They want rapid results They are not afraid to take risk, they always want to create something new. Their traits are really appreciable. But the preoblem of young generation is they don't care about anyones opinions, even of their parents.The preoblem is the understandin difect, due to which the gapes between between parents and children are visible.

My views, as a teenager are differcard on gereation gapes. I know its a big problem of society. But with proper trust, reespect and understanding, one can solve this problems. it is very simple, teenager should listen to their elders considering the point that they have more practical expreience gethered from life. Similarly the elderes should try to preserue the emotional desire of the teenagers. So friends! be mutual, be submissive, be loyal & be happy



# The Impact of Internet on Society

Bijoylakhi Rajkumari
BA 3rd Sem

The Internet has undoubtedly become one of the most significant technological advances of our time effecting almost every speed of our Lives. The impact of the internet on society has been both positive and negative, and it continue to shape our world in ways that we are still only beginning to understand.. wre

On the positive side, the internet has revolutionzied the way we Communicate learn, work and socialize. It has made it easier and faster to connect with people around the world and to access a vast amount of information on almost any topic, It has also open up new opportunities for businesses and entrepreneurs to reach customers and markets they would never have had access to before.

The internet has also had a profound impact On Education, making it possible for anyone with an internet connection to learn new Skills and acquire knowledge from anywhere in the world Online courses , virtual classrooms, and educational websites have made Education more accessible and flexible than ever before.

However, The Internet has also had some negative impacts on society. One of the most significant concernes is the impact it has had on privacy and security with the increasing amount of anything. personal information that is shared online; there is a growing risk of identity theft and other forms of harassment.

The internent has also had significant impact on social relationships while it has made it easier to connect with people across the world, It has also led to a declined in face to face interactions and has made it easier for people to retreat inte their own online communities potentially leading to feelings of isolation and loneliness Another significant negative impaed of the Internet has been on the job marked. While it has created new opportunites it has also ded to the displacement of traditional jobs and has increase the pressure on workers to constantly update. Their skills to remain competitive in an increasingly digital Economy.

In Conclusion, the impact of the internet on society has been both positive and negative, while it has brought closer together and made our lives more convenient and efficient, It has also raised concerns about primacy, security, and social isolation. As we Continue to reely more heavily on the internet, It is essential that we find ways to address. These challenges and insure that the benifits of this technology are realized by everyone.

# সাতসৰী

**ধৰিত্ৰী বড়াগোহাঁই**
**প্ৰথম ষান্মাসিক, অসমীয়া বিভাগ**

জীৱনৰ এছোৱা

অ' মা হ'ল নে? ইমান দেৰি কৰি আছা যে! মোক অথনিতে ওলাবলৈ কৈ নিজৰেই হোৱা নাই, অলপ বিৰক্তিৰে কলো। দিনটো আছিল, আগষ্ট চন্দ্ৰঃ। আচলতে সেইদিনাখন মই হোষ্টেললৈ যাবলৈ ওলাইছিলো, ইতিমধ্যে সময় বাজি পাব হে গৈছিল। মাত্ৰ ৱাৰ্ডেন বাইদেউৱে ৪ বজাৰ আগত হোষ্টেলত প্ৰবেশ কৰিবলৈ কৈছিল, ইতিমধ্যে ২: ৩০ বাজি গৈছিল। আগফালে মোৰ এটা প্লাষ্টিকৰ বাকেটত কিছুমান যাৱতীয় বস্তু ভৰাই পাছফালে মাক বহুৱাই স্পীডত স্কুটিটো চলাই সাতসৰীলৈ বুলি মোৰ পৰিচয়, মোৰ নহয়, আমাৰ পৰিচয় আমাৰ আৱেগ সাতসৰী এটা কথা, মানে মই যে এটা বাস্কেটহে আনিলো আচলতে মই ২ তাৰিখেই হোষ্টেললৈ আহিছিলো, বস্তু বাহিনী থৈ গ'লোগৈ, ঘৰলৈ ঘুৰি যাম বুলি ভৰা নাছিলো কিন্তু গাটো ভাল নলগাৰ বাবে গ'লোগৈ, পাছদিনা ভালপাম আৰু আহিম বুলি। কিন্তু কেইবাদিনলৈও গা ভাল নাপালো আৰু ৯ দিন মুৰতহে সাতসৰীলৈ ঘুৰি আহিলো। আচলতে এয়া মোৰ হোষ্টেলীয়া জীৱনৰ প্ৰথম অভিজ্ঞতা, আটাই তীক্ষ্ণ আচৰিত কথাটো কি জানেনে? অনুৰাধা শৰ্মা পূজাৰী বাইদেউৰ নাহৰৰ নিৰিবিলি চা উপন্যাসখন পঢ়ি মযো হোষ্টেলীয়া জীৱনৰ প্ৰতি আকৰ্ষিত হৈছিলো। তেওঁৰ উপন্যাসৰ চৰিত্ৰটিৰ দৰে মোৰো হোষ্টেলীয়া জীৱনটিত তেওঁৰ দৰে নানা অভিজ্ঞতা, না না অনুভূতি আৰু ৰোমাঞ্চকেৰে ভৰাই স্মৃতিৰ ভঁৰালটিত চিৰ জীৱনৰ বাবে সাঁচি ৰাখিম বুলি মনতে ভাবিবলৈ ললো। চাগে মই অলপ বেছিকৈয়ে ভাবো, নিজৰ জীৱনটো উপন্যাসৰ পৃষ্ঠাবোৰৰ সৈতে ৰিজাই। এতিয়া আমাৰ সাতসৰীৰ পৰিচয়টি ক'ব খুজিছো। নিজস্ব ইতিহাসেৰে গৌৰৱেৰে গৌৰৱজ্জ্বল চৰাইদেউ জিলাৰ মাজমজিয়া সোণাৰি অঞ্চলতেই সোণাৰিৰ মুখ্য আকৰ্ষণ; ক'তজন মানুহৰ আৱেগ সোণাৰি মহাবিদ্যালয় অৱস্থিত। ১৯৭০ চনত প্ৰতিষ্ঠিত এই মহাবিদ্যালয়খনিৰ দ্বিতীয়খন তোৰণ পাৰহৈয়ে আৱম্ভ হয় লানি লানি গছেৰে ভৰা শান্তিময়ী পদুলীটি। পদুলীত আহি খোন্দা মাৰে boys Hostel অৰ্থাৎ মহাবিদ্যালয়ৰ ছাত্ৰ নিবাসটি। আনহাতে মহাবিদ্যালয়ৰ চৌহদটোৰ এটি কোণতেই আমাৰ ছাত্ৰী নিবাসটি। মুখ্য তোৰণত প্ৰবেশ কৰি সোঁহাতেৰে গ'লেই আমাৰ নিবাসটি পোৱা যায় কিন্তু সম্পূৰ্ণ পৰিৱেশটিৰ আনন্দ উপভোগ কৰি যাবলৈ হ'লে ক'লেজৰ মুখ্য গলিটো বা কলেজৰ মজিয়াইদিয়েই প্ৰায় আহো। Indoor Stadium সন্মুখেৰে আহিলে কলেজৰ পুথিভঁৰালটিৰ সন্মুখৰ গছেৰে ভৰা ঠাইকনৰ দৃশ্যটি দেখিলে মনটো ভৰি পৰে। সেই ঠাইকণত খন্তেক হলেও দুখ ভাগৰ সকলো ক'ৰবাত বিলিন হৈ যায়। সোণাৰু কেইজোপাই ছাঁ ৰখা সেই বিশেষ ঠাইকনৰ পোনতেই আমাৰ ঠিকনা, আমাৰ আৱেগ সাতসৰী আমালৈ বুলি ৰৈ থাকে। আমাৰ সাতসৰীৰ সন্মুখৰ ঘৰটোতেই আমাৰ ৱাৰ্ডেন বাইদেউ লাকী চেতিয়া বাইদেৱে বাস কৰে।

মই এই সাতসৰীৰ নিবাসী হোৱা মাত্ৰ ৪ মাহ সময়হে হৈছে কিন্তু এই সাতসৰী মোক এনেভাৱে আকোৱালি ল'লে যে এতিয়া সাতসৰীয়ে আমাৰ ঠিকনা সাতসৰীৰ আবাসীসকলেই মোৰ পৰিয়াল, ঘৰ সকলো, লগতে ৰেগিং নামৰ ভয়টোৰেও আৱৰি ধৰিছিল। কাৰণ প্ৰায়ে ছাত্ৰাবাস বা হোষ্টেলত আবাসী ৰেগিংৰ চিকাৰ হয়। ভয় আৰু আশাৰে আহি হোষ্টেল পালোহি তাতে হোষ্টেলীয়া জীৱনৰ এয়াই মোৰ প্ৰথম অভিজ্ঞতা। কিন্তু যেতিয়া হোষ্টেল প্ৰৱেশ কৰিলো, তেতিয়া মনটো অলপ পাতল লাগিল। প্ৰথমে মই আহিয়েই বন্ধ থোৱা ৰুমটো পালোহি। হোষ্টেলৰ চৌহদটো বৰ বেছি ডাঙৰ নহয় তথাপিও জোখৰ কিন্তু মোৰ কল্পনাৰ বাহিৰত হয়, কলেজৰ হোষ্টেল যে। কিন্তু মোৰ সপোন আছে এখন বিশ্ববিদ্যালয়ৰ হোষ্টেলত

থকা, এই সপোন দেখুৱাৰ আঁৰত লুকাই আছে মোৰ পৰম শ্ৰদ্ধাৰ শ্ৰীযুত লুহিত গগৈ (সোণাৰি কৰ্মাচ কলেজৰ অসমীয়া বিভাগৰ অধ্যাপক) আৰু যেতিয়া মই মোৰ শিক্ষাগুৰু তথা অধ্যাপকসকলৰ মুখত যেতিয়া তেওঁলোকৰ হোষ্টেলীয়া জীৱনৰ কাহিনী শুনো, মই বহুত আপ্লুত হৈ পৰো।

আমাৰ সাতসৰীত সকলো নিজৰ কাম কৰাৰ লগতে হোষ্টেলৰ চাফ চিকুনো আমি নিজেই কৰো: সকলো লগে ভাগে মিলি কাম কৰাৰ আনন্দই বেলেগ, অৱশ্যে ইয়াৰ যোগেদি আমি কৰ্তব্যপৰায়ণ হ'বলৈও শিকিছো। আমাৰ হোষ্টেলখনিত এটি পুথিভঁৰালো আছে আমাৰ এই পুথিভঁৰালটো সোমাই অনুভৱ বা আমেজটোৱেই বেলেগ, এয়া কেৱল আমাৰ সাতসৰী নিবাসীসকলৰ ছিক্ৰেট বাত মানে এয়া গোপন হয় আপোনালোকক আজি নজনাও আৰু কি জানেনে মই আনৰ জীৱনৰ কথা জানিবলৈ বৰ উৎসুক, সেয়েহে মই সময় পালেই তেওঁলোকৰ মানে বহুত আৰু বান্ধৱী সকলৰ জীৱন, বা আন আন ঘটনাসমূহৰ বিষয়ে শুনো। ইয়াৰোপৰি আমাৰ খুড়ি আৰু পেহীহঁতৰ মুখত তেওঁলোকৰ নিজৰ বিষয়ে কোৱা কথাবোৰো শুনো, কেৱল এয়াই নহয়, মই আমাৰ অধ্যাপকসকল বা আন মহান ব্যক্তিৰ জীৱনীয়েই হওঁক জানিবলৈ উৎসুক। আমাৰ সাতসৰীৰ ২০ টা কোঠাৰ প্ৰত্যেটোৱেই একোটা বিশেষ নাম আছে, খৰিকাজাঁই, হাস্নাহানা, সূৰ্যমুখী তগৰ আমাৰ সাতসৰীৰ সৌন্দৰ্য, আৰু মই আজি ৰাধাচূড়াৰ বাসিন্দা। সন্ধ্যা প্ৰাৰ্থনা সভাৰ ঘণ্টা বজাৰ লগে লগে ভয় আৰু। উৎসুকতা মনটো বেৰি আহে। কিবা প্ৰয়োজনীয় কথা আদি আলোচনা হোৱাৰ উপৰিও কোনো আবাসীৰ কিবা দোষ দেখিলে -এই সভাতে উপস্থাপন কৰা হয়। মাজে সময়ে, এই সভালৈ আমাৰ লাকী চেতিয়া বাইদেউ আহে। এই সভাখনৰ পাছতে জাতি, ধৰ্ম, নিৰ্বিশেষে সকলোৱে ইয়াত নেদেখাজনৰ ওচৰত প্ৰাৰ্থনা জনাই। এয়া সতসাৰীব বিশেষত্ব। নৱাগতা সকলৰ লগত নাৱাগতা আদৰণিৰ সভাৰ আগতে সকলোৱে লগত চিনা, পৰিচয় ঘটোৱা ইয়াকে ৰেগিং বুলি কোৱা সকলৰ মনটো তেনেই সৰু হয়। তেওঁলোকৰ ৰুচি সমূহ পদক্ষণ কৰিবলৈ কোৱা হয় যাৰ যেগেদি সকলোকে তেওঁৰ প্ৰতিভাসমূহৰ মহাবিদ্যালয়ত বা আন অনুষ্ঠানসমূহত প্ৰদক্ষণ কৰিব পৰাকৈ সহায়ো কৰে। ৩০ আগষ্ট ২০২৩ এটা বিশেষ দিন, আমাক সাতসৰীয়ে আদৰি অনাৰ দিন। নকন্যাৰ দৰে মাহ হালধিৰে গা ধুৱাই অনাৰ পৰা বাহঁতে নিজ হাতেৰে ভাত খুৱাই দিওঁতে মনটো সেমেকি উঠিছিল, ঘৰ এৰি অহাৰ পাছত ইমান মৰম পাম বুলি কোনোৱেই চাগে ভবা নাছিল।

এই সাতসৰীয়ে আমাক বহুত কথাই শিকাইছে। বহুত কঠিন সময়চোৱাতো নিয়াৰিকৈ নিজৰ কাম কৰি যাব পৰাকৈ গঢ়ি তুলিছে। সমজোৱাকৈ বাস কৰা অভিজ্ঞতাই ভৱিষ্যতেই আমাক সহায় কৰিব, আনৰ প্ৰতি দয়াৰ মৰম ভালপোৱা আদায় কৰিব নজনা গৰাকীকো হৃদয়বান হিচাপে গঢ়ি তুলিছে। ইয়াৰ অনুশাসন আৰু একতাই আমাক সামাজিক প্ৰাণী হিচাপে তথা মানুহ হিচাপে জীয়াই থাকিবলৈ বাট দেখুৱাব, কোনো তেজ মঙহৰ সম্পৰ্ক নথকা সকলোটিৰে ইয়াত আৰু একতাৰ দুলেৰে বান্ধ খাই পৰিল, বা হঁতৰ মৰম আৰু অনুশাসনবোৰে মাৰ মৰমৰ প্ৰদান কৰিলে। এতিয়া যিকোনো মুহূৰ্ততেই হওক আমাৰ কোনো এগৰাকী নিবাসীকো সাতসৰীয়ে অকলশৰীয়া নকৰে সকলো সময়ত লগত থাকে এতিয়া এগৰাকীৰ দুখে সকলোৰে দুখ এগৰাকীৰ সুখৰেই সমগ্ৰ সাতসৰীয়ে হাঁহে। ভিন কন্যাৰ দৰে আদৰি অনাৰ দিনৰ পাছৰ পৰাই সাতসৰী ঠিকনা হৈ পৰিল। সাতসৰীৰৰ লগত এনেভাৱে জড়িত হৈ পৰে যে ইয়াৰ অনুৰক্ত হৈ পৰে, সাতসৰীয়ে সকলোকে আদৰি লয় এয়াই আমাৰ সাতসৰীৰ বিশেষত্ব।

# অ সময় বৈ যা...

**প্ৰিঞ্চি প্ৰিয়া গগৈ**
ইতিহাস বিভাগ
পঞ্চম প্ৰান্মাসিক

২০২১ বৰ্ষৰ আগষ্ট মাহত নানান সপোন আৰু হেঁপাহৰ টোপোলা টি বুকুত বান্ধি লৈ কৃষ্ণচূড়া আৰু নাহৰৰ দেশ (ঐতিহ্যমণ্ডিত চৰাইদেউ জিলাৰ এখন আগশাৰীৰ শিক্ষানুষ্ঠান সোণাৰি মহাবিদ্যালয়)ত প্ৰথমটি খোজ পেলাইছিলো। ১৯৭০ চনতে স্থাপিত হোৱা মহাবিদ্যালয় খনীয়ে সহস্ৰ জনৰ সপোনক বাস্তৱিত কৰি তুলিছে। এই ছেগতে মই যিসকল মহান মনিষীৰ অপ্ৰাণ চেষ্টা, কষ্ট আৰু ত্যাগৰ ফলত এইখন মহাবিদ্যালয় প্ৰতিষ্ঠা হল, সেইসকল মহান মনিষীৰ শ্ৰীচৰণত সশ্ৰদ্ধ প্ৰণাম জনাইছোঁ।

সপোনৰ পম খেদি খেদি বহুতো নজনা কথা আৰু আগতে নোপোৱা অভিজ্ঞতা বুটলিবলৈ মহাবিদ্যালয়খনলৈ আহিছিলো। মহাবিদ্যালয়খনলৈ আহিয়েই মহাবিদ্যালয়ৰ চৌপাশ আৰু চাৰিও দিশৰ সেউজীয়াবোৰ দেখি আপ্লুত হৈ পৰিছিলো আৰু ক্ৰমশ এই কৃষ্ণচূড়া দেশৰ প্ৰেমিক হৈ পৰিলোঁ।

লাহে লাহে কিছুমান অচিনাকি মানুহ আহি অন্তৰংগ বন্ধুত্বৰ খালি ঠাইকনো পূৰণ কৰিলেহি। দিন যোৱাৰ লগে লগে মহাবিদ্যালয়ৰ ক্লাছ সমূহ আৰম্ভ হবলৈ ধৰিলে। সন্মানীয় ইতিহাস বিভাগৰ বন্ধু-বান্ধৱীসকলৰ মিলা প্ৰীতি আৰু আচৰণ সমূহ দেখি সঁচাই অভিভূত হৈ পৰিছিলো। লাহে লাহে দিন বোৰ বাগৰিল, বহুতো অচিনাকি মুখ চিনাকীলৈ পৰিৱৰ্তন হল, যিমান পাৰোঁ হাঁহি মুখেৰে সকলোকে সম্ভাষণ কৰিবলৈ ধৰিলো। পঢ়া শুনা বিলাক গতানুগতিক ভাৱে চলাই নিয়াৰ উপৰিও আন্তঃ মহাবিদ্যালয় কাবাডী খেলিবলৈ মনতে আশা এটি পুহি ৰাখিছিলো। ভৱামতেই হ'ল আন্তঃ মহাবিদ্যালয়ৰ কাবাডী প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ হৈ খেলিবলৈ সুবিধা পালোঁ। সঁচাকৈ বেলেগ এটা অনুভৱৰ, মাজেৰে দিনবোৰ অতিক্ৰম হ'বলৈ ধৰিলে। হয়, বন্ধুত্বৰ তালিকাখন পৰিপূৰ্ণ হৈ পৰিল যদিও, অন্তৰৰ নিৰ্ভেজাল বিশেষ বন্ধুত্বৰ তালিকা দুই এজনে হে সম্পূৰ্ণ কৰিব পাৰিলে। বিপদৰ বন্ধু হে আচল বন্ধু বুলি কোৱাৰ দৰে বন্ধুত্বৰ অভাৱটিও সোণাৰি মহাবিদ্যালয়ে দূৰ কৰিলে।

চকুৰ পলকতে প্ৰায় আঢ়ৈটা বছৰ পাৰ কৰিলো। সময়ৰ চাকনৈয়াত উতি আহি বহুদূৰ পালোহি। সঁচাকৈ সোণাৰি মহাবিদ্যালয়ত অতিক্ৰম কৰা এই সোণালী সময়বোৰ কেতিয়াও পাহৰিব নোৱাৰিম। এই জ্ঞানৰ মন্দিৰত জ্ঞানৰ আলোকেৰে জীৱন গঢ়াৰ মূল্যবান পৰামৰ্শ, উপদেশ আৰু জ্ঞান লভিলো শিক্ষাগুৰু সকলৰ পৰা, তেওঁলোকৰ ওচৰত মই চিৰ দিনেই ঋণী হৈ ৰ'ম।

ছাত্ৰ জীৱনৰ আটাইতকৈ মনোমোহা মধুৰ স্বপ্নালীৰ আৱেগেৰে ভৰপুৰ বৈচিত্ৰময় সময়ছোৱাই হৈছে কলেজীয়া জীৱন। যি এবাৰ গুচি যোৱাৰ পাছত বিচাৰিলেও আৰু উভতাই আনিব নোৱাৰি। গছৰ তলত শ্লেপৰ আড্ডাবোৰ কেণ্টিনৰ মাজৰ পৰা ভাহি অহা প্ৰাণখোলা হাঁহিবোৰ বৰমাহঁতৰ হাতৰ চাহ পকৰিৰ সোৱাদবোৰ গেটৰ সম্মুখৰ কমল দাৰ দোকান খন, চাচা জীৰ কেঁচা চানা এই সকলোবোৰ এটা সময়ৰ মধুৰ
স্মৃতিলৈ পৰিবৰ্তন হৈ পৰিব।

সময় বৰ নিষ্ঠুৰ। এই নিষ্ঠুৰ সময়ে শিপাৰ সৈতে উভালি পেলাই অনুভূতিৰ প্ৰতিটো কলাজ আৰু সম্মুখত আঁকি দিয়ে ভৱিষ্যতৰ ৰঙীন স্বপ্ন। এই ৰঙীন স্বপ্ন পূৰাবলৈ মই যি বাটেদি আহিছিলো; সেই বাটেদি গুচি যাম সোঁৱৰণীৰ পম খেদি। সোণাৰি মহাবিদ্যালয়ৰ ৰঙীন স্মৃতি আৰু অনুভূতি বোৰে সদায় জোকাৰি থাকিব মোৰ হৃদয়ক হৃদয়ৰ পৃষ্ঠাও স্মৰণীয় হৈ ৰব সোণাৰি মহাবিদ্যালয়ৰ সগৌৰৱেৰে।

"শেষত ধন্যবাদ সোণাৰি মহাবিদ্যালয়"



# তিনিবছৰীয়া কলেজীয়া জীৱনৰ এক মধুৰ স্মৃতি

**হেল্পী বাইলুং**
পঞ্চম যান্মাধিক

বুৰঞ্জী বিভাগ ১ ছেপ্তেম্বৰ ২০২১ চন, বুধবাৰ। মোৰ জীৱনৰ এক প্ৰত্যাশিত দিন। পুৱাৰ হেঙুলীয়া আভাই ইংৰাজী সাহিত্যৰ ফকৰা যোজনাটিয়ে মোৰ অন্তৰত দোলাদি গ'ল, Mornning shows the day ঠিকেই পুৱাৰ সুৰুজে মোৰ মনৰ অব্যক্ত কথাবোৰ যেন কৈ গৈছিল। জীৱনৰ এক নতুন ৰঙীন আশাৰে সাঁজো হৈছিলো ১৯৭০ চনত স্থাপিত সোণাৰি মহাবিদ্যালয়ত স্নাতক মহলত শিক্ষাগ্ৰহণ বাবে। প্ৰথম দিনা মাজে-মাজে ভয় শংকাই মোৰ মনটোক দুধুৰ মুধুৰ কৰিছিল, ঠিক সুৰুজৰ হেঙুলী আভাক কেই চমকামান ডাৱৰে আগাভেটা কৰাৰ দৰে। মনৰ দৃঢ়তা আৰু সাহস একাত্ম কৰি পৰিস্থিতিৰ সৈতে খাপ খাবলৈ থিৰাং কৰি পুৱাৰ নিত্য কৰ্ম সামৰি মহাবিদ্যালয় গণৱেশ পৰিধান কৰিলো। এক বুজাব নোৱাৰা অনুভতি। কি হ'ব? কি নহ'ব উগুল-থুগুল মন। এনেদৰেই মনত অতি হে পাহে ৰে অধ্যয়নৰ আশা পুহি ৰখা মহাবিদ্যালয়খনলৈ ৰাওনা হৈছিলো দেউতাৰ লগত।

মহাবিদ্যালয়ৰ সম্মুখত উপস্থিত হৈ দেউতাৰ পৰা বিদায় লৈ মহাবিদ্যালয়ৰ প্ৰবেশদ্বাৰৰ ভিতৰলৈ এখোজ দুখোজকৈ সোমাই আহিলো। দীঘলীয়া মহাবিদ্যালয়ৰ পথটি অতিক্ৰম কৰি আহি মহাবিদ্যালয়খনৰ প্ৰেক্ষা গৃহৰ ওচৰতে মোৰ পূৰ্বৰ চিনাকি বান্ধৱী ববিতাক লগ পাই মোৰ মুখত নিজে নিজেই এটি মিঠা হাঁহি বিৰিঙি উঠিল। আমি দুয়োজনীয়ে যিহেতু সন্মানীয় বিষয় বুৰঞ্জী আছিল সেয়ে দুয়োজনীয়ে এটা এটাকৈ মহাবিদ্যালয়ৰ শ্ৰেণী কক্ষ সমূহ নিৰীক্ষণ কৰি আহি বুৰঞ্জী বিভাগৰ শ্ৰেণী কক্ষটি পালোঁহি। সোমায় আহি দেখো বুৰঞ্জী বিভাগত অধ্যয়ন কৰিবলৈ অহা প্ৰায়খিনি লগৰ ছোৱালী স্কুল আৰু হাইয়াৰ ছেকেণ্ডেৰীত লগ পোৱা যদিও তাৰ মাজতে কেইবাখনো অচিনাকি মুখো আছিল। ববিতা আৰু মই পলম নকৰি প্ৰথম বেঞ্চত বহিলো। অচিনাকি মুখ কেইখন তথা নতুন লগৰ ল'ৰা ছোৱালীবোৰৰ লগত কথা পতাৰ পিছত মোৰ এনেকুৱা লাগিছিল যে এওঁলোক এদিনৰ চিনাকি নহয়, বহুদিনৰ চিনাকি দৰে অনুভৱ হৈছিল। এনেদৰেই কথা পাতি থাকোঁতেই আমাৰ কক্ষলৈ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক সুশীল কুমাৰ চুড়ী ছাৰ সোমাই আহিল। তেখেতে প্ৰথমে আমাৰ সকলোকে নামবোৰ শুধিলে, সকলোৱে নিজৰ নাম, ঠিকনা ইত্যাদিবোৰ সুন্দৰকৈ কোৱা পিছত মোৰ নামটো কোৱাৰ ঠিক পৰৱৰ্তী বেঞ্চত বহা আন এজনী ছোৱালীয়ে তাই পৰিচয় দিলে। তাই আৰু মোৰ নামটো একেই হোৱাৰ বাবে ছাৰে হেল্পী নং ১ মোৰ লগৰজনীক হেল্পী নং ২ নামেৰে আমাক নামকৰণ কৰি দিছিল। চিনাকি পৰ্ব শেষ হোৱাৰ পিছত সুশীল ছাৰে আমাক কাৰ কিমান ৰোল নং হয় কৈ যোৱাৰ পিছত বুৰঞ্জী বিষয়টো অধ্যয়নৰ ওপৰত এটি সুন্দৰ বক্তব্য আগবঢ়ালে। ছাৰৰ সাবলীল মাতত আমি কেতিয়া ১ ঘণ্টা পাৰ কৰিলো গ'মেই নাপালো। ছাৰ ওলাই যোৱাৰ পিছতে আমাৰ বিভাগীয় লিনডি বাইদেউ সোমাই আহিল। তেওঁপ্ৰায় ১০ মিনিট মান চিনাকি হৈ আমাৰ পাঠদান আৰম্ভ কৰে। এনেকৈয়ে আমাৰ স্নাতক মহলাৰ প্ৰথম দিনটো পাৰ হৈছিল।

পাঠদান সমূহ লাহে-লাহে নিয়াৰিকৈ হৈ যোৱাৰ কিছুদিনৰ পিছতেই মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হয়। এই নিৰ্বাচনৰ বাবে এখনি সভা অনুষ্ঠিত কৰিছিল আৰু উক্ত সভাখনত নিৰ্বাচনত অংশগ্ৰহণ কৰিবৰ বাবে কিছুমান নিয়মাৱলী অতি সুন্দৰকৈ ছাৰ বাইদেউ সকলে সকলো ছাত্ৰ-ছাত্ৰীক বুজাই দিছিল। উক্ত দিনত নিৰ্বাচন আৰম্ভ হয় আৰু পূৰ্ব্বৰ ছাত্ৰ একতা সভাৰ সদস্য সকলে নিজৰ দায়িত্ব সমূহ নৱ-নিৰ্বাচিত ছাত্ৰ-ছাত্ৰীক অৰ্পণ কৰিলে। এদিন-দুদিন কৈ মহাবিদ্যালয়লৈ আহোঁতে চকুৰ পলকতে আমাৰ প্ৰথম যান্মাসিকৰ বছৰেকীয়া পৰীক্ষা পালেহি। ইতিমধ্যে আমি গম পাইছিলো

যে স্নাতক পৰ্যায়ত সকলো বিষয়ৰ প্ৰশ্ন কাকত ইংৰাজী ভাষাত আছে। অৱশ্যে উত্তৰ বহীত অসমীয়া মাধ্যমত লিখিব পাৰি যদিও মোৰ মনৰ মাজত যথেষ্ট ভয়ে পাক ঘুৰণি মাৰিছিল। নিৰ্দিষ্ট দিনত পৰীক্ষা শেষৰ পিছত সেই ভয় নাইকিয়া হ'ল। আমাৰ পৰীক্ষাৰ ঠিক কিছুদিনৰ পিছতেই ইংৰাজী নৱবৰ্ষ তথা ২০২২ চন আৰম্ভ হয়, নতুন বৰ্ষৰ প্ৰথম সপ্তাহতে আমি বুৰঞ্জী বিভাগ আৰু Non honours ৰ ছাত্ৰ-ছাত্ৰীবোৰ লগ হৈ ধেমাজী জিলাৰ লিকাবালি লৈ গৈছিলো। কলেজীয়া জীৱনৰ এনে এক শিক্ষামূলক ভ্ৰমণটো মোৰ বাবে এক স্মৰণীয় দিন হৈ পৰিছিল। অতি কম দিনৰ ভিতৰতে চিনাকি হোৱা দাদা বাইদেউসকলৰ লগত এনে এটা দিন পাৰ কৰি যথেষ্ট আনন্দিত হৈছিলো।

২০২২ চনৰ দ্বিতীয় সপ্তাহ আৰম্ভ হোৱাৰ লগে-লগে আমাৰ মহাবিদ্যালয় বাৰ্ষিক ক্ৰীড়া অনুষ্ঠিত হৈছিল। এই বাৰ্ষিক ক্ৰীড়াৰ প্ৰতিযোগিতাত আগভাগ লোৱাৰ সলনি মই সেই প্ৰতিযোগিতা সমূহ কেৱল চাই গৈছিলো। যিহেতু এই মহাবিদ্যালয়ত মোৰ সেই বছৰ নতুন আছিলো সেয়েহে ভয় আৰু লাজতে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা নাছিলো। কলেজৰ ক্ৰীড়া সপ্তাহ চলি থকাৰ সময়তে সময় উলিয়াই আমি বিভাগীয় আলোচনী খনৰ বাবেও কাম কৰিছিলো। বুৰঞ্জী বিভাগৰ অগ্ৰজ সকলক অনুকৰণ কৰিয়েই আমি তথা হেপ্পী, মনিষা, তৰালী, ববিতা, টিনা তুলুমণি, লোপামুদ্ৰা, পল্লবী, কৃষ্ণালী, নিতুমণি, প্ৰিংয়কা, লক্ষ্যজিৎ, সঞ্জীৱ, অংকুৰ আৰু মই যিমান পাৰো বিভাগীয় আলোচনী প্ৰস্তুত কৰা প্ৰতিযোগিতাৰ বাবে আমি নিজৰ বিভাগীয় আলোচনীখন অতি সুন্দৰ কৈ বনাবলৈ চেষ্টা কৰিছিলো। এই ক্ষেত্ৰত বিভাগীয় অগ্ৰজ সকলৰ ভূমিকা সদায় মনকৰিবলগীয়। বিভাগীয় আলোচনীখন সুন্দৰ কৈ সাঁজি উলিওৱাতে আমাৰ বুৰঞ্জী বিভাগৰ ছাৰ বাইদেউ সকলেও আৰ্থিকভাৱে আমাক সহায় কৰি আমাৰ কামবোৰ সুচাৰু ৰূপে কৰি যাবলৈ উৎসাহ দিছিল। কলেজ সপ্তাহৰ শেষৰ দিনটো বৰ মধুময় আছিল কিয়নো সেই দিনা মহাবিদ্যালয়খনৰ প্ৰত্যকটো বিভাগৰ পৰা ছাত্ৰ-ছাত্ৰী সকলৰ জৰিয়তে একো-একোটা বিষয়ৰ ওপৰত শোভাযাত্ৰা প্ৰতিযোগীতাও কৰা হৈছিল। আমি বুৰঞ্জী বিভাগৰ তিনিটা (প্ৰথম, তৃতীয়, পঞ্চম) যান্মাসিকৰ ছাত্ৰ-ছাত্ৰী সকলে শোভাযাত্ৰাৰ বাবে তৈয়াৰ হৈছিলো। আমাৰ বুৰঞ্জী বিভাগৰ তৃতীয় আৰু পঞ্চম যাণ্মাসিকৰ দাদা বাইদেউইঁতে আমাৰ এই শোভাযাত্ৰাটো কেনেকৈ নিয়ম শৃংখলা বজাই ৰাখিব লাগে, সেই সম্পৰ্কে অতি কম সময়ৰ ভিতৰতে সুন্দৰকৈ বুজাই দিছিল। এই আপাঁহতে মোৰ অগ্ৰজ সকললৈ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছো। চকুৰ পলকতে কলেজ সপ্তাহটো শেষ হৈ যোৱাৰ পিছত মনটো অলপ বেয়া লাগিছিল। যদিও আমি এক নতুন উদ্যমেৰে ২০ জানুৱাৰী ২০২২ চনৰ পৰা দ্বিতীয় যাণ্মাসিকৰ পাঠদান সমুহ কৰিবলৈ আহিলো। প্ৰথম যান্মাসিকলৈ আহোঁতে যিটো ভয় লাগিছিল, সেইটো ভয় মোৰ দ্বিতীয় যাণ্মাসিক লৈ আহোঁতে একেবাৰে নাইকিয়া হৈ গৈছিল। ইতিমধ্যে আমাৰ বুৰঞ্জী বিভাগৰ সকলো ছাৰ-বাইদেউ লগতো আমাৰ এক বন্ধুপুৰ্ণ সম্পৰ্কি গঢ়ি উঠিছিল। উল্লেখযোগ্য যে এই যাণ্মাসিক সমূহৰ সময় কাল ৬ মাহ যদিও আমি ৬ মাহ পাঠদান কৰিবলৈ সময় নাপাওঁ যাৰ ফলস্বৰূপে আমাৰ বিভাগীয় ছাৰ-বাইদেউ সকলে প্ৰায় ২ মাহ মানতে আমাক Syllabus অনুসৰি পাঠদান কৰি শেষ কৰিছিল। বিশেষকৈ আমি দ্বিতীয় যান্মাসিকত বহুত বেছি দিন পাঠদান কৰিবলৈ নাপালো, কিয়নো সেই বছৰতে আমাৰ আপোন মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উদযাপন কৰিবলৈ সিদ্ধান্ত লৈছিল সেইয়ে আমি অতি কম সময়তে পাঠদান শেষ কৰিবলগীয়া হৈছিল। সকলো বিভাগতেই পাঠদান শেষ কৰি সোণালী জয়ন্তীৰ বাবে সকলোৱে কাম সমূহ ভাগ কৰি সূচাৰু ৰূপে কৰিছিলো। সময় পাৰ হৈ যোৱাৰ লগে-লগে আমাৰ দ্বিতীয় যান্মাসিকৰ বছেৰেকীয়া পৰীক্ষা আৰম্ভ হয়। নিৰ্দিষ্ট সময়ত পৰীক্ষা হৈ নিৰ্দিষ্ট দিনত পৰীক্ষা শেষ হয়।

আমি পৰীক্ষা শেষ কৰি আকৌ সোণালী জয়ন্তী কামত সকলোৱে আগভাগ লৈ কামবোৰ কৰিছিলো। মহাবিদ্যালয়ৰ ৫০ গৰাকী ছাত্ৰী লগ হৈ আমি সোণালী জয়ন্তী অনুষ্ঠানত পৰিবেশন কৰিবলৈ সমবেত সংগীত গাবলৈ প্ৰস্তুত হৈছিলো। ছাৰ বাইদেউৰ পৰা আৰম্ভ কৰি সকলোৱে নিজৰ নিজৰ দ্বায়িত্ব সমুহ সুন্দৰকৈ পালন কৰি গৈছিল। উক্ত দিনত আমি সকলোৱে অতি আনন্দৰে তিনি দিনীয়া কাৰ্যসূচীয়ে সোণালী জয়ন্তী উদযাপন কৰিলোঁ।

সোণালী জয়ন্তী শেষ হোৱাৰ পিছত আমাৰ তৃতীয় যাণ্মাসিকৰ পাঠদান আৰম্ভ হয়। পাঠদানৰ মাজতে আমি অতি কম সময়ৰ ভিতৰতে Seminar আৰু Assinment সমূহ বিভাগীয় ছাৰ-বাইদেউক জমা দিছিলো।

সময়ৰ প্ৰতি লক্ষ্য ৰাখি ছাৰ বাইদেউহঁতে নিয়মীয়াকৈ পাঠদানবোৰ কৰি গৈ থাকিল। পঢ়াই শেষ হোৱাৰ পিচত পৰীক্ষাৰ বাবে সাঁজু হৈছিলো। ভাল-বেয়াৰ মাজতে তৃতীয় যাণ্মাসিকৰ পৰীক্ষা শেষ কৰিলোঁ। ৭ জানুৱাৰী ২০২৩ চনৰ শনিবাৰে আমি বুৰঞ্জী বিভাগৰ ছাত্ৰ-ছাত্ৰী আৰু Non honours ৰ ছাত্ৰ-ছাত্ৰীৰ লগ হৈ তেজপুৰলৈ বুলি গৈছিলো। যাত্ৰাটো আমাৰ সকলোৰে বাবে যথেষ্ট আনন্দৰে পৰিপূৰ্ণ আছিল। মই আগতে তেজপুৰ গৈ পোৱা নাছিলো বাবে তেজপুৰৰ প্ৰত্যেকটো বস্তুয়েই মোক আকৰ্ষণ কৰিছিল। বিশেষকৈ Tezpur University ৰ সেউজীয়া চৌপাশটোৰ পলকতে সকলোকে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। দিন সমূহ পাৰ হৈ যোৱাৰ পিছত আমাৰ চতুৰ্থ যাণ্মাসিকৰ পাঠদান সমূহ আৰম্ভ হয়। নতুন বছৰ নতুন আশা লৈ আমি চতুৰ্থ যান্মাসিকৰ পাঠদান সমূহ কৰিলোঁ। ছাৰ-বাইদেউসকলেও আমাৰ পৰীক্ষা সমূহ ভাল হোৱাৰ মানসেৰে আমাক পাঠদান কৰিছিল। আমি ছাত্ৰ-ছাত্ৰী সকলেও যিমান পাৰো অধ্যয়ন কৰিছিলো আৰু চতুৰ্থ যাণ্মাসিকৰ পৰীক্ষাও যথেষ্ট ফলপ্ৰসূ হৈছিল। পৰীক্ষা শেষ কৰি আমি গৰম বন্ধৰ পিছত তথা ১ আগষ্টৰ পৰা আমাৰ পঞ্চম যাণ্মাসিকৰ পাঠদান আৰম্ভ হয়। আমি সৌ-সিদিনা আহিছিলোহে এই মহাবিদ্যালয়ত অধ্যয়ন কৰিবলৈ আৰু এতিয়া ইমান কম সময়তে মহাবিদ্যালয়ৰ অগ্ৰজ হৈ পৰিলো। মনৰ মাজৰ এই কথা বোৰ সামৰি পঢ়াত মনোযোগ দিবলৈ যত্ন কৰিলো। পঞ্চম যাণ্মাসিকৰ পাঠদান সমূহ আৰম্ভ হোৱাৰ পিছতেই কলেজৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হয়। বিশেষকৈ এইবাৰৰ পৰা যিহেতু আমি মহাবিদ্যালয়ৰ নিৰ্বাচনত অংশগ্ৰহণ কৰিব নোৱাৰো সেই বাবে আমি শেষ বাৰৰ বাবে মহাবিদ্যালয়ৰ নিৰ্বাচনটোত প্ৰাৰ্থী যিমান পাৰো সহায়ৰ হাত আগবঢ়াই গ'লো। লাহে-লাহে আমাৰ পঞ্চম যাণ্মাসিকৰ পৰীক্ষাৰ বাবে আমি নিজকে প্ৰস্তুত কৰিবলৈ ল'লো। পৰীক্ষাৰ বাবে আমি প্ৰায় ২৫ দিন মানৰ পৰাই মহাবিদ্যালয়লৈ অহা নাছিলো, ঘৰতে পঢ়িবলৈ আৰম্ভ কৰিলো। কোনো বিষয় যদি বুজি পোৱাত অসুবিধা হ'লে ছাৰ-বাইদেউক ফোন কৰিলে মোবাইলতে আমাক অতি সুন্দৰকৈ বুজাই দিছিল। ছাৰ-বাইদেউৱে আমাৰ প্ৰতি কৰা কষ্টৰ বাবে আমি তেওঁলোকৰ ওচৰত চিৰকৃতজ্ঞ। দিনবোৰ পাৰ হৈ যোৱাৰ পিছত সুকলমে আমাৰ পঞ্চম যান্মাসিকৰ পৰীক্ষা দি শেষ কৰিলোঁ।

বৰ্তমান আমি পঞ্চম যাণ্মাসিকৰ পৰীক্ষা শেষ কৰি আজৰি সময়ৰ দৰে ঘৰতে দিন সমূহ অতিবাহিত কৰিছোঁ। সময়ৰ লগে-লগে ২০২৩ বৰ্ষটো শেষ হৈ ২০২৪ বৰ্ষৰ আগমনৰ লগে লগে আমাৰ ষষ্ঠ যান্মাসিকৰ পাঠদান আৰম্ভ হ'ব। দুই বা তিনি মাহ পাঠদান কৰি আকৌ আমাৰ ষষ্ঠ যান্মামিকৰ পৰীক্ষা হ'ব লগতে আমাৰ কলেজীয়া জীৱনটো সমাপ্ত হ'ব। সোণাৰি মহাবিদ্যালয়ৰ এই মধুৰ সময়কন বালিঘৰ নহওক বুলি স্মৃতিৰ দলিচাত সাঁজি ৰাখিবৰ বাবে মোৰ এই সক লিখনিটো মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী খনলৈ আগবঢ়ালো।

শেষত মহাবিদ্যালয়খনৰ লগত প্ৰতিষ্ঠাৰ পৰা জড়িত সকলো মহান ব্যক্তিলৈ মোৰ ফালৰ পৰা শতকোটি প্ৰণাম। আপোনালোকৰ এই প্ৰচেষ্টাৰ ফলতে আমি আজি সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী বুলি নিজকে চিনাকি দিবলৈ সক্ষম হৈছো। আশা কৰো সুদুৰ ভৱিষ্যতে আমাৰ এই মহাবিদ্যালয়খন সমগ্ৰ অসমৰ ভিতৰতে এখন আগশাৰী মহাবিদ্যালয় ৰূপে জনাজাত হ'ব।

ধন্যবাদ

'জয়তু সোণাৰি মহাবিদ্যালয়'

# মহাবিদ্যালয়ৰ এটি অনুভৱ

**ঈশা গগৈ**
প্ৰথম ষান্মাসিক
শিক্ষাতত্ব বিভাগ

অতীত মানেই যেন স্মৃতি। অতীতৰ স্মৃতিয়ে কেতিয়াবা মানুহক দুখ আৰু কেতিয়াবা সুখ দিয়ে। মোৰ জীৱনৰ আটাইতকৈ বেছি আনন্দ পোৱা স্মৃতিটো হ'ল সোণাৰি মহাবিদ্যালয়ত দিয়া প্ৰথমটো খোজ। চৰাইদেউ জিলাৰ মজিয়াত সোণাৰি মহাবিদ্যালয় স্থাপন কৰা হৈছিল ১৯৭০ চনত কিছুসংখ্যক ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীয়ে কলা আৰু বিজ্ঞান শাখাৰে এই মহাবিদ্যালয়খন জন্ম দিয়া হৈছিল।

২১ অক্টোবৰ ২০২১ চন। এই দিনটো আছিল মোৰ জীৱনৰ এক স্মৰণীয় দিন। বুকুত অযুত সপোন' লৈ মনত হেজাৰ উৎসাহ বান্ধিলৈ মই খোজ দিছিলোঁ সোণাৰি মহাবিদ্যালয়ৰ মজিয়াত। প্ৰথম দিনাই কিছু ভয় লৈ মহাবিদ্যালয়ৰ ভিতৰত প্ৰৱেশ কৰিছিলো। মহাবিদ্যালখনৰ লগত মই ভালদৰে চিনাকি হোৱা নাছিলো। সেই কাৰণে মই প্ৰথম দিনা পঞ্চম যন্মাসিকৰ বা এগৰাকী ক্লাছ ৰূমটো দেখাই দিবলৈ কৈছিলো। বা গৰাকীয়ে ক্লাছ ৰূমটোৰ অভিমুখে মোক আগবঢ়াই লৈ গ'ল। ক্লাছ ৰূমটোৰ ওচৰত গৈ দেখো বহুতো ছাত্ৰ- ছাত্ৰী ক্লাছটোৰ সম্মুখত থিয় হৈ আছে। তেতিয়া মই লগৰ এগৰাকীক সুধিলো কিয় ৰৈ আছা? তেতিয়া তাই উত্তৰ দিলে যে প্ৰথম ক্লাছটো হৈ আছে আমাৰ দেৰি হ'ল। সেইকাৰণে ৰৈ আছো বুলি ক'লৈ। ময়ো সেইদিনা পলমকৈ পালোগৈ। বহুতো ছাত্ৰ- ছাত্ৰীয়ে আহি ভিৰ কৰিছিল নিজৰ জীৱন গঢ়াৰ আশাত। মনত বহুতো ভয়- শংকাৰে আৱৰি ধৰিছিল। তথাপিও মনত অযুত সাহস আৰু সপোন বান্ধিলৈ মই আগবাঢ়ি গৈছিলো দ্বিতীয় ক্লাছটোৰ অভিমুখে। ক্লাছৰ ভিতৰত প্ৰৱেশ কৰাৰ লগে লগে মনত এটা শংকাৰ ভাব জাগি উঠিছিল "কিজানিবা ৰেগিং, কৰিব নেকি? কিন্তু মনত ভয়-শংকা আঁতৰ কৰি মনত সাহস লৈ আগবাঢ়ি যাব ধৰিলো। লাহে লাহে মহাবিদ্যালয়খন আপোন হৈ পৰিল। লাহে লাহে বন্ধুত্ব গঢ়ি উঠিল। ছাৰ বাইদেউসকলৰ লগত এটি মধুৰ সম্পৰ্ক ও গঢ়ি উঠিল। কলেজৰ চৌদিশ অতি মনোৰম। চাৰিওফালে সেউজ গছ-গছনিয়ে ভৰপুৰ। সেউজ গছ-গছনি দেখি মোৰ মনটো সঁচাই বৰ আপ্লুত হৈ পৰিল। মহাবিদ্যালয়খন মোৰ বাবে এক নতুন পৰিৱেশ আছিল। সময়ৰ সোঁতৰ লগত মইও উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ২০২৩ চনত উত্তীৰ্ণ হৈ বৰ্তমান সোণাৰি মহাবিদ্যালয় প্ৰথম ষাণ্মাসিকৰ এগৰাকী ছাত্ৰী। দুবছৰতে বহুতো বুজাব নোৱাৰা স্মৃতিয়ে গঢ় লৈ উঠিছে মহাবিদ্যালয়খনৰ সৈতে। বিৰতিৰ সময়ত লগৰীয়াৰ সৈতে বহি আড্ডা দিয়া, কেণ্টিনত গৈ আহাৰ গ্ৰহণ কৰা, লাইব্ৰেৰীত গৈ নোট লিখা আদিয়ে মোৰ প্ৰতিটো দিন অতুলনীয় কৰি তুলে। সোণাৰু দেশেৰে ভৰা সোণাৰি মহাবিদ্যালয় সোণালী আখৰে জিলিকি পৰক



# সময়

**মৌচুমী ভুঞা**

দিপা আৰু যতীনৰ অতি মৰমৰ একমাত্ৰ সন্তান আছিল বেদান্ত। দিপা আৰু যতীন দুয়ো সহজ-সৰল ব্যক্তি আছিল। বেদান্তৰ মাক আছিল এগৰাকী অঙ্গন বাড়ীৰ কৰ্মী আৰু পিতৃ আছিল ক্ষুদ্ৰ চাহ খেতিয়ক। বেদান্ত দশম শ্ৰেণীৰ ছাত্ৰ আছিল, আৰু সি পঢ়াৰ ক্ষেত্ৰত যথেষ্ট আগ্ৰহী আছিল। বিদ্যালয়খন ঘৰৰ পৰা কিছু দূৰত অৱস্থিত হোৱাৰ বাবে বাছেৰে অহা-যোৱা কৰিছিল। যিহেতু সি একমাত্ৰ সন্তান, সেয়েহে তাৰ সকলোবোৰ অভাৱ পূৰাই দিছিল। বিদ্যালয়তো শিক্ষক শিক্ষয়িত্ৰী সকলৰ পৰাও যথেষ্ট মৰম পাইছিল। বেদান্তৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা কাষ চাপি আহিল আৰু সকলোৱে আশা কৰাৰ মতে সি পৰীক্ষাত যথেষ্ট ভাল নম্বৰ লাভ কৰি উৰ্ত্তীণ হ'বলৈ সক্ষম হ'ল। ইয়াৰ পিছতেতাৰ কলেজীয়া জীৱন আৰম্ভ হ'ল। বেদান্তই নতুন কলেজত নাম ভৰ্তি কৰিলে। নতুন কলেজত নতুন নতুন লগৰৰ লগত য'তে ত'তে অবাবত ঘূৰি-ফুৰা আদিত বেছিকৈ সময় পাৰ কৰিবলৈ ধৰিলে। লাহে লাহে তাৰ স্বভাৱত পৰিবৰ্তন হোৱাৰ লগতে পঢ়াৰ প্ৰতিও একেবাৰে ধাউতি কমিল। লগৰ লগত বাইকত ঘূৰি-ফুৰাৰ প্ৰতি বেছিকৈ গুৰুত্ব দিবলৈ ধৰিলে। এদিন হঠাৎতে সি মাঁক দেউতাক বাইকৰ প্ৰয়োজন হোৱাৰ কথা দাবী কৰে। মাক দেউতাকে বেদান্তক বাইক কিনি দিবলৈ অমান্তি হৈছিল যদিও সি বাৰে বাৰে কৈ থকাৰ বাবে দুয়োৱে সঞ্চয় কৰা ধনেৰে এখন বাইক কিনি দিলে যাতে ল'ৰাটোৰ পঢ়াৰ প্ৰতি থকা হাবিয়াস কমি নাযায়। বাইক পাই বেদান্তই নিজৰ লগৰৰ লগত প্ৰায়ে ঘৰৰ পৰা ওলাই যাব ধৰিলে, ঘৰৰ পৰা অনুমতি নোলোৱাকৈ। এছাম যুৱ প্ৰজন্মৰ দৰে বেদান্তই নিজৰ বাইকখন তীব্ৰ বেগে চলাইছিল। ঘৰৰ পৰা বাধা দিয়াৰ স্বৰ্ত্তেও তাৰ বাহনৰ বেগ কমা নাছিল। যাৰ ফলস্বৰূপে, সি ঘৰৰ পৰা ওলাই যাঁওতে ঘৰৰ পৰা কিছু দূৰত এখন চাইকেলৰ লগত সংঘৰ্ষ ঘটে। ঠাইডোখৰত মানুহ আৰু গাড়ীৰ সমাগম বেছি হোৱাত বেদান্তই এখন ট্ৰাকৰ আগত পৰেগৈ। যাৰ ফলত বেদান্তৰ হঠাৎ মৃত্যু হয় আৰু তাৰ লগতে চাইকেল আৰোহী জনৰো মৃত্যু হয়।

বেদান্তৰ ক্ষন্তেক সময়ৰ মনোৰঞ্জনৰ বাবে তাৰ লগতে অন্য এজনৰো মৃত্যু হ'ল। বেদান্তই নিজৰ পৰিয়ালৰ লগতে আন এটা পৰিয়াললৈও দুৰ্ভাগ্য কঢ়িয়াই আনিলে।

## মহৎলোকৰ বাণী

কল্পিতা গগৈ।

(৪) মূৰ্খ লোকৰ কাৰণে সমাজ নষ্ট নহয়, সমাজ নষ্ট হয় শিক্ষিত লোকৰ মূৰ্খ স্বভাৱৰকাৰণে।

— চানক্য।

# দিগন্ত

অঞ্জনা বৰগোহাঁই
প্ৰথম ষান্মাসিক

সীমাই গাঁৱৰ ঘৰৰ পৰা কৰ্মক্ষেত্ৰৰ ঠাইলৈ বুলি ওলাই আহিছে। প্ৰায় আঢ়ৈ ঘণ্টা মানৰ বাট। কাতি বিহু বুলি তাই ঘৰলৈ আহিছিল। বাছখন চলিবলৈ আৰম্ভ কৰিছে। ঠাণ্ডা বতাহ বলিছে যদিও তাই খিৰিকীখন বন্ধ কৰি লোৱা নাই। বতাহ বোৰ মুখত লাগিছে, কিবা এটা ভাল লাগিছে তাইৰ। খিৰিকীৰ লোহাৰ কেইডালত হাত খন থৈ বাহিৰলৈ চাই দেখে এৰি অহা গাঁৱৰ আধা পকা ধানেৰে ভৰা পথাৰবোৰ। পুৰণি কথাবোৰে বাবে বাৰে মনত ভুমুকি মাৰি মনটো কিবা উগুল-থুগুল কৰি পেলাইছে। তাই বাছখনৰ ছিটটোত মূৰটো আওজাই চকু কেইটা মুদি দিয়ে। কণ্ডাক্টৰ জনে চিঞৰি থকাৰ শব্দ সীমাৰ কাণত পৰিছিলহি। কিছু সময়ৰ পাছত কণ্ডাক্টৰ জনৰ মাতটোও নাইকিয়া হৈ যায় কি যে শান্তি কিমান যে নিতাল । তাই উভতি গৈছে এৰি অহা সেই সময় বোৰৰ মাজলৈ।

সীমাই এনায়েকৰ ঘৰতে থাকি ডাঙৰ-দীঘল হৈছে। দেউতাকৰ মুখ খন তাইৰ মনত নাই। তাই সৰু থাকোঁতেই মাকে তাইক লৈ এনায়েকৰ ঘৰলৈ আহি দিছিল। তাইৰ দেউতাকে এদিনো তাইক বিচাৰি অহা নাছিল। দেউতাক নাই যদিও মাক এনায়েক আৰু বাকীবোৰৰ মৰম পাই তাই বহুত সুখী আছিল। সীমাৰ ককাক এজন শিক্ষক আছিল। হীৰেণ গগৈ গাঁৱখনৰ এজন সন্মানীয় ব্যক্তি তাইৰ ককাক। সকলোবোৰ ঠিকেই চলি আছিল কিন্তু এদিন তাইৰ জীৱনৰ পৰা মাকো অকস্মাতে আঁতৰি যায়। তাই একেবাৰে অকলশৰীয়া আৰু শোকত ভাগি পৰিছিল। ককাক এনায়েক মমায়েক হঁতে তাইক এতিয়াও বহুত মৰম কৰে একোৰে অভাৱ অনুভৱ কৰিব নিদিয়ে। কিন্তু মাকৰ অনুপস্থিতিয়ে তাইক বহুত বেছি আঘাত কৰে। তাই নিৰৱে কোনেও নেদেখাকৈ চকুলো মুছে, প্ৰত্যেকটো ক্ষণতে মাকৰ অনুপস্থিতি সীমাই বহুত বেয়াকৈ অনুভৱ কৰে। লাহে লাহে সীমা ডাঙৰ হ'ল কথাবোৰ ভালদৰে বুজিপোৱা হ'ল, দুখবোৰ চকুলোবোৰ আগতকৈ ভালকৈ লুকুৱাৰ সময়ৰ লগত সমাজখনৰ লগত আগবাঢ়ি যাব জনা হ'ল। তাই ঘৰৰ পৰিৱেশো আগতকৈ বহুত বেছি পৰিৱৰ্তন হ'বলৈ ধৰিলে। মমায়েকৰ বিয়াৰ পাছত মামীয়েকৰ চকুত তাইৰ উপস্থিতি লাহে লাহে বুজাৰ দৰে হৈ পৰিল। এনে নহয় যে মোমায়েকে তাইক মৰম নকৰে কিন্তু মামীয়েকৰ সন্মুখত তাইৰ বাবে থিয় হ'লে ঘৰত নতুন শীতল যুদ্ধ আৰম্ভ হয়। কাৰোবাৰ বিষয়ে একেৰাহে বেয়াকৈ শুনি থাকিলে ব্যক্তিজনৰ প্ৰতি বিৰক্তিৰ ভাৱ এটা লাহে লাহে জাগি উঠে। সীমাৰ পৰিয়ালৰ মৰম সম্পৰ্কবোৰ আগৰ পৰা পৃথক হ'ল মৰমবোৰ কৰবাত যেন কমি গ'ল। সেয়েহে তাই এখন নতুন সমাজৰ সন্ধানত ঘৰৰ পৰা দূৰৈত নাৰ্চিং পঢ়িবলৈ যায়। তাই ভালদৰে পঢ়াশুনা কৰি শিক্ষা সমাপ্ত কৰে। কিছু দিনৰ পাছত তাইৰ ডিব্ৰুগড়ৰ চিকিৎসালয় এখনত নাৰ্চ হিচাপে নিযুক্তি পায়। তাই এতিয়া ঘৰৰ পৰা দূৰৈত থাকে চাকৰিৰ বাবে। ককাক এনায়েক মামাক হতৰ ওচৰত তাই চিৰ কৃতজ্ঞ। তেওঁলোকৰ বাবেই আজি তাই নিজৰ ভৰিত নিজে থিয় দিবলৈ সক্ষম হৈছে। মনত কোনো ভয় নোহোৱাকৈ মনে বিচৰা কাম বোৰ কৰিব পাৰে। তাই এতিয়া মুক্ত পখী আকাশ খন তাইৰ ঘৰ।

বাইদেউ বাইদেউ বুলি কণ্ডাক্টৰ জনে মতা শুনি সীমাই সাৰ পাই। সাৰ পাই দেখে যে আৰু ৫ মিনিট মানৰ পাছতেই ডিব্ৰুগড় পাবগৈ। তাই কণ্ডাক্টৰ জনক বাছৰ ভাড়াটো দিয়ে। কিছু সময়ৰ পাছত বাছখন বাছষ্টেণ্ডত গৈ ৰলে। বাছৰ পৰা নামি ৰিক্সা এখনত এনায়েকে দি অহা বেগটো তুলি ভাড়াঘৰৰ ফালে ৰাওনা হয়। সীমা আধুনিক যুগৰ এজনী স্বাধীন সাহসী নাৰী তাই জীৱনত এনেদৰে আগুৱাই গৈ থাকিব যেতিয়ালৈ এই সীমাহীন আকাশত দিগন্ত বিচাৰি নাপায়।



# যত্ন কৰিলেহে ৰত্ন পায়

লক্ষী শৰ্মা
প্ৰথম ষান্মাসিক
অসমীয়া বিভাগ

এখন গাঁৱত মীনা শৰ্মা নামৰ এজনী ছোৱালী আছিল। মীনাৰ পিতৃৰ নাম পৰশুৰাম শৰ্মা আৰু মাতৃৰ নাম ঊষা শৰ্মা আছিল। মীনাৰ বান্ধৱী জনীৰ নাম পুনম গোস্বামী । দুয়োজনী একেখন বিদ্যালয়ত শিক্ষা গ্ৰহণ কৰিছিল। এই দুয়েজনীৰে মেট্ৰিক পৰীক্ষাৰ দিন কাষ চাপিল। মীনা যিহেতু দুখীয়া ঘৰৰ ছোৱালী তাৰ বাবে তাই পঢ়াৰ উপযুক্ত কিতাপো সংগ্ৰহ কৰিব পৰা নাছিল। আনহাতে পুনম গোস্বামী তেনে নহয় তাই আৰম্ভণিতে কিতাব সংগ্ৰহ কৰিছিল কিয়নো তাইৰ ঘৰৰ আৰ্থিক অৱস্থা ঠিকে আছিল। গীতা ক্ষেত্ৰত যথেষ্ট আগ্ৰহী আছিল। সেইবাবে পুনমে তাইক কিতাপৰ ক্ষেত্ৰত যথেষ্ট সহায় আগবঢ়াইছিল। কোনোবা দিন পুনমে নিজৰ কিতাপখন মীনাক ঘৰলৈ নিবলৈ দিছিল, তাৰ দুই তিনিদিন মানৰ পিছত মীনাই আকৌ কিতাপখন আনি পুনমক ঘূৰাই দিছিল। এনেদৰে পৰীক্ষাৰ প্ৰস্তুতি চলি আছিল। এদিনাখন বিদ্যালয়ত পৰীক্ষা এটা অনুষ্ঠিত কৰা হৈছিল। মীনা আৰু পুনমে দুয়োজনীয়ে এই পৰীক্ষা দি উত্তীৰ্ণ হৈছিল। কিন্তু সেই পৰীক্ষাত মীনাই পুনমতকৈ অধিক নম্বৰ লাভ কৰিবলৈ সক্ষম হ'ল। তেতিয়াৰ পৰাই পুনমৰ মনত অহংকাৰৰ সৃষ্টি হ'ল। আৰু দিনক দিনে পুনম, মীনাৰ লগ এৰিবলৈ ধৰিলে । মীনাই কিবা এটা সুধিলেও পুনমে তাইক ভালকৈ উত্তৰ দিয়া নাছিল। বেয়া পোৱাৰ কাৰণতো তাই আগতে জানিছিল। তেতিয়া মীনাই মনত ভাৱিব ধৰিলে যে মই মোৰ অতীতক সু-সফলতাৰে যদি আগবঢ়াই যাব নোৱাৰো তেন্তে মই কোনো ধৰণৰ চাকৰি বা কোনো কাম হয়তো ভালকৈ কৰিব নোৱাৰিব পাৰো। তাৰ ফলত মোৰ মা-দেউতা তথা পৰিয়ালৰ সকলোৱে সপোন পূৰণ কৰিবলৈ মোক যথেষ্ট কষ্টৰ সন্মুখীন হ'ব লাগিব। গতিকে মই এতিয়া বিদ্যালয়ত যি শিক্ষকে পঢ়াই দিছিলে তাৰ পৰা মই কিছুমান কথা মনত পেলাই পৰীক্ষাত লিখিলেহে লাভ হ'ব। মেট্ৰিক পৰীক্ষাৰ দিন কাষ চাপিল পৰীক্ষালৈ মাত্ৰ ২৫ দিন বাকী দিছে। পুনমে একমাত্ৰ মীনাৰ পৰীক্ষা কেনেদৰে বেয়া হ'ব তাৰ চিন্তাত তাই দিনবোৰ কটাইছিল। যেনে ঃ- মীনাই কিবা কিতাপৰ কথা ক'লে তাই উত্তৰ দিয়া নাছিল। কিবা প্ৰশ্ন সুধিলেও তাই উত্তৰ দিয়া নাছিল। শেষত পুনম মীনাৰ কথা ভাবি ভাবি সময় পাৰ কৰিছিল আৰু মীনা পঢ়াত মনোযোগ দিছিল এনেদৰে দুয়োজনীৰে পৰীক্ষাৰ প্ৰস্তুতি চলি আছিল। দুয়োজনীৰে মেট্ৰিক পৰীক্ষা দি শেষ হ'ল। পৰীক্ষাৰ ফলাফলত মীনাৰ ফলাফল খুবেই ভাল হৈছিল । তাই প্ৰায় ৫৫০ নম্বৰ সংগ্ৰহ কৰিবলৈ সক্ষম হৈছিল আৰু সমাজৰ বাবে সুনাম কঢ়িয়াই আনিছিল। আনহাতে পুনম পঢ়াত মনোযোগ নিদিয়াৰ বাবে তাই মেট্ৰিক পৰীক্ষাত তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হৈছিল। এতিয়া তাই আৰু ভাবিব ধৰিলে যে মই যদি মীনাৰ কথা চিন্তা নকৰি পঢ়াত মনোযোগ দিলে আজি হয়তো মইয়ো কিবা এটা স্থান পাবলৈ সক্ষম হ'লোহেঁতেন। শেষত দুয়োজনীয়ে কলেজত নামভৰ্তি কৰি নতুন যাত্ৰাৰ আৰম্ভ কৰিলে।

ধন্যবাদ

# আমাৰ মা'ৰ কাহিনী

ৰাজীৱ কুৰ্মি



আমাৰ মাৰ সম্পৰ্ক বেলিটোৰ লগত,
বেলি ওলাই আৰু মাও ওলাই
ব্ৰিটিছৰ দিনৰ আমাৰ জুপুৰী টোৰ পৰা,
যি দৰে চৰাইবোৰ ওলাই;
বেলি তাৰ ঘৰলৈ গ'লে আমাৰ মাও ঘৰলৈ উভতে,
আমি বৈ থাকোঁ ঘৰত যিদৰে চৰাইবোৰ বৈ থাকে বাহত।
মাৰ টুকুৰিটোতে সোমাই আহিছিল
গধুলিৰ ভোক
ঢেকীয়া, কচু, হেলোচে,
মেটেকা, দুটামান কেঁকোৰা বা দৰিকনা
আৰু এমুথা ওকান খৰি।
মই যেতিয়া সৰু আছিলোঁ
টুকুৰিটো সৰু আছিল, মা ডাঙৰ আছিল।
আজিকালি মাক টুকুৰিটোতকৈ সৰু হৈ যোৱা যেন লাগে।
সি পিছলে টানে, মায়ে আগলৈ টানে
এই যুঁজত জিকি থকাৰ স্বাৰ্থত মা কুঁজা হৈ গৈছে।
কোৰ মাৰে, হাবি কাটে
আৰু এদিন হাবি গুচি সেউজীয়া সপোন গজে।
সেউজী গছত সোন লাগে।
বাবু, চৰ্দাৰ আৰু চাহেবৰ মুখত হাঁহি আহে
আৰু সিহঁতে সপোন দেখে বিদেশৰ
আৰু আমাৰ মায়ে সপোন দেশে
চেনি দিয়া এবাটি লাল চাহ
কিন্তু নিমখ দিয়া লাল চাহে ঘূৰাই আনে বাস্তৱলৈ।
লিদাৰ বোৰৰ কথা শিলৰ ৰেখা
শুনে, কেতিয়াবা বুজি পাই কেতিয়াবা নাপায়
কিন্তু বিশ্বাস কৰে সিহঁতৰ কথা,
ভাবে আমাৰ ল'ৰাহঁতে আমাৰ ভাল কৰিব
কিন্তু আমাৰ ল'ৰাবোৰ এদিন লিদাৰ গুচি
এম; এল. এ. হয়, এম. পি. হয়
আমাৰ মা হঁতৰ সমস্যাবোৰৰ হে সমাধান নহয়।
তথাপি আশাত বন্দী, ভাল দিন আহিব
মায়েও পাব দুবেলা দুমুঠি ভাত আৰু এখন ৰঙা শাৰী।
ভৰিত পায়েল বাজক বা নাবাজক
কাণত কানফুলি দোলন বা নোদোলক
বছেৰেকীয়া বানচতো পালেই হ'ল-
ল'ৰা-ছোৱালীৰ মুখত হাঁহি- বিৰিঙাবলৈ।
চিৰিচ গছবোৰ বুঢ়া হয়
কামটো পাৰমেট (পাৰমানেণ্ট) কৰাৰ
চৰ্দাৰৰ মিছা আস্থাটোও পুৰণা হয়
তুকুৰিটো ডাঙৰ হৈ গৈ থাকে।
মাৰ ব্লাউজ বোৰ ঢিলা হৈ খহি গৈ থাকে
তুকুৰিটোৰ ভিতৰে বাহিৰে শুকান খৰি
মাত্ৰ বাহিৰৰ শুকান খৰি ডালৰ ভিতৰত এটা
সপোন আছে।
এদিন ভাল দিন আহিব।



# মহাবিদ্যালয়

নয়মণি চেতিয়া
প্ৰথম ষান্মাসিক, অসমীয়া বিভাগ

সময়ৰ কোবাল সোঁতত
মহাবিদ্যালয়ৰ প্ৰাঙ্গনত খোজ দিলোহি,
য'ত সপোনে দৃঢ়তা গঢ়ে
সাধনা আৰু জ্ঞান অন্বেষণৰ
অক্লান্ত ধৈৰ্য আৰু একাগ্ৰতাৰে
এতিয়া ময়ো এজন তাৰেই জ্ঞানপিপাসু।
মহাবিদ্যালয়........, এইখন হেনো
প্ৰতিভাৰ বিশাল পথাৰ
কৌশলেৰে ৰচা হয় নিজক,
যি সংগ্ৰামৰ পৃথিৱীত কৰা হয় প্ৰকৃত সংগ্ৰাম।
ইয়াত প্ৰতিগৰাকী অধ্যাপকেই
পোহৰৰ পথ পদৰ্শক,
তেওঁলোকৰ কথ্যভাষাৰ দ্ৰুত কচনেই
মূল্যায়নৰ উচ্চতম ভেটি,
সিবোৰক শ্যামপৰীয়া কাকতত উদঙাই দিয়া হয় ক'লা
নীলা চিয়াঁহীৰ
গভীৰ উদাৰতা হিচাপে,
নশ্বৰৰ পৃথিৱীখনক ইয়াত
বহুল ভিত্তিত বিবেচনা কৰা হয়।
মহাবিদ্যালয়ৰ প্ৰাণভৰা দিনকেইটা
সাংস্কৃতিক অনুষ্ঠান আৰু
ক্ৰীড়া মহোৎসৱৰ দিনবোৰ যে
মধুৰতাৰ কি যে সুমধুৰ স্মৃতি
বন্ধু, আড্ডা, ইতিকিং, ঠাট্টা
এনেদৰেই অভিজ্ঞতা ৰচি
পাৰ হৈ যায় দিৱসবোৰ বহুজনৰ বাবে।
আকৌ বহুজনৰ বাবে এই দিনকেইটা
ব্যস্ততাৰে ভৰা জীৱনৰ অমূল্য অংশ
প্ৰতিযোগীতাৰসূচীত ভৰি পৰে সেইসকল
প্ৰতিভা দক্ষতা, যোগ্যতা প্ৰদৰ্শনৰ
মহাৰণস্থলীত ৰণুৱা হৈ পৰে তেওঁলোক।
বটা বিতৰণীৰ অনুষ্ঠানত
বিজয়ীসকলৰ প্ৰাপ্ততা হিচাপে
একোটা পুৰস্কাৰ আৰু একোখন মানপত্ৰ,
সিবোৰ সাধনাৰ একোটা প্ৰতীক হৈ পৰে
তেওঁলোকৰ জীৱনৰ বাবে।
এইদৰেই দিৱসবোৰ পাৰ হৈ যায়
ডায়েৰিৰ পৃষ্ঠাত অভিজ্ঞতাৰ প্ৰতিটো দিন
অতীত বক্ষৰ সজীৱ স্মৃতি হৈ
মহাবিদ্যালয়ত বন্ধুৰ অভাৱ নাই
শান্ত সৌম্য পুথিভঁৰালত অধ্যয়নপিপাসু বন্ধুৰ পৰা
কেণ্টিনৰ ডাইনিং হ'লত নতুবা
আইচ ক্ৰীমৰ চালিৰ তলত অথবা
গোটকাৰে তেজৰঙা পিক
থুকিয়াই থুকিয়াই আড্ডাপিত বন্ধুলৈকে
ইয়াত হেজাৰ বন্ধু পোৱা যায়
এইদৰেই, সময়বোৰে ডেউকা কোবাই
জীৱনৰ গভীৰতালৈ উৰা মাৰে
মানিকৰ সন্ধানত
এই মহাবিদ্যালয়, উচ্চ শিক্ষাৰ স্থলীৰ পৰাই ।



## মই ধৰ্ষিতাই কৈছো

মনময়ূৰী চাহু
পঞ্চম ষান্মাসিক

অ' মই ধৰ্ষিতাই কৈছো।
চিঞৰি চিঞৰি ভাগৰি পৰিছো,
ক' চোন কিমান কান্দিম ? আৰু কিমান? .
অশ্ৰুহীন দুচকু মোৰ ভাগৰি পৰিছে
আৰু ৰক্তসিক্ত দেহ জঠৰ হৈ পৰিছে অ মা...
মা,
মানুহ জানো ইমান নিষ্ঠুৰ হব পাৰে
চোৱাচোন শৰীৰটোক একেবাৰে আঁচোৰিয়ে পেলালে
অ'
ক্ষত দেহত এতিয়া মাথোঁ তেজৰ চেকুৰা
প্ৰাণহীন দেহটোক ছাগে এতিয়া দলিয়াই দিব ন' মা।
তোৰসতে দেখা সপোনবোৰ তেনেকৈয়ে থাকিল
তই কিন্তু নাকান্দিবি মা, তই নাকান্দিবি দেউতা,
মোৰ ভুল ক'ত হৈ ৰল গমকে নাপালো
চোৱাচোন জীয়াই থাকিবলে নাপালো,
সন্ধিয়াৰ ৰঙা চাই তোমাৰ মতে হাঁহিবই নাপালো,
এতিয়া মাথোঁ এটা ক্ষত দেহ হৈ নিৰবে পৰি ৰৈছো,
দেউতা চোৱাচোন সকলোতে মাথোঁ তেজ আৰু তেজ
মই অলপ পৰোতেই তুমি কান্দিছিলা মনত আছেনে?
ৰক্তসিক্ত দেহ দেখি এতিয়া কিন্তু নাকান্দিবা তুমি
দেউতা
আজি মই মৰিও সুখী
এইখন সমাজত মোৰ বাবে ঠাই নাই অ'
কিয়নো মই যে ধৰ্ষিতা,
সমাজখনে কি ভালপায় জানানে? .
উৰণীয়া পক্ষী এটাক সাঁজাত বান্ধি খুচি ভাল পাই।
নাই, মই সেই বিহগী হ'ব নুখুজো
সেয়েহে উৰি গলো মই দূৰলৈ বহু দূৰলৈ।



## মোৰ কন্যা সন্তান

অল্পি দাস



ভয়, হৈছে জীয়াই থাকিবলৈ
বৰ ভয় হৈছে
সমাজৰ অৱয়ব আৰু স্খলন দেখি
কিছুমান ভয়ংকৰ ঘটনাই
মোৰ দুচকুত আনি দিছে
ভয়ৰ চাপ...
ৰাতিৰ নিদ্ৰা কাঢ়িছে
নৰ পিশাচ, দুৰ্বিত্ত, মানবৰূপী দানববোৰে
বহুতো কন্যা সন্তান জীৱন্তে
মৃত্যু ঘটিছে
পিতৃ মাতৃৰ বুকুৰ আপোন
বুকুৰ পৰা কাঢ়ি নিয়ে পলকতে

আনৰ সপোন শেষ কৰি
কেৱল
নিজৰ কামনা, বাসনা পূৰণ কৰাৰ স্বাৰ্থত
ৰাক্ষস হৈ পৰে কিছুমান লমপট, দানৱ
পুৰুষৰ নামত কলংক সিহঁত
নাৰীক নিদিয়ে সন্মান...
সমাজৰ কিমান যে
নিষ্পাপ ছোৱালী বলী হ'ল
সিহঁতৰ হাতত।
বুকুখন বিষায় যায় কেতিয়াবা
এগৰাকী মাতৃয়ে অনুভৱ কৰিব পাৰে
ছোৱালী সন্তানৰ কথা...
ছোৱালীৰ সুৰক্ষা আছে নে এই সমাজত? .
মাতৃৰ বুকু উদং কৰা অসুৰবোৰক
নাইকিয়া কৰক সমাজৰ পৰা
ছোৱালী নহয় কোনো বস্তু
নাইবা ভোগৰ সামগ্ৰী
আনৰ মানসিক তৃপ্তি পূৰাবলৈ ব্যৱহাৰ
কৰিছে এই আই মাতৃক
ছোৱালী ঘৰৰ লক্ষ্মী
ছোৱালী সমাজৰ বাবে সপোন...
ছোৱালীক সন্মান কৰক
কাঢ়ি নিনিব মাতৃৰ পৰা
এই সমাজৰ ভৱিষ্যত-

## জীৱন বাটত পোহৰ বিচাৰি

ৰুমী দিহিঙ্গিয়া তৃতীয় ষান্মাসিক

জীৱন বাটত পোহৰ বিচাৰি
তোমাৰ ওচৰত ভুমুকি মাৰি কত যে সময় কৰিলো পাৰ
ইয়াৰ কোনো পাৰাপাৰ নাই।
তুমিয়েটো আমাৰ সকলোকে দিয়া,
সেই অন্ধকাৰময় জীৱনৰ কাঁইটীয়া বাটত
শিক্ষাৰ পোহৰ তুমিয়েটো আমাৰ সকলোকে দিয়া
জীৱনত জীয়াই থকাৰে উৎসাহ,
আৰু প্ৰেৰণা তুমিয়েটো আমাৰ সকলোকে দিয়া
এজন ভাল মানুহ হৈ জীয়াই থকাৰ মাদকতা।
তুমিয়ে নহয় জানো?
আমাৰ সকলোৰে অতিকৈ আপোন
অতিকৈ মৰমৰ অতিকৈ চেনেহৰ,
আদৰৰ, সোণাৰি মহাবিদ্যালয়,
তুমি হেনো ১৯৭০ চনতে প্ৰতিষ্ঠা লাভিলা?
সেই দিনৰ পৰা অজিলৈকে
কিমান জনক যে ভাল মানুহ হ'বলৈ
পোহৰ বিলালা?
কিমান জনক যে ভাল মানুহ হিচাপে
গঢ়ি তুলিলা,
তাৰ হিচাপ জানো আছে?
হয়তো নাই...ঙ্গ
সঁচাকৈয়ে তুমি মহান
সঁচাকৈয়ে তুমি সোণোৱালী সোণাৰু দেশৰ
সোণাৰি মহাবিদ্যালয়....ঙ্গ



## সোণাৰুৰ দেশত জীৱনৰ এটি পল

লুকুমণি চাংমাই
পঞ্চম ষান্মাসিক
অসমীয়া বিভাগ

হৰ্ষ বিষাদৰ এক অনন্য ছবি
অনুপম জীৱনৰ নিৰুপম কাহিনী,
এই মন্দিৰৰ কোলাতেই গঢ়ি উঠা
আৱেগ নামৰ এডাল কটকটীয়া এনাজৰী।
একতাৰ ডোলেৰে বান্ধি থোৱা সম্বন্ধবোৰ
আজীৱন জীপাল হৈ ৰ'ব,
ৰোমন্থনৰ দলিচাত জিলিকি উঠিব
জীৱন যৌৱনৰ প্ৰতিটো পৃষ্ঠা।
এই দেশৰ মাদকতাই মুহি নিয়ে
মোৰ মন প্ৰাণ,
যাৰ সুবাসত সজীৱ হয়
হৃদয়ত এক মিঠা আলোড়ন।
ইয়াতেই গঢ়ি উঠে
বহুতৰে সপোন বাস্তৱৰ পথ,
যাৰ ফলত সৃষ্টি হয়
বহুতো মানৱ সম্পদ।
ঐতিহ্যমণ্ডিত জ্ঞানৰ মন্দিৰ
সহস্ৰ প্ৰণাম তোমাক,
তোমাৰ পৰশতেই জী উঠে
জ্ঞানৰ পূজাৰীৰ কৰ্মোদ্যমী মন।
শ্ৰদ্ধাৰে সোঁৱৰিছো...
সেই মহান মনিষীক
যাৰ হাতত প্ৰাণ পাইছিল
আমাৰ এই ঘৰখন।
৫৩টা বসন্ত পাৰ কৰি
জিলিকি আছে, চিৰকাল উজ্বলি থাকক,
দীৰ্ঘায়ু কামনাৰে প্ৰণাম জনাওঁ
আমাৰ সোণাৰি মহাবিদ্যালয়ক।



## হেপাহৰ মহাবিদ্যালয়

কিৰণময়ী বসুমতাৰী
স্নাতক তৃতীয় মহলা
ৰাজনীতি বিজ্ঞান

সোণাৰি মহাবিদ্যালয়ৰ প্ৰতিজাক বতাহে,
মোৰ বৰকৈ আপোন হৈ পৰিছে,
চৌপাশৰ শেৱালীবোৰৰ সুৱাসবোৰো
মোৰ নাকত লাগিছে।
ভাল লাগিছে সোণাৰি মহাবিদ্যালয়ৰ
শিক্ষাৰ্থীৰূপে নিজক পৰিচয় দি,
আৱেগো বাঢ়িছে বগা কাপোৰ যোৰৰ ওপৰত
সেউজীয়া উৰণাখন আৰি।
কৃষ্ণচূড়া বোৰৰ দৰে ৰঙীন স্বপ্নবোৰ আঁকিছে
আজিৰ এই মহাবিদ্যালয়,
হয়তো বিভিন্নজনকে ৰহস্যময় পৃথিৱীৰ বাস্তৱতাক
উপহাৰ হিচাপে যাচিছে এই মহাবিদ্যালয়ে।
গেটৰ মুখৰ ৰাধাচূড়া, শেৱালি কিজোপাও
গীতৰ এটি মিঠা কলি গুণ গুণাইছে,
যি কলিৰ তালে কলা বিজ্ঞানৰ দুগছি বন্তিয়ে
স্ফটিক ৰঙেৰে পোহৰ বিলাইছে।
এই মহাবিদ্যালয়ে যেন নিজকে সাজু কৰিছে
নতুন সূৰুযৰ আগমণ ঘটাবলৈ,
এটি কবিতাত সুৰ দিব বিচাৰিছে
যি সুৰত সকলোৱে তাল মিলাই ক'ব পাৰে।
"সোণাৰো দেশৰ সোণাৰীয়ান,
জিলিকি ৰোৱা এটি আভা হৈ।"



## জোনাক


ৰাবলী ৰাউৰী

শ্যামলি ৰাতিৰ শুভ্ৰ জোনাক তুমি
প্ৰেয়সী... মই তোমাৰ নীৰৱতাৰ..
তোমাৰ শুভ্ৰতাৰ
শাৰদীয় নিশৰ অভিসাৰিকা তুমি
তোমাতেই বিচাৰি পাওঁ মই নিজকে
আহো নাহো কৰা..
শীতলা বতাহৰ চেচাঁ পৰশে
যেন কঢ়িয়াই আনে অজান উজ্বল অনুভুতিবোৰ
কুৰলিৰ সেমেকা আস্বাদনে
যেন ঢাকি দিয়ে বিষাদৰ কাহিনীবোৰ
আন্ধাৰৰ নিশব্দতাই...
যেন ক'ব খোজে কত যে বুজা নুবুজা অস্পষ্ট
মৌনতাৰ কথা
তিৰবিৰ কৰি থকা তৰা বোৰ যেন ছটিয়াই
দিয়ে অনন্দৰ টোপোলাবোৰ
তথাপিও জানো শেষ হয় হেপাহৰ প্ৰিয় বোৰ

## ল'ৰালি

দীপশিখা চেতিয়া

জীৱন নামৰ কিতাপখনৰ
আটাইতকৈ ভাল লগা
পৃষ্ঠাটোৱেই আছিল ল'ৰালি।
কিমান যে মধুময় আছিল
ল'ৰালিৰ দিনবোৰ,
লগ সমনীয়াৰ সৈতে
খেলা ধূলা কৰা, স্কুলৰ ছুটীত
আম, লিচু, বগৰী আদি চুৰ কৰি গৃহস্থৰ গালি খোৱা,
দিনটো
লৰি ঢাপৰি আহি যেতিয়া
পঢ়া টেবুলত নবহোঁ তেতিয়া মায়ে
কাণত ধৰি উঠা বহা কৰোৱা
সেই দিনবোৰ সোঁৱৰণি হৈ এতিয়া
ক'ৰবাত হেৰাই গ'ল।
জীৱনৰ সেই শৈশৱৰ দিনবোৰ
আজিও বৰকৈ মনত পৰে পুনৰ যেন উভতি যাবৰ মন
কিন্তু সময় যে বৰ নিষ্ঠুৰ
মাথোঁ স্মৃতি হৈ ৰ'ল দিনবোৰ
সময়ৰ ডেউকাত এতিয়াও
বিচাৰো সেই ল'ৰালিৰ আবেলি।



## বৰষুণ

দেৱজনী গগৈ

বৰষুণ তোক সঁচাকৈ
বৰ ভাল পাওঁ
হেপাহেৰে বৈ থাকো তোলৈ বুলি
তোৰ শুৱলা মাতটি শুনিও নালাগে আমনি
মৰমেৰে লম তোক দুহাতে সাৱটি
ক'ত যে অভিমান বুকুত বান্ধি
আহ তই এই ধৰালৈ নামি
নুবুজো তোৰ অভিমানী মনটোক
তই যে কিয় ইমান অভিমানী।
এই ধৰাত আহি প্ৰকৃতিক দিয় তই
অনবদ্য ৰূপ
খৰাং বতৰত আহি তই
শস্যৰ পথাৰত সিঁচ
সোণোৱালী বীজ



## তুমি নামৰ আধৰুৱা কবিতা

কৃতিকা দাস
প্ৰথম ষান্মাসিক
শিক্ষাতত্ত্ব বিভাগ

মোৰ জীৱনৰ তুমি নামৰ প্ৰিয় অনুভৱটি....
ভাবিছো আজি বহুদিনৰ পৰা হৃদয়ত সাঁচি থোৱা
অনুভৱৰ
টোপোলাটি খুলি দিও...

অনুভৱবোৰক কবিতাৰ নাম দি বুৱাই আনিম
শব্দৰ সাগৰ খনি...
কবিতাৰ শিৰোনাম 'তুমি ? ..
লিখো বুলি কলমটো তুলি লওঁতেই চোন কঁপিব
ধৰিছে মোৰ আঙুলি কেইটা...
কি হৈছে আজি ?
হঠাৎতে জানো কৰ পৰা আছি বলীয়া মেঘবোৰে
খদালিয়ে খেলা মনটো ধৰিল আবৰি।

মনটোক উগুল থুগুল কৰি থকা অনুভৱবোৰ
শান্ত হৈ পৰিল
পাৰিম জানো এটি আধৰুৱা কাহিনীৰ অনুভৱৰ
কবিতাত ৰসাল সানিব ?
নাইঙ্গ

আজি কবিতাৰ ছন্দ মিলা নাই..
সুৰত সুৰ তুলিবলৈও পৰা নাই মই....
বাথাৰ শিকলিয়ে বান্ধি ধৰিছে মনটোক..
চোৱা আজি তোমাৰ দৰে হৈ পৰিল মোৰ
কবিতাও আধৰুৱা।



## জীৱন

পূজা বৰগোহাঁই

সময়বোৰ এনেকৈয়ে গৈ থাকিব
আমি মাথোঁ উপভোগ কৰি যাম
জীৱনৰ প্ৰতিটো ক্ষণ।
হেঁপাহবোৰ বুটলি লৈ আগুৱাই গৈ থাকিম
মাত্ৰ জীয়াই থকাৰ হাবিয়াস লৈ।
জীৱনে আমাক কি দিলে ?
জীৱনে আমাক কি শিকালে ?
কিন্তু আমাক জীয়াই থকাৰ উৎসাহ দিলে।
ব্যস্ততাৰ অজুহাতত ক'ত যে কি হেৰুৱাইছে
এই জীৱনে।
মাথোঁ আমি জীয়াই থাকিব বিচাৰো
জীৱনৰ অন্তিম পৰ্যায়লৈকে
আমাৰ হেঁপাহবোৰ ঠন ধৰি উঠিব।
মাথোঁ আমি জীয়াই থাকিম,
ব্যস্ততাৰ অজুহাতত মাথোঁ আমি জীয়াই থাকিম,
জীৱনৰ হেঁপাহৰ হাবিয়াসত।

# জোনাকৰ বাগিছা

প্ৰেৰণা গগৈ



জোনাক.....

মোৰ বাবে কেৱল এটা শব্দ নহয়
জোনাক
মোৰ বাবে এখন আকাশ,
স্পৰ্শ কৰাৰ ইমান যে হেঁপাহ...।
জোনাক,
মোৰ বাবে খুবেই প্ৰিয়,
সেই জোনাকী পথেৰে জীৱন ৰথ
আগুৱাই লৈ যোৱাৰ
মোৰ যে কিমান হাবিয়াস....
সমুখৰ যত' অন্ধকাৰৰ পাহাৰ
ভাঙি আগুৱাই যাবলৈ
মনৰ মাজত কত যে উচাহ...।
জোনাকৰ অপৰূপ সেই সৌন্দৰ্যবোৰ,
অনুভৱৰ মোৰ বাগিছাত
সযতনে ৰখাৰ মনৰ মাজত কত যে আশা....।
জোনাকৰ দৰেই এদিন পোহৰ ছটিওৱাৰ
মনত মোৰ কিমান যে আকাংক্ষা.....

# ক্লান্ত নাৰী

পায়ল চাংমাই
তৃতীয় ষাণ্মাসিক
অসমীয়া বিভাগ

নিৰৱ নিস্তব্ধ
এই বন্ধ কোঠাত সোমাই সৃষ্টিৰ তাৰনাত
দগ্ধ মই এই চাৰিবেৰে দিছে জানো মোক
জ্ঞানৰ নৱ আলোক?
সৃষ্টিৰ প্ৰেৰণা
এই মলিন সমাজৰ কু দৃষ্টিৰ পৰা
শেনচকুৰা মনুষ্যৰ পৰা
মোক লুকুৱাই ৰাখিবলৈ এই চাৰিবেৰ
কিন্তু ইয়াত দেখোন মোৰ উশাহ বন্ধ হোৱাৰ উপক্ৰম
শৰীৰ দেহ পুৰি যায় কিন্তু হঠাতে।
এই চাৰিবেৰৰ এটি সুৰুঙাৰে জুমি দেখা পোৱা
বিশাল নিলিমালৈ পাখি মেলি উৰি যাবখোজে।
উফঃ মই নোৱাৰিছো
অহনীয়া এয়া
মোক মুক্ত কৰা সমাজ
মুক্ত কৰা..... নাৰী মই
যুগ যুগান্তৰ কাৰী
মুক্ত কৰা মোক মুক্ত কৰা।



# মানৱতা

কবিশ্মা তাঁতী
একাদশ শ্ৰেণী

মানৱতা এটা শব্দ,
যাৰ আছে এক পৃথক মৰ্ম-
যাৰ আছে মানবতা
তেওঁ সঁচাই দেৱতা
মানৱতা বুলিলে নুবুজো ধন-সোপা,
সেয়াই এজন মানুহৰ গুণ।
কিন্তু বৰ্তমান পৃথিবীত
হেৰাই গৈছে মানৱতা।
হৈছে যেন মানৱতাৰ
ভাবিব নোৱাৰা চৰম পৰাজয়।
মানৱতা অবিহনে এদিন পৃথিৱীখন ধ্বংস হৈ যাব
সেইবাবে মানৱতাৰ অৰ্থ
গভীৰভাৱে উপলব্ধি কৰিব লাগিব।
সেয়েহে মানুহৰ মাজত মানৱতা
জাগ্ৰত হবৰ হ'লে
সুন্দৰ পৃথিৱীখনক
এক নতুন ৰূপ দিবৰ হ'ল।
পৃথিৱীৰ ন-ৰূপকে চাই আমি
থাকিম জীয়াই
সেইবাবে আমি চেষ্টা কৰিব লাগিব
যাতে আমাৰ মাজৰ পৰা
মানৱতা নেহেৰায়।

# একা-বেকা নেদেখা বাট

দিপশিখা লাহন
প্ৰথম ষাণ্মাসিক
ইতিহাস বিভাগ

একা-বেকা নেদেখা বাটত
লগ পাওঁ
কেতিয়া, কাক, কেনেকৈ
কোনে জানে?
জীৱনটো ঘূৰাই নাপাওঁ
জানিও জীৱনটোক ঘূৰি চাওঁ
স্মৃতিৰ পাতত।
ভাৱনাবোৰত ৰহণ সানিলেই
চিত্ৰিত হয় মন দাপোনৰ যাযাবৰী ছবি
অথবা অলিখিত পাতত লিখিত হয়
মনভৰা কবিতাৰ এটি দুটি কলি।

# ছাত্ৰ জীৱন

নিৰুফাৰ বেগম

ছাত্ৰ জীৱন, জীৱন গঢ়াৰ কমাৰশাল
বিদ্যালয়ত ছাত্ৰ ৰূপত লওঁ
বহুমূলীয়া শিক্ষা শিক্ষাগুৰুৰ পৰা
বেয়া সং কৰি পৰিহাৰ
সৎ সঙ্গত ধৰো, বেয়া কথাতহে
মগন হওঁ, নুশুনো বেয়া কথা
নকৰো অহিত চিন্তা
সজ ছাত্ৰ ৰূপে নিজক গঢ়িবলৈ
নিতৌ কৰো চেষ্টা।

## কলেজীয়া স্মৃতি

মমতা ওৰাং (প্ৰাক্তন)

স্বপ্ন ভৰা দুচকুত
নানা ৰঙা সপোন লৈ
জ্ঞান সাগৰৰ মাণিক বিচাৰি
ঢাপলি মেলিলো।
জ্ঞানৰ মন্দিৰ সোণাৰি মহাবিদ্যালয়লৈ
মনত অযুত আশা বান্ধি
মা-দেউতাৰ পৰা বিদায় লৈ
ভৰি দিলো হোষ্টেলীয়া জীৱনলৈ
প্ৰজ্বলি উঠক ভৱিষ্যৎ
শিক্ষাৰ ৰাঙলি আভাৰে
পোহৰাই তোলক সমগ্ৰ সত্বাক
জ্ঞানৰ আলোকেৰে।
প্ৰযুক্তি বিদ্যাৰ যান্ত্ৰিক যুগত
আগুৱাই যাবই লাগিব খোজ মিলাই
পোৱা নোপোৱা, দুখ-অহংকাৰ, ঈৰ্ষা সমূহ
মচিব লাগিব মনৰ পৰা
তেতিয়াই উপলব্ধি হ'ব
ৰঙীন জীৱনৰ মাদকতা।
এই বিদায় বেলিকাত
গাঁথি ৰাখিছো অশ্ৰুৰ
স্পৰ্শহীন মালাধাৰি-
তাকে পৰিধান কৰি ভৱিষ্যতে
সোঁৱৰিম এই জীপাল স্মৃতি



## শীত

লক্ষ্যজিৎ গগৈ
ষষ্ঠ ষাম্মাসিক
বুৰঞ্জী বিভাগ


লতা এডাল হৈ
শিলুৰা এজাৰত বগুৱাই
শীতল শীত বেহেলা বজাইছে।
নিঃসাৰ হৈ পৰা নদীৰ বুকুত
জোন ঢালি ঢালি জোনাক মৰিছে
পুৰণি ৰোগটো আকৌ উক দি উঠিছে
পুৰণি চহৰখন শীতত থকথককৈ কঁপিছে
পুৰণি পেজটোত কথাবোৰ জাপি থ'লো
ফটা কেঁথাৰ সিয়নিত
হাড়বোৰ নকঁপাকৈ
হৃদয়খন বান্ধি দিলোঁ
পথৰুঘাট
শীতৰ আঘাত
গাৰ নোমতে জুখিব পাৰি
শীতত হেৰুওৱা লগা মাত
পুৰণি জপা খুলি উলিয়াইছোঁ
পুৰণি ছুৰেটোৰ
উৰলি যোৱা ছুৰেটোৰৰ উমত
পাৰ হ'বনে শীতৰ দিন
পাৰ হবনে জীৱন
পেটৰ ভোক, পুৰণি ৰোগ
লতা এডাল হৈ
শিলুৰা শীতল বুকুত
জীৱনে বেহেলা বজাম।



## শপত

ভাস্বতী ভট্টাচাৰ্য্য

স্নিগ্ধ আকাশৰ তলত অকলে
আছোহি ৰই
কিবা এটি পোৱাৰ আশাত
জীৱনটো সুন্দৰকৈ গঢ়িবলৈ।
শিক্ষাগুৰু সকলে দিয়ে
জ্ঞানৰ পোহৰ আলোকাই
কৰিব লাগিব আমি
লুইতৰ পাৰ জিলিকাই
ঘাত-প্ৰতিঘাতৰ মাজেৰে
আগুৱাই যাম আমি
নতুন মাজেৰে
কিবা এটি পোৱাৰ আশাত
জীৱনৰ উন্নতিৰ শিখৰলৈ
আগুৱাই যাম
মনত অফুৰন্ত পণ লৈ
সেয়ে মাগিছো আশীষ
নেদেখা জনৰ ওচৰত
আৰু
শিক্ষাগুৰু, পিতৃ-মাতৃক সেৱা জনাই
শিৰ নত কৰি লৈছো শপত।



## আবেলিৰ বৰষুণজাক


দেবশ্ৰী গগৈ
তৃতীয় ষাণ্মাসিক
অসমীয়া বিভাগ

সৌ আকাশৰ মেঘৰ গুম গোমনি
নামি আহিছে মৰমৰ বৰষুণজাক
প্ৰতিটোপাল বৰষুণত যেন
নিগৰিত হৈ আছে
মধুৰ অতীতৰ সেই আনন্দময় স্মৃতিবোৰ।
বৰষুণজাকে বহু কথাই কয় গল।
এনে লাগিছে যেন।
পাহৰিব নোৱাৰা স্মৃতিবোৰ
পুনৰ জীৱিত হৈ পৰিব জীৱন নামৰ ৰঙীন পৃষ্ঠাত
বৰষুণৰ প্ৰতিটো টোপালত
আবেলি আবেলি লগা গীতৰ মধুৰ সুৰ
যেন আকৌ বাজি উঠিব
প্ৰেম নামেৰে।
যি এতিয়া মাথোঁ ৰৈ গল জীৱনৰ স্মৃতিৰ দলিচাত।
সঁচাকৈ বৰষুণজাক বৰ মৰমৰ

## ৰোমন্থন

**হীৰামণি বৰগোঁহাই**
প্ৰথম ষাম্মাষিক

হেঙুলি পুৱাৰ হেঙুলি বেলিটিলে চাই ভাবো
সিয়ো এসময়ত ডুব যাব
আন্ধাৰ আহিব।
মনত পৰেনে কেতিয়াবা ?
সেই যে শাওণ মাহৰ পথাৰত
বোকা খেল খেলিছিলো।
খাল-পুখুৰীত সাতুৰি ফুৰিছিলো,
সমনিয়াৰ হতে বাৰীৰ আম-কঠাল,
লিচু, পনীয়ল লুকাই চুৰ কৰি খাইছিলো।
সেই যে আমি খেলিছিলো
হেতালি, কুট-কুট, মাৰ্বল, ৰজা-ৰাণীৰখেলঙ্গ
মাঘৰ বিহুৰ উৰুকাৰ দিনা যে
মেজি ঘৰ সাজিছিলো,
লে- পুৱাতেই যে গাঁ ধুই
মেজি জ্বলাইছিলো,
মনত পৰে সেই দিনবোৰলৈ
সেই সৰু-সৰু হাঁহি-ধেমালিবোৰলৈ।
জীৱনৰ এক ৰঙীন পৃষ্ঠা সেয়া
এতিয়া সেইদিন নাই।
কালি যিটো মানুহৰ বাবে অপৰিহাৰ্য আছিল
সি আজি অপ্ৰয়োজনীয়, অনৰ্থক হৈ পৰিল।
আধুনিকতাৰ বুকুত সেই জীপাল
মনোৰম দৃশ্যবোৰ হেৰাল।
বেদনাৰে সিক্ত হিয়া লৈ
কৰিছো এতিয়া সেই মধুৰ অতীত শৈশৱৰ
ৰোমন্থন।।ৰোমন্থন।।




## ফাগুণৰ এজাক বতাহ

**জেচমিন গগৈ**
প্ৰথম ষান্মাসিক

ফাগুণৰ বতাহত গছবোৰ
হাউলি যাউলি নাচে
তাকে দেখি মনৰ
উদাসীনতাৰো অন্ত পৰে,
আৰু আৰম্ভ হয় নতুনত্বৰ সন্ধান,
পুৰণি দুখবোৰো গাৰ পৰা সৰিপৰে,
মনৰ অৰণ্যত এতিয়া কেৱল
পলাশৰ লয়লাস, ফাগুণী বতাহে
আনিছে জীৱনৰ আশাবোৰ পুনৰ ঘুৰাই
ক্ৰমাগত হৈ এক নতুন হাবিয়াস
জীৱনৰ ধুনীয়াবোৰ এতিয়াযেন
উন্মুক্ত খালি চকুৰ আগত।





## Busy World

**Vaswati Bhattacharjee**

*Busy busy*
*Evryone is busy*
*Honey bees are busy*
*to collect honey*
*Soldiers are busy*
*to preotect the country*
*Doctors are busy*
*to treat patients.*
*Teachers are busy*
*to teach students*
*Students are busy*
*to prepare for the examination*
*Scientist are busy*
*to invent new things.*
*Engineers are busy*
*to complete their project.*
*Busy Busy*
*Everyone is busy*
*But I am busy*
*For the poem's completion.*

# মহৎ লোকৰ বাণী

Krishna Hazarika
BSC 1st Sem

১। জ্ঞানতকৈ পবিত্ৰ বস্তু এই জগতত একো নাই।

— আনন্দ চন্দ্ৰ আগৰৱালা।

২। কাৰোবাৰ মনত আঘাত দি নাভাৱিব যে তেওঁ অবুজ বা দুৰ্বল আছিল, কথা হ'ল তেওঁ আপোনাক বিশ্বাস কৰিছিল, যাৰ যোগ্য আপুনি নাছিল।

—মাদাৰ টেৰেছা।

৩। কৰ্মই উপাসনা হাঁহিয়েই জীৱন।

—বিষ্ণুপ্ৰসাদ ৰাভা।

৪। ভাগ্যক কাহানিও বিশ্বাস নকৰিবা, বিশ্বাস কৰিবা শক্তিক।

— ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা।

৫। শিক্ষাৰ উদ্দেশ্য হ'ল মানুহক মানুহ ৰূপে গঢ়ি তোলা, মানুহৰ পৰিচয় প্ৰকাশত শিক্ষাৰ অৱদান তুলনাবিহীন।

— ৰাজা ৰামমোহন ৰায়।

৬। আমি গোটোৱা সকলোবোৰ সম্পত্তিৰ ভিতৰত জ্ঞান মাথো অবিনাশী।

— চক্ৰেটিছ।

৭। শিক্ষা জাতিৰ মেৰুদণ্ড। এই মেৰুদণ্ড ভাঙিলে জাতিৰ উন্নতিৰ সকলো পথেই অবৰুদ্ধ হয়।

— ৰাজা ৰামমোন ৰায়।

৮। শিক্ষকসকল হ'ল ৰাষ্ট্ৰৰ মান আৰু আমাৰ প্ৰকৃত খনিকৰ।

— জৰ্জ ৱাশ্বিংনৈ।



# মহৎ লোকৰ বাণী

কাব্যশ্ৰী দুৱৰা
তৃতীয় ষাণ্মাসিক

(১) "কৰ্মই উপাসনা হাঁহিয়েই জীৱন।"

—বিষ্ণুপ্ৰসাদ ৰাভা।

(২) " আমি যি জানো সি সামান্য আমি যি নাজানো তাৰ সীমা নাই।"

— পাৰলেছ।

(৩) "বিফল হ'লে কেতিয়াও হতাশ হ'ব নালাগে, বিফলতাই সফলতাৰ মূল ছাবি-কাঠি।"

—এপি.জে আব্দুল কালাম।

(৪) পৃথিৱীৰ ভিতৰত আটাইতকৈ ঠগাব পৰা লোকজন হ'ল নিজেই।

—বলুৱাৰ লিটন।

(৫)"স্কুল মোৰ মন্দিৰ, পঢ়াই মোৰ লক্ষ্য, শিক্ষক মোৰ ভগৱান, কিতাপেই মোৰ বন্ধু।"

—মহাত্মা গান্ধী।

(৬) বিচৰা বস্তুটো নোপোৱাটোৱে ব্যৰ্থতা নহয়, বিচৰা বস্তুটো পাবলৈ সংগ্ৰাম এৰি দিয়াটোহে প্ৰকৃত ব্যৰ্থতা।

—ইলিয়ট।

# সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন



“জীৱনে অভিজ্ঞতা দিয়ে
নিত্য নতুন দিনৰ বাবে
এই অভিজ্ঞতাৰে আগুৱাই যায়।
জীৱনে বাট দেখুৱাই যায়,
আৰু সেই বাটেৰে আমি বাট বুলি যাওঁ,
ভাগৰুৱা পথিক হৈও নহওঁ ক্লান্ত
অশ্বৰ দৰে আমাৰ লক্ষ্য ত্বৰান্বিত
আমাৰ লক্ষ্য প্ৰগতিৰ স্বপ্ন।”

জাতিৰ চিনাকি দিয়াৰ লগতে মুক্ত মনৰ অফুৰন্ত চিন্তা বুকুত বান্ধি দেশমাতৃৰ হকে নিজকে সমৰ্পিত কৰা সেই মহান শ্বহীদ সকলক মোৰ প্ৰতিবেদনৰ দুৱাৰ দলিতেই মোৰ শ্ৰদ্ধা অৰ্ঘ্য অৰ্পন কৰিলোঁ। নিলিম আকাশৰ তলত, মুক্ত মন আৰু মুক্ত চিন্তা এটি লৈ জীৱনত জ্যোতিৰ পথ পোহৰাই তোলাৰ প্ৰচেষ্টাত আগবঢ়াৰ এক সুন্দৰ পৰিবেশ চৰাইদেউ জিলাৰ আগৰণোৱা শিক্ষানুষ্ঠান সোণাৰি মহাবিদ্যালয়ত সদায় বিৰাজমান। প্ৰগতিশীল চিন্তা চেতনাৰে সমৃদ্ধ; অপ্ৰমাদী তথা প্ৰোজ্বল মনৰ গৰাকী তথা মেধাৰে পৰিপূৰ্ণ ছাত্ৰ-ছাত্ৰী সকল আমাৰ গৌৰৱ। আজিৰ ছাত্ৰ কাইলৈ দেশৰ ভৱিষ্যত প্ৰজন্ম। প্ৰতিবেদনৰ পাতনিতে মই, সেইসকল মহান ব্যক্তিক স্মৰণ কৰিছো যাৰ অশেষ কষ্ট আৰু ত্যাগৰ ফলত এই সুন্দৰ পৰিৱেশ এটি গঢ় লৈ উঠিলে। লগতে মই সেই সকল মহান মনিষীলৈ শ্ৰদ্ধা নিবেদিছোঁ যাৰ পদৰেণুৰে আজি আমাৰ মহাবিদ্যালয় খন ৰঙিয়াল হৈ আছে।

সুকোমল সুন্দৰ আৰ প্ৰাচুৰ্য্যতাৰে ভৰা আমাৰ মহাবিদ্যালয় খনৰ এগৰাকী- ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদিকা ৰূপে মই শপত গ্ৰহণ কৰোঁ। সাধাৰণ সম্পাদক ৰূপে কাৰ্যনিৰ্বাহ কৰোঁতে মোৰ নিৰ্দেশক তথা উপদেষ্টা আছিল অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড০ ৰঘুনাথ কাগয়ুং ছাৰ, তেখেতলৈ মোৰ কৃতজ্ঞতাৰ শৰাই অৰ্পন কৰিলোঁ। তেখেতৰ সু-দিহা পৰামৰ্শ, আৰু অনুপ্ৰেৰণামূলক কথা বতৰাই মোক কামৰ ক্ষেত্ৰত আগুৱাই যোৱাত বহুত সহায় কৰিলে। তেখেতৰ ওচৰত মই চিৰ কৃতজ্ঞ হৈ ৰম।

এতিয়া আহোঁ আমাৰ একতা সভাৰ কাম কাজৰ খতিয়ানলৈ। প্ৰথমে আমি আমাৰ প্ৰথম কাৰ্যনিৰ্বাহক সভা আহ্বান কৰিছিলোঁ। উক্ত সভাত আমি কেনেদৰে আগুৱাই যাম লগতে কি কি পৰিকল্পনা হাতত লৈ কামবোৰ কৰিম সেই সকলোবোৰ কথাৰ এক কাথামো তৈয়াৰ কৰিলোঁ আৰু সেই মৰ্মে আগুৱাই যাবলৈ সংকল্পবদ্ধ হলো। প্ৰথম অনুষ্ঠান হিচাপে আমাৰ চৰাইদেউ জিলাৰ আয়ুক্ত কাৰ্য্যালয়ৰ তৰফৰ পৰা অনুষ্ঠিত কৰা ৰাষ্ট্ৰীয় একতা দিৱসৰ কাৰ্য্যসূচীত সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক লগত লৈ উপস্থিত হোৱাৰ লগতে অংশগ্ৰহণ কৰিলোঁ।

পৰৱৰ্তী অনুষ্ঠান হিচাপে আমি মহাবীৰ লাচিতৰ ৪০০ বছৰীয়া জন্মজয়ন্তী লাচিত দিৱস অনুষ্টিত কৰা হৈছিল। কিন্তু অসম চৰকাৰে সুদ্ৰৰ ৰাজধানী নতুন দিল্লীত কেন্দ্ৰীয় ভাৱে লাচিত দিৱস উদ্‌যাপন কৰা অনুষ্ঠানত- মহাবিদ্যালয়ৰ এগৰাকী ছাত্ৰী হিচাপে মই আৰু আলোচনী সম্পাদিকা মণিষা কৰ্মকাৰে অংশ গ্ৰহণ কৰিছিলোঁ চৰকাৰৰ আতিথ্যত। বৰ সুন্দৰ অনুষ্ঠান এভাগিৰ সাক্ষী হৈ ৰলো। সমান্তৰালভাৱে, যিহেতু প্ৰত্যেক বছৰে আমাৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ে যুৱ মহোৎসৱ অনুষ্ঠিত কৰে, তাৰ বাবে আমি বাছনিমূলক প্ৰতিযোগিতা অনুষ্ঠিত কৰিব লাগে। সেয়েহে আমি আমাৰ ছাত্ৰ একতা সভাৰ তৰফৰ পৰা এখনি বাছনি প্ৰতিযোগিতা অনুষ্ঠিত কৰিলোঁ যত সৰহ সংখ্যক ছাত্ৰ ছাত্ৰীয়ে অংশ লয় আৰু এক সুন্দৰ ভাৱে বাছনি প্ৰক্ৰিয়া সমাপন কৰা হয়। যাৰ দ্বাৰা বহুতো সুন্দৰ প্ৰতিভাৰ অধিকাৰী ছাত্ৰ-ছাত্ৰী বাছনি কৰি এক সুন্দৰ দল গঠন কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হয়।

মহাবিদ্যালয় এখনৰ ছাত্ৰ-ছাত্ৰী সমূহৰ সুপ্ত প্ৰতিভা সমূহ বিকশিত কৰাৰ মানসেৰে প্ৰত্যেক বছৰে মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানটি হৈ ৰয়- সকলো ছাত্ৰ ছাত্ৰীৰে প্ৰাণৰ স্পন্দন স্বৰূপ। ক্ৰীড়া, সংগীত,



নৃত্য, সাহিত্য, নাটক আদিৰ সমাহাৰৰে এক সুন্দৰ পৰিৱেশৰ সূচনা হৈছিল বিগত ১৮ জানুৱাৰী পৰা ২৪জানুৱাৰীলৈ। বৰ সুন্দৰভাৱে আমি মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰিবলৈ সক্ষম হলো। প্ৰথম প্ৰচেষ্টা আছিল যদিও নিয়াৰিকৈ অনুষ্ঠানটো অনুষ্ঠিত হৈ যায়। আমি নতুন এক উদ্যমেৰে পৰৱৰ্তী কাম সমূহ সম্পাদন কৰিবলৈ পণ বান্ধি ল'লো।

সময় আগুৱাই কামো বাঢ়ি যায়। মোৰ আগত আছিল এইবাৰ এক ডাঙৰ প্ৰত্যাহ্বান। ডিব্ৰুগড় বিশ্ববিদ্যালয় অন্তৰ্গত মহাবিদ্যালয় সমূহৰ ছাত্ৰ ছাত্ৰী সকলৰ যুৱ মহোৎসৱ এইবাৰ ডিগবৈ মহিলা মহাবিদ্যালয়ত অনুষ্ঠিত হয়। উক্ত অনুষ্ঠান ভাগিলৈ এক বৃহৎ দল আমাৰ নেতৃত্বত লৈ যোৱা হয়, যত সকলো প্ৰতিযোগীয়ে আশানুৰূপ ফল ভাঙি ধৰিলে আৰু নাটকত এগৰাকী ছাত্ৰীয়ে এক বঁটা পাবলৈ সক্ষম হয়। ইমান একোখন বিশাল মঞ্চত আমাৰ ছাত্ৰ ছাত্ৰী সকলৰ অংশগ্ৰহণে আমাক নথৈ আনন্দিত কৰিলে। তেনেকৈয়ে আমাৰ ছাত্ৰ ছাত্ৰী সকলে বিভিন্ন মহাবিদ্যালয় আৰু আন্ত: মহাবিদ্যালয় খেল সমূহত অংশ লয় আৰু বিশেষভাৱে শৰীৰ চৰ্চা শিতানত আৰু লঘু ক্ৰীড়া শিতানত ক্ৰমে সোণৰ, ৰূপৰ আৰু ব্ৰঞ্জৰ পদক বুটলিবলৈ সক্ষম হয়। ই আমাৰ পক্ষে আছিল এক বৃহৎ সাফল্যৰ স্বৰূপ।

সামাজিক ভাৱেও আমি আছিলোঁ বহুত সক্ৰীয়। আমাৰ ছাত্ৰ একতা সভায়ে সামাজিক দায়িত্বসমূহ পালন কৰাৰ- অৰ্থে বহুতো পদক্ষেপ লৈছিল। তাৰ ভিতৰত অন্যতম আছিল ৰেড ক্ৰছ কমিটি, সোণাৰিৰ উদ্যোগত আয়োজিত ৰক্ত দান শিৱিৰ। বক্ত দান মহান দান। এই মহামন্ত্ৰকে সৰোগত কৰি আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী সকলে সোণাৰি ৰজাপুখুৰী অসামৰিক চিকিৎসালয়ত গৈ তেওঁলোকৰ ৰক্ত দান কৰিলে, যি দানে ভৱিষ্যত দিনত কোনো আৰ্ত জনৰ সহায় হোৱাৰ বাবে অৰিহণা যোগাব। এই কামে আমাৰ মনত অফুৰন্ত- আনন্দ আৰু হাঁহি বিৰিঙাবলৈ সক্ষম হয়।

কলা আৰু অঙ্কণৰ ক্ষেত্ৰতো আমি কিছু পদক্ষেপ গ্ৰহণ কৰিবলৈ চেষ্টা কৰিছিলোঁ। আন্তৰ্জাতিক মহিলা দিৱস উপলক্ষ্যে আমি এখনি চিত্ৰাংকণ আৰু পষ্টাৰ মেকিং প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলোঁ য'ত- বিপুল সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশ লয় আৰু পৰিবেশটো সুন্দৰ- কৰাত বৰঙনি যোগালে। ইয়াৰ পাছতেই আমি পোন প্ৰথমবাৰৰ বাবে আমাৰ মহাবিদ্যালয়ত এজন বিশিষ্ট ছাত্ৰনেতা তথা বিশিষ্ট সমাজকৰ্মী বৰ্দৌফা উপেন্দ্ৰনাথ ব্ৰহ্মাৰ জন্ম ৰাৰ্ষিকত অসম চৰকাৰৰ নিৰ্দেশত

৩১ মাৰ্চ, ২০২৩ তাৰিখে ছাত্ৰ দিৱস উদযাপন কৰিছিলোঁ আৰু এই বছৰৰ প্ৰত্যেক বছৰে সমগ্ৰ অসমত ছাত্ৰ দিৱস পালন কৰা হ'ব। পৰৱৰ্তী কাযসূচী হিচাপে আমি ৰঙালী বিহু আদৰনি ষষ্ঠ যান্মাসিকৰ ছাত্ৰ ছাত্ৰী সকলৰ বিদায় সভা, বিশ্ব পৰিৱেশ দিৱস আদি অনুষ্ঠানবোৰ অনুষ্ঠিত কৰিছিলোঁ। নৱাগত ছাত্ৰ-ছাত্ৰী সকলৰ নামভৰ্তিৰ সহায় হোৱাকৈ আমি এটা অস্থায়ী সহায়ক কেন্দ্ৰক ব্যৱস্থা কৰিছিলোঁ। পুৰনিক বুকুত বান্ধি নতুনক আঁকোৱালি লোৱাৰ উদ্দেশ্য হাতত লৈ নৱাগত ছাত্ৰ-ছাত্ৰী সকলক কেন্দ্ৰ কৰি এখনি নৱাগত আদৰণি সভা অনুষ্ঠিত কৰিছিলোঁ। এই সভাত অনুষ্ঠানটোৰ উদ্বোধক হিচাপে ডাঃ পল্লৱ মহন্ত ছাৰ বিশিষ্ট বক্তা হিচাপে সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শ্ৰী শংকৰ জ্যোতি বৰুৱা, বিশিষ্ট অতিথি হিচাপে যোৰহাট লোকসভা সমষ্টিৰ বিধায়ক শ্ৰীযুত তপন কুমাৰ গগৈ ডাঙৰীয়া আৰু অনুষ্ঠানটোৰ মুখ্য আকৰ্ষক হিচাপে অসমৰ এজন বিখ্যাত গায়ক শ্ৰী লক্ষী চন্দ্ৰ দাসক আমন্ত্ৰণ কৰিছিলোঁ। লগতে শিক্ষক দিবস, ৫৩ তম মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিবস, বিশ্বকৰ্মা পূজা কাৰ্যসূচী আদি কৰি বিভিন্ন অনুষ্ঠান অনুষ্ঠিত কৰাৰ প্ৰচেষ্টা হাতত লৈছিলোঁ। যিয়ে ছাত্ৰ সমাজৰ হিতে বহুত অৰিহণা যোগায় আহিব বুলি আমাৰ বিশ্বাস। অসমৰ সকলোবোৰ বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ৰ বৰ্তমান ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনৰ প্ৰক্ৰিয়াটোৰ ওপৰত বিশেষভাৱে আলোচনা কৰিবলৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পুনৰীক্ষণ বিভাগে অনুষ্ঠিত কৰা আলোচনা চক্ৰত সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভাপতিৰ লগতে মই সাধাৰণ সম্পাদিকা হিচাপে সেই আলোচনা চক্ৰতত লোণাৰি মহাবিদ্যালয়ৰ হৈ প্ৰতিনিধিত্ব কৰিছিলোঁ।

কৰ্মন্যেৰ হি সিধ্যন্তি, কাৰ্য্যানি না মনোৰয়েঃ কয় কৰাই হৈছে প্ৰকৃত মানৰ ধৰ্ম। আমি জীৱনত কৰ্মমুখী হৈ এক বৃহত্তৰ জাতি সত্তাৰ সূচনা কৰাৰ প্ৰয়াস কৰিব লাগে। মহা মহা মনিষীৰ চানেকীৰে আমাৰ জীৱনবোৰ সুন্দৰকৈ সজোৱাৰ মানস কৰাৰ লগতে সঙ্কল্প লব লাগে যাৰ ফলশ্ৰুতিত আমি নিজকে একোজন মহান অসমীয়া বুলি

গৰ্বৰে পৰিচয় দিব পাৰিম। প্ৰতিবেদনৰ পাতনিৰে পৰা এতিয়ালৈ উল্লেখ কৰা কাৰ্য্যপন্থা আছিল আমাৰ প্ৰধান কাথামো। উক্ত উল্লেখিত কাথামোৰ জৰিয়তে আমি কামবোৰ- কৰি যাবলৈ যত্নপৰ হৈছিলোঁ। আমাৰ দৃঢ় বিশ্বাস আছিল যে আমি এই ঐকান্তিক প্ৰচেষ্টাৰ বলত নিশ্চয়কৈ সফল হবলৈ আগুৱাব পাৰিম।

মনত অদম্য সাহস আৰু অদ্ভুত সপোন লৈ আগবাঢ়িছিলোঁ এনেহেন দায়িত্ব শিৰ পাতি ল'বলৈ। নাজানো কিমান কি কৰিব পাৰিছিলোঁ। এই ক্ষেত্ৰত মোক প্ৰত্যক্ষ ভাৱে সহায় সহযোগে আগবঢ়োৱা মোৰ শ্ৰদ্ধাৰ উপদেষ্টা ছাৰকে প্ৰমুখ্য কৰি মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, শ্ৰদ্ধাৰ শিক্ষক বৃন্দ, ছাত্ৰ একতা সভাৰ মোৰ সহযোগী সকল লগতে মোৰ বন্ধু-বান্ধৱী, দাদা বাইদেই, ভণ্টি-ভাইটি সকল আৰু সোণাৰি মহাবিদ্যালয়ৰ সমুহ কৰ্মচাৰী বৃন্দ সকল প্ৰতিবেদনৰ শেষত সকলোৰে অনাগত দিনবোৰতো আপোনালোকৰ পৰা আজিৰ দৰেই সহায়, সহাঁৰি পাম বুলি সদায় আশাৰে ৰ'ম।

সদৌ শেষত আমাৰ হিয়াৰ আপোন সোণাৰি মহাবিদ্যালয় খনিৰ উত্তৰোত্তৰ ভৱিষ্যত কামনা কৰিলো। ইয়াৰ পৰাই আৰম্ভ হওক নতুনৰ প্ৰজ্ঞাৰ বিপ্লৱ। সাধনাৰে পুস্ত হৈ মানুহ একোজন ব্যক্তি তথা সমাজ হৈ বিকশি উঠক।

কবি ৰূপকোঁৱৰ ভাষাৰে—

" মানুহ ফুলিব লাগিব বিকশিত
কৰিব লাগিব পৃথিৱী খনকে স্বৰ্গীয় সুৰভীময়"

এই মহী বাৰ্তাকে সৰোগত কৰি পম খেদি আগবাঢ়ি। যোৱাৰ সংকল্পৰে সকলোৰে প্ৰতি মোৰ সেৱা নিবেদন কৰিলোঁ। সকলোৰে ভাল হওক, সকলোৰে মঙ্গল হওক।

জয়তু সোণাৰি মহাবিদ্যালয়
জয়তু সোণাৰি মহাবিদ্যালয়ৰ
ছাত্ৰ একতা সভা

শ্ৰীমতী হিমাশ্ৰী ফুকন
সাধাৰণ সম্পাদিকা
২০২২-২৩

## কুইজ

হীৰামণি বৰগোহাঁই

১। প্ৰথম অসমীয়া ভ্ৰমণ কাহিনীটোৰ নাম কি?
চিঠি

২। কামাখ্যা মন্দিৰ নিৰ্মাণ কৰা ৰজাজন কোন?
নৰকাসুৰ

৩। আহোম শাসনকালৰ শেষৰজন স্বৰ্গদেউ কোন আছিল?
পুৰন্দৰ সিংহ

৪। ধোদৰ আলি কোন ৰজাই নিৰ্মাণ কৰিছিল?
গদাধৰ সিংহ

৫। অসমীয়াৰ জনপ্ৰিয় তথা প্ৰসিদ্ধ কবিতা মমতাৰ চিঠি কবিতাটোৰ ৰচক কোন?
হেম বৰুৱা

৬। কোন চনত অসমীয়া ভাষাটোৱে ৰাজ্যিক ভাষাৰূপে স্বীকৃতি পাইছিল?
১৯৬১

৭। দূৰবীক্ষণৰ সহায়েৰে আবিষ্কাৰ কৰা সৌৰজগতৰ প্ৰথম গ্ৰহটো কি?
ইউৰেনাছ।



# তৰ্ক সম্পাদিকাৰ প্ৰতিবেদন



"সুন্দৰ যে ফুলাৰ মন্ত্ৰ অহোৰাত্ৰি মাতে
সেয়েহে আজি ইমান ফুল প্ৰভাতে প্ৰভাতে"

ফুলৰ অবিহনে যেনেকৈ এখন বাগিচা নীৰস, সাহিত্যৰ অবিহনে এটা জাতি নীৰস। এনে নীৰসতাক ৰসাল কৰি তুলিবলৈ জন্ম হয় এধানমানি শিল্পীৰ যিয়ে জীয়াই তোলে এটা ভাষা আৰু সংস্কৃতিক আৰু দেশ মাতৃৰ হকে প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদ সকললৈ। মই একাজলি পুষ্পাঞ্জলি নিবেদিছোঁ।

এটা সুন্দৰ পৰিৱেশৰ যোগেদি এজন ব্যক্তিৰ- সুপ্ত প্ৰতিভা বিকাশ হয়, এনে এটা সুন্দৰ পৰিৱেশ। গঢ়ি তোলাৰ অৰ্থে বিসকল মহান ব্যক্তিয়ে সমাজখনৰ উন্নতিৰ স্বাৰ্থত নিজকে উৰ্চগা কৰি চৰাইদউ জিলাৰ মাজমজিয়াত মুকুতাস্বৰূপ সোণাৰি মহাবিদ্যালয়ৰ দৰে এক অগ্ৰণী শিক্ষানুষ্ঠান গঢ়ি থৈ গ'ল তেওঁলোকক মই নতশিৰে প্ৰণাম জনাইছোঁ।

চেষ্টাৰ অসাধ্য একোৱেই নাই। চেষ্টা আৰু কৰ্ম সমান্তৰালভাৱে বজাই ৰাখিব লাগে। চেষ্টাৰ ফলত এটা কৰ্মৰ সুন্দৰভাৱে সমাপ্তি ঘটে। সেই চেষ্টা আৰু কৰ্মৰ দ্বাৰা মানুহৰ জীৱননৈ বহুতো অভিজ্ঞতা আহে। মইয়ো চেষ্টা আৰু কৰ্মৰ দ্বাৰা অকণমান অভিজ্ঞতা বুটলি লোৱাৰ হেঁপাহ আৰু এক সপোন বুকুত বান্ধি ২০২২-২৩ বৰ্ষৰ ছাত্ৰ একতা সভাৰ তৰ্ক- সম্পাদিকা হিচাপে শপত গ্ৰহণ কৰিলোঁ আৰু অসমীয়া বিভাগৰ সন্মানীয় অধ্যাপিকা শ্ৰীযুতা পদ্মাকুমাৰী গগৈ বাইদেউক মোৰ উপদেষ্টা হিচাপে লাভ কৰিলো। ২০২২-২৩ বৰ্ষৰ তৰ্ক সম্পাদিকা হিচাপে দায়িত্ব গ্ৰহণ কৰি মোৰ প্ৰথম কাৰ্যসুচী হিচাপে মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলো। তৰ্ক, কুইজ, বক্তৃতা, আকস্মিক বক্তৃতা, স্মৃতি পৰীক্ষা আৰু কাৰ্টুনিংৰ দৰে বিভিন্ন প্ৰতিযোগিতা সমূহ অনুষ্ঠিত কৰি- মহাবিদ্যালয়ৰ- ছাত্ৰ-ছাত্ৰীসকলক তৰ্ক ক্ষেত্ৰখনৰ দিশত এখোজ আগুৱাই আহিবলৈ এখনি মঞ্চ দিবলৈ চেষ্টা কৰিছিলো। এই ক্ষেত্ৰত মোৰ শ্ৰদ্ধাৰ উপদেষ্টা অসমীয়া বিভাগৰ অধ্যাপিকা শ্ৰীযুত পদ্মাকুমাৰী গগৈ বাইদেউৱে যথেষ্ট সহায়- সহযোগিতা তথা দিহা-পৰামৰ্শ আগবঢ়াই মোক কৃতাৰ্থ কৰিছিল। লগতে মোৰ প্ৰতিটো কাৰ্যতে ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকলে যথেষ্ট সহায় সহযোগিতা আগবঢ়াইছিল। তেখেত সকললৈও মই কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মোৰ কাৰ্যকালৰ দিনত Institute of Tai Studies and Research 'ত অনুষ্ঠিত হোৱা তৰ্ক- প্ৰতিযোগিতাত এটি দল তথা। Moran College ত আৰু DHSK অনুষ্ঠিত হোৱা তৰ্ক প্ৰতিযোগিতা এটা দল পঠিয়াবলৈ পাই, যথেষ্ট সুখী অনুভৱ কৰিছো। ইয়াৰোপৰি জিলা আয়ুক্তৰ সৌজন্যত "লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জন্মজয়ন্তী উপলক্ষে অনুষ্ঠিত হোৱা কুইজ। প্ৰতিয়োগিতাত আমাৰ মহাবিদ্যালয়ৰ পৰা সৰ্বমুঠ ৭টা দলে অংশগ্ৰহণ কৰিছিল আৰু এটা দলে তৃতীয়স্থান লাভ কৰি আমাৰ মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিবলে সক্ষম হৈছিল।

মোক প্ৰত্যেকটো অনুষ্ঠানতে ইতিবাচক পৰামৰ্শ আগঢ়াই মোক উৎসাহিত কৰা মোৰ শ্ৰদ্ধাৰ উপদেষ্টা বাইদেউক প্ৰমুখ্য কৰি, মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, ছাত্ৰ একতা সভাৰ মোৰ সতীৰ্থ সকল, কৰ্মচাৰীবৃন্দ আৰু মহাবিদ্যালয়ত অধ্যয়নত ছাত্ৰ ছাত্ৰীসকল, সকলোলৈকে প্ৰতিবেদনৰ প্ৰান্তত মই কৃতজ্ঞতা আগবঢ়াইছোঁ।

সদৌশেষত চৰাইদেউ জিলাৰ অগ্ৰণী শিক্ষানুষ্ঠান সোণাৰি মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি আৰু উত্তৰোত্তৰ ভৱিষ্যতৰ কামনা কৰিছো। নতুন নতুন পদক্ষেপেৰে আগবাঢ়ি যাওক সোণাৰি মহাবিদ্যালয়। সোণালী পাতৰ শিতানত জিলিকি উঠক সোণাৰিৰ গৌৰৱ সোণাৰি মহাবিদ্যালয়।

জয়তু সোণাৰি মহাবিদ্যালয়
জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা।

ধন্যবাদেৰে
শ্ৰীমতী শৰ্মিষ্ঠা গগৈ

## লঘু ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতেই সেই মহান ব্যক্তি সকলক শ্ৰদ্ধাৰে সোঁৱৰিছো যি সকল মহান মনিষীৰ নিস্বাৰ্থ সেৱা আৰু পৰিশ্ৰমৰ দ্বাৰা এই জ্ঞানৰ মন্দিৰটি প্ৰাণ পাই উঠিছিল। সেইসকলৰ প্ৰতি মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনাইছোঁ। লগতে সোণাৰি মহাবিদ্যালয়ৰ অধ্যাপক অধ্যাপিকা আৰু সমূহ কৰ্মচাৰী বৃন্দলৈ মোৰ তৰফৰ পৰা অশেষ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সোণালী বৰ্ষৰে গঢ়কা ঐতিহ্য মণ্ডিত সোণাৰি মহাবিদ্যালয় ২০২২-২৩ বৰ্ষৰ ছাত্ৰ একতা সভাৰ- নিৰ্বাচনত লঘু ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে মোক নিৰ্বাচিত কৰি মহাবিদ্যালয়লৈ সেৱা আগবঢ়াবলৈ সুযোগ দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূই ছাত্ৰ-ছাত্ৰী তথা বন্ধু বান্ধৱীলৈ কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলো।

সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত মোৰ প্ৰথম কাম আছিল ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত আন্তঃ মহাবিদ্যালয়ৰ খেল সমূহত সোণাৰি মহাবিদ্যালয়ক অংশ গ্ৰহণ কৰোৱা। তাৰে ভিতৰত বেডমিণ্টন, দবা, কাৰাটে, টাইকোৱাণ্ডো; থাই বক্সিং, বক্সিং আদি খেল সমূহত অংশগ্ৰহণ কৰিবলে খেলুৱৈ সকলক সুবিধা কৰি দিছিলো আৰু তেওঁলোকেও মহাবিদ্যালয়ৰ হকে 'গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল। তাৰ পাছত মোৰ দায়িত্ব আছিল মহাবিদ্যালয়ৰ- বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ খেলসমূহ সুকলমে অনুষ্ঠিত কৰা। সেই গতিকে মই বাৰ্ষিক ক্ৰীড়া সপ্তাহত মোৰ বিভাগৰ অন্তৰ্গত খেল সমূহ অনুষ্ঠিত কৰি গৈছিলো আৰু মই ভাবো সেই খেল সমূহ অনুষ্ঠিত কৰাত মই সাফল্য হৈছিলো। মই মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী সকলক ধন্যবাদ জ্ঞাপন কৰিছো অতি সুন্দৰ কৰি খেল- সমূহত অংশ গ্ৰহণ কৰে আৰু সহায়- সহযোগিতা আগঢ়োৱাৰ বাবে। পৰৱৰ্তী পৰ্যায়ত মই ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস ২০২৩ ত হকীৰ কিংবদন্তী মেজৰ ধ্যান চন্দৰ জন্মদিনৰ সোঁৱৰণত এখন বেডমিণ্টন প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ সক্ষম হৈছিলো।

শেষত মোৰ এবছৰীয়া কাৰ্যকালত বিভিন্ন দিশত দিহা পৰামৰ্শ আগবঢ়োৱা সূচাৰুৰূপে কামবোৰ আগবঢ়াই নিয়াত সহায় কৰা মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু উপাধ্যক্ষ মহোদয়ৰ লগতে সন্মানীয় শ্ৰীযুত বিকাশ শৰ্মা ছাৰ, শ্ৰীযুত দ্বীপজ্যোতি বড়া ছাৰ, ড০ কৌশিক দিহিঙ্গীয়া ছাৰ, শ্ৰীযুত দিব্যজ্যোতি কোঁৱৰ ছাৰকে প্ৰমুখ্য কৰি মহাবিদ্যালয়ৰ কৰ্মচাৰী বৃন্দলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। মোৰ কাৰ্যকালৰ বিভিন্ন সময়ত সহায় সহযোগিতা আগবঢ়োৱা ছাত্ৰ একতা সভাৰ সমূহ বিষয় ববীয়াৰ লগতে দিহা পৰামৰ্শ আগবঢ়োৱা বেদান্ত বৰঠাকুৰ দাদা আৰু গৌতম গগৈ দাদালৈও আন্তৰিক কৃতজ্ঞতা জনালোঁ।

সুদূৰ শেষত, মোৰ কাৰ্যকালত যদিও অজানিতে কিবা ভুল-ক্ৰটি হৈছিল তাৰ বাবে মই আপোনালোক সকলোৰে ওচৰত ক্ষমাপ্ৰাৰ্থী। লগতে আগন্তুক বৰ্ষ কেইটা যাতে লঘু ক্ৰীড়া বিভাগটি অধিক বলিষ্ঠতা আৰু সফলতাৰে কাৰ্যক্ষম হৈ উঠে লগতে সোণাৰি মহাবিদ্যালয়ৰ ভৱিষ্যত উজ্জ্বল হোৱাৰ কামনাৰে মই মোৰ প্ৰতিবেদনখন সামৰিছোঁ।

জয়তু সোণাৰি মহাবিদ্যায়
জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা

দিপাংকৰ হাজৰিকা
সম্পাদক
লঘু ক্ৰীড়া বিভাগ, ২০২২-২৩ বৰ্ষ।



## গুৰু ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



পোন প্ৰথমে এই প্ৰতিবেদনৰ জৰিয়তে সেইসকল চিৰ নমস্য ব্যক্তিলৈ প্ৰণিপাত জনাইছো, যিসকল ব্যক্তিৰ ত্যাগ তথা অপ্ৰাণ চেষ্টাৰ ফলত জ্ঞানৰ মন্দিৰস্বৰূপ সোণাৰি মহাবিদ্যালয়খন প্ৰতিষ্ঠা হৈছিল। লগতে এই মহাবিদ্যালয়ৰ- বৰ্তমান অধ্যক্ষৰূপে কৰ্মৰত ড° বিমলচন্দ্ৰ গগৈ ছাৰ, উপাধক্ষ্য ড° সুনীল দত্ত ছাৰকে আদি কৰি সকলো শিক্ষাগুৰুলৈ শ্ৰদ্ধা জ্ঞাপন কৰিছো।

এই মহাবিদ্যালয়ত নামভৰ্তি কৰাৰে পৰা এজন দায়িত্বশীল ছাত্ৰ হিচাপে নিজৰ দায়িত্ব আৰু কৰ্তব্য ভালদৰে পালন কৰিবলৈ চেষ্টা কৰি আহিছো। ২০২২-২৩ বৰ্ষৰ ছাত্ৰ- একতা সভাৰ নিৰ্বাচনত মই গুৰু ক্ৰীড়া বিভাগৰ সম্পাদকৰ পদত প্ৰতিদন্দিতা আগবঢ়াইছিলো। অগ্ৰজসকল, অনুজসকল তথা মৰমৰ বন্ধু বান্ধৱীসকলৰ সহযোগিতাৰ ফলস্বৰূপে নিৰ্বাচনত জয়লাভ কৰি গুৰু ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰিবলৈ সক্ষম হ'লো। এই প্ৰতিবেদনৰ জৰিয়তে মোক সহায় সহযোগিতা আগবঢ়োৱা সকলোলৈকে মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

গুৰু ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰি মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীক ক্ৰীড়াৰ- দিশত আগবঢ়াই নিবলৈ যিখিনি পৰিকল্পনা কৰিছিলো তাক বাস্তৱ ৰূপ দিবলৈ সাধ্যানুসাৰে চেষ্টাও কৰিছিলো। এই ক্ষেত্ৰত মোক সহায় আগবঢ়োৱা অধ্যক্ষ মহোদয়, উপাধক্ষ্য মহোদয়, দুদুল দা, দিব্যজ্যোতি কোঁৱৰ ছাৰ, মনোৰঞ্জন কোঁৱৰ ছাৰ, বিনোদ খনিকৰ ছাৰ, জ্যোতিপ্ৰসাদ ফুকন ছাৰকে আদি কৰি- বিশেষভাৱে মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত কৰা খেল সমূহৰ ক্ষেত্ৰত সু দিহা পৰামৰ্শ আগবঢ়োৱা বিকাশ ছাৰ আৰু কৌশিক ছাৰলৈকো আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। লগতে বিভিন্ন ক্ষেত্ৰত মোক সহায়ৰ হাত আগবঢ়োৱা তথা সু-পৰামৰ্শ দিয়া মোৰ বন্ধু বান্ধৱীসকলকে আদি কৰি অগ্ৰজসকল অনুজসকল তথা ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়ালৈকে বিশেষভাবে কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মোৰ এটা বছৰীয়া কাৰ্যকালত নিষ্ঠা সহকাৰে নিজৰ দায়িত্ব পালন কৰি মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীৰ ক্ৰীড়াৰ দিশটোৰ উন্নতিৰ উদ্দেশ্যেৰে দৈনন্দিন ক্ৰীড়া অভ্যাসৰ ব্যৱস্থা কৰা হৈছিল। মহাবিদ্যালয় সপ্তাহটো বহুবিধ খেল আয়োজন কৰিবলৈ চেষ্টা কৰিছিলো যাতে আন্তঃ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা বিভিন্ন ক্ৰীড়া প্ৰতিযোগিতাসমূহত আংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলে সফলতা লাভ কৰিবলৈ সক্ষম হয়। এইক্ষেত্ৰত কিমান দূৰ সফল হব পাৰিলো সেয়া আপোনালোকৰ বিচাৰ্যৰ বিষয়। শেষত এটা বছৰীয়া এই যাত্ৰাত মোৰ চেষ্টাত ৰৈ যোৱা ভুল ত্ৰুটিবোৰ যাতে ক্ষমা কৰে তাৰেই কামনা কৰিলো। অনাগত দিনত মহাবিদ্যালয়খনে যাতে ক্ৰীড়াৰ ক্ষেত্ৰখনত উন্নতি কৰি মহাবিদ্যালয়খনৰ নাম উজ্জ্বলাবলৈ সক্ষম হয়, তাৰ বাবে মই আশাবাদী।

ধন্যবাদেৰে প্ৰতিবেদনটিৰ সামৰণি মাৰিলো।

জয়তু সোণাৰি মহাবিদ্যালয়
জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা

প্ৰতাপ থাপা
সম্পাদক, গুৰু ক্ৰীড়া বিভাগ

# সংগীত বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন



নমস্কাৰ গ্ৰহণ কৰিব

সম্পাদকীয় প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিৰ অশেষ কষ্ট আৰু ত্যাগৰ প্ৰচেষ্টাত ১৯৭০ চনৰ ৫ আগষ্ট তাৰিখে আমাৰ জ্ঞানৰ পবিত্ৰ মন্দিৰ সোণাৰি মহাবিদ্যালয়খন প্ৰাণ পাই উঠিছিল, সেই মহান তথা বৰেণ্য ব্যক্তি সকললৈ মোৰ তৰফৰ পৰা আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

ইয়াৰ লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় ড০ বিমল চন্দ্ৰ গগৈ মহোদয়, উপাধ্যক্ষ মহোদয় ড০ সুনীল দত্ত মহোদয় প্ৰমুখ্যে সন্মানীয় শিক্ষাগুৰু সকল, কৰ্মচাৰীবৃন্দ তথা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ ছাত্ৰীক মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সোণাৰি মহাবিদ্যালয়ৰ দৰে এজন জ্ঞানৰ মন্দিৰত ২০২২ বৰ্ষত মহাবিদ্যালয়ৰ সাধাৰণ পাঠ্যক্ৰম বিভাগত নামভৰ্তি কৰিছিলো। প্ৰথম ষাণ্মাসিকত থকা অৱস্থাতেই মই ২০২২-২৩ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সংগীত বিভাগৰ সম্পাদিকা হিচাপে প্ৰতিদ্বন্দ্বিতা আগবঢ়াই জয়লাভ কৰিবলৈ সক্ষম হৈছিলো। সম্পাদিকাৰ পদ পোৱাৰ পিছত মোৰ কাৰ্যসূচী সমূহ সুকলমে চলাই নিবলৈ সক্ষম হৈছিলো। এই ক্ষেত্ৰত কিমান সফল হ'ব পাৰিলো নাজানো সেয়া আপোনালোকৰ বিচাৰ্য।

সংগীত বিভাগৰ সম্পাদিকা হিচাপে দায়িত্ব ভাৰ গ্ৰহণ কৰাৰ পাছতেই মই ২০২২ বৰ্ষৰ নৱেম্বৰ মাহৰ ৫-১১-২০২২ তাৰিখে ড০ ভূপেন হাজৰিকা দেৱৰ মৃত্যু দিৱস উপলক্ষে ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাখন মোৰ প্ৰথমটি অনুষ্ঠান হিচাপে অনুষ্ঠিত কৰিবলৈ সক্ষম হৈছিলো, ইয়াৰ পিছত বাৰ্ষিক ক্ৰীড়া সমাৰোহত সাহিত্য সংস্কৃতিৰ অন্তৰ্গত মোৰ বিভাগীয় প্ৰতিযোগিতা সমূহ সূচাৰুৰূপে পালন কৰাৰ লগতে যুৱ মহোৎসৱলৈও প্ৰতিযোগী প্ৰেৰণ কৰিছিলোঁ।

জয়তু সোণাৰি মহাবিদ্যালয়

জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা

পূজাশ্ৰী গগৈ
সংগীত সম্পাদিকা
২০২২-২৩বৰ্ষ



# ছাত্ৰী জিৰণী চ'ৰাৰ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান মনীষিৰ অশেষ কষ্ট ত্যাগ আৰু আপ্ৰাণ প্ৰচেষ্টাৰ বলত ১৯৭০ চনৰ ৫ আগষ্ট তাৰিখে জ্ঞানৰ পবিত্ৰ মন্দিৰ সোণাৰি মহাবিদ্যালয়খৰ প্ৰতিষ্ঠা লাভ কৰিছিল, সেই মহান ব্যক্তি সকলক মোৰ তৰফৰ পৰা শ্ৰদ্ধা আৰু কৃতজ্ঞাতা জ্ঞাপন কৰিছোঁ।

ইয়াৰ লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় ড° বিমল চন্দ্ৰ গগৈ মহোদয়, উপাধ্যক্ষ মহোদয় ড° সুনিল দত্ত মহোদয়, প্ৰমুখ্যে সন্মানীয় শিক্ষাগুৰুসকল, কৰ্মচাৰি বৃন্দ আৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক মোৰ অন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সোণাৰি মহাবিদ্যালয়ৰ দৰে এখন পবিত্ৰ স্থানত ২০২২ বৰ্ষত মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগত নামভৰ্ত্তি কৰিছিলো। নামভৰ্তি কৰাৰে পৰা মোৰ মনত এই আপোন মহাবিদ্যালয়খনিৰ হকে সেৱা আগঢ়োৱা আৰু কাম কৰি যোৱাৰ হেঁপাহ জাগি উঠিছিল। প্ৰথম ষাণ্মাসিকত নামভৰ্তি কৰা পাছতে সৌভাগ্যক্ৰমে মোৰ এই সপোন বাস্তৱত ৰূপায়িত হৈছিল ২০২২-২৩ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত জয়ী হৈ। ছাত্ৰ একতা সভাৰ ছাত্ৰী জিবণী চ'ৰা বিভাগৰ সম্পাদিকা হিচাপে জয়যুক্ত কৰি মহাবিদ্যালয়ৰ হকে কাম কৰি যোৱাৰ সুবিধাকণ দিয়াত সহায় সহযোগিতা কৰা প্ৰত্যেকজন সোণৰিয়ানৰ অগ্ৰজ, অনুজ আৰু সকলো বন্ধু-বান্ধৱীক ধন্যবাদ জ্ঞাপন কৰিছো লগতে চিৰদিন তেওঁলোকৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'ম। কাৰ্যভাৰ গ্ৰহণ কৰিয়েই মোৰ প্ৰথমটি অনুষ্ঠান হিচাপে 'বাৰ্ষিক ক্ৰীড়া সপ্তাহত' ছাত্ৰী জিৰণি চ'ৰাৰ সম্পাদিকাৰূপে

মাথোঁ ছাত্ৰীসকলৰ বাবে মুঠ সাতটা প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলো প্ৰতিযোগিতাসমূহ সুচাৰুৰূপে আগবঢ়াই নিয়াত মোৰ বিভগীয়া উপদেষ্টা শ্ৰদ্ধাৰ লিপ্তি গডউইন বাইদেউৰ পৰামৰ্শ আৰু সহযোগিতাত সুন্দৰভাবে অনুষ্ঠিত কৰিবলৈ সক্ষম হৈছিলো। মোৰ কাৰ্যকালত অজানিতে হোৱা ভুল ক্ৰুটি সমূহৰ বাবে মই দুখিত আৰু তাৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো। শেষত মোৰ কাৰ্যকালত সকলো দিশতে দিহা-পৰামৰ্শ আগবঢ়োৱা বিভাগীয় উপদেষ্টা লিপ্তি গঞ্জউইন বাইদেউ আৰু লগতে মোৰ কাৰ্যকালৰ সকলো কামতে সহায় সহযোগিতা আগবঢ়োৱা সমূহ শুভাকাংক্ষীলৈ পুনৰবাৰ আন্তৰিক কৃতজ্ঞতা আৰু

ধন্যবাদ জনাইছো। লগতে মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি কামনা কৰি মোৰ বিভাগীয় প্ৰতিবেদন সামৰিছোঁ।

ধন্যবাদ

জয়তু সোণাৰি মহাবিদ্যালয়

জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা

সংগীতা দে
ছাত্ৰী জিৰণী চ'ৰাৰ
সম্পাদিকা
২০২২-২৩ বৰ্ষ

## ছাত্ৰ জিৰণী কোঠাৰ সম্পাদকৰ প্ৰতিবেদন



সম্পাদকীয় একাষাৰৰ প্ৰাকমুহূৰ্ততে যিসকল মহান ব্যক্তিৰ অশেষ কষ্ট আৰু ত্যাগৰ বিনিময়ত এই জ্ঞানৰ মন্দিৰটি প্ৰাণ পাই- উঠিছিল। সেই সকলৰ প্ৰতি মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে সোণাৰি মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, শ্ৰদ্ধাৰ উপাধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি শ্ৰদ্ধাৰ শিক্ষা গুৰুসকল, কৰ্মচাৰীবৃন্দ তথা ছাত্ৰ একতা সভাৰ সকলো বিষয়ববীয়াৰ লগতে সোণাৰি মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ ছাত্ৰীসকললৈ মই এই প্ৰতিবেদনৰ জৰিয়তে মৰম-চেনেহ, কৃতজ্ঞতা জ্ঞাপন কৰিছো।

২০২২-২৩ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত ছাত্ৰ জিৰণী কোঠাৰ সম্পাদক হিচাপে মই মোৰ প্ৰতিদ্বনিতা আগবঢ়াইছিলো আৰু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী সকল ছাত্ৰ জিৰণী কোঠাৰ সম্পাদকৰূপে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ প্ৰতি সেৱা আগবঢ়াবলৈ সুবিধা প্ৰদান কৰিলে সেই সকল নমস্য মোৰ দাদা, বাহদেউ; বন্ধু, বান্ধৱী আৰু ভাইটি ভণ্টি সকললৈ মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

শেষত এই দহমহীয়া কাৰ্যকালত দায়িত্ববোৰ পালন কৰোঁতে হৈ যোৱা কামসমূহ বা ভুল-ক্ৰটি বোৰৰ বাবে মই আপোনালোকৰ ওচৰত ক্ষমা প্ৰাৰ্থী। কাৰ্যকাল ত্যাগ কৰিলেও আমাৰ সোণাৰি মহাবিদ্যালযখনৰ হকে উন্নতিৰ বাবে সদায় লগতে সমগ্ৰ অঞ্চলটোৰ উজ্জ্বল ভৱিষ্যতৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালোঁ।

জয়তু সোণাৰি মহাবিদ্যালয়

সন্তোষ নায়ক
সম্পাদক
ছাত্ৰ জিৰণী কোঠা
সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা
২০২২-২৩ বৰ্ষ



## শৰীৰচৰ্চা বিভাগৰ সম্পাদক প্ৰতিবেদন



পোনপ্ৰথমে সোণাৰি মহাবিদ্যালয়ৰ প্ৰাংগনত প্ৰৱেশ কৰিয়েই পোৱা প্ৰতিমূৰ্তি মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যাপক গোলাপ চন্দ্ৰ বৰগোহাঁই দেবক মোৰ শ্ৰদ্ধা স্মৰণ কৰিছো লগতে যি সকল ব্যক্তিৰ অজস্ৰ শ্ৰম, নিস্বাৰ্থ সেৱা, ত্যাগ আৰু কষ্টৰ বিনিময়ত ঐতিহ্যমণ্ডিত চৰাইদেউ জিলাৰ সোণাৰিৰ মাজমজিয়াত অবস্থিত সোণাৰি মহাবিদ্যালয় নামেৰে পৰিচিত সোণাৰি মহাবিদ্যালয়খন গড় লৈ উঠিলে তেওঁলোক সকলোকে মোৰ ফালৰ পৰা আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা ও প্ৰনিপাত জ্ঞাপন কৰিলো।

সোণাৰি মহাবিদ্যালয় যাৰ এক অন্য নাম আছে অন্য এক পৰিচয় আছে। এই মহাবিদ্যালয় খনে ৫২ বসন্ত অতিক্ৰম কৰি ৫৩টা বসন্ত যোৱা ৫ তাৰিখে ভৰি দিছে। মহাবিদ্যালয়খনৰ সন্মানীয় অধ্যক্ষ মহোদয় ড° বিমল চন্দ্ৰ গগৈ ছাৰ, মোৰ তত্ত্বাবধায়ক ড০ কৌশিক ছাৰ লগতে মহাবিদ্যালয়ৰ সন্মানীয় প্ৰতেকগৰাকী শিক্ষাগুৰ সমূহ কৰ্মচাৰী বৃন্দ তথা সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তবিক শ্ৰদ্ধা আৰু অশেষ ধন্যবাদ জনালো।

মনত বহুত আশা আৰু হেঁপাহ লৈ ২০২৩ বৰ্ষত সোণাৰি মহাবিদ্যালয়ত প্ৰথমটি খোজ পেলাইছিলো। মহাবিদ্যালয়খনৰ প্ৰতি কাম কৰা মোৰ ইমানে আগ্ৰহ আছিল যে সোণাৰি মহাবিদ্যালয় প্ৰথম টি খোজ এটি প্ৰথম বৰ্ষতে তিনিমাহ পাৰ হওঁতে সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ এজন সম্পাদক হ'বলৈ সুযোগ পাইছিলো। ২০২২-২৩ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত শৰীৰৰ্চা বিভাগৰ সম্পাদক হিচাপে প্ৰতিদন্দিতা আগবঢ়াইছিলো। জ্যেষ্ঠ জনৰ আশীৰ্বাদ ভাতৃত্ব আৰু সমনীয়াৰ মৰমেৰে মোক ছাত্ৰ একতা সভাৰ এজন সম্পাদক হোৱাত মোক সহায় কৰিলে। সেই বাবে মহাবিদ্যালয় সমূহ দাদা বাইদেউ ভাইটি ভণ্টি আৰু মোৰ সতীৰ্থলৈ মোৰ হিয়াভৰা ধন্যবাদ জ্ঞাপন কৰিলো।

২০২২-২৩ বৰ্ষৰ শৰীৰ চৰ্চা বিভাগৰ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰিয়েই মৰাণ মহিলা বিদ্যালয়ত আন্ত মহাবিদ্যালয় ভিত্তিক প্ৰতিযোগিতাত অংশগ্ৰণ কৰাই ভাৰউত্তোললন সোণৰ পদক লাভ কৰি মহাবিদ্যালয়ৰ নাম উজ্জ্বলাবলৈ সক্ষম হও। প্ৰত্যেক বৰ্ষৰ দৰে ২০২৩ বৰ্ষত মহাবিদ্যালয় বাৰ্ষিক ক্ৰীড়া সপ্তাহ আয়োজন কৰা হৈছিল। এই মহাবিদ্যালয় বাৰ্ষিক উৎসৱ জানুৱাৰী ২০২৩ ৰ পৰা ২৪ জানুৱাৰী ২০২৩ তাৰিখলৈ হয়। মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি শক্তি উত্তোলন, ভাৰ উত্তোলনপাতো, আদি প্ৰতিযোগিতা আয়োজন কৰিছিলো। পাঞ্জা আদি প্ৰতিযোগিতা আয়োজন কৰিছিলো। ইয়াৰে লৰাৰ দেহশ্ৰী প্ৰতিযোগিতাত প্ৰতিযোগীৰ অভাৱৰ বাবে প্ৰতিযোগিতা অনুষ্ঠিত কৰিব নোৱাৰিলোঁ। এই বাৰ্ষিক ক্ৰীড়াত যি সকল ছাত্ৰ ছাত্ৰীয়ে সুন্দৰ পাৰদৰ্শিতা দেখুৱাব পৰিছিল তেওঁলোকে যাতে মহাবিদ্যালয়ৰ বাহিৰে আন ঠাইত অনুষ্ঠিত হোবা ক্ৰীড়াত অংশগ্ৰহণ কৰি নিজৰ নামৰ লগতে মহাবিদ্যালয়ৰ সুনাম অৰ্জন কৰে তাৰেই কামনা কৰিলোঁ আৰু এই সুযোগত ক্ৰীড়া প্ৰতিযোগীলৈ মোৰ আন্তৰিক ধন্যবাদ যাচিলো।

শৰীৰচৰ্চা সম্পাদক হিচাপে মই মোৰ কাৰ্যকালত অনুষ্ঠিত কৰা এক মুখ্য অনুষ্ঠান হ'ল নাৰী আত্মৰক্ষা প্ৰশিক্ষণ যাৰ নাম ৰখা হৈছিল মিছন প্ৰহাৰ এই অনুষ্ঠানখন ২৯ আগষ্ট ২০২৩ তাৰিখে অনুষ্ঠিত কৰিছিলো। পাৰ্ট দিনীয়া কাৰ্যসূচীৰে নাৰী আত্মৰক্ষাৰ কৌশল সম্পূৰ্ণ ভাবে শিকিব নোৱাৰি যদিও অলপ হলেও নাৰীসকল সবল আৰু সচেতন হোৱাৰ আশাৰে মই এই কাৰ্য্যসূচী

হাতত লৈছিলো। কি কৰিলো? কিমানখিনি সাফল্য হৈছো তাৰ হিচাপ আপোনালোকৰ হাতত অৰ্পণ কৰিছো। সৰ্বশেষত মোৰ কাৰ্যকালত অজানিতে হোৱা ভুল ত্ৰুটি বোৰৰ বাবে সদায় ক্ষমা প্ৰাৰ্থী। সোণাৰি মহাবিদ্যালয় সদায় সোণালী হৈ জিলিকি ৰওক। সোণাৰি মহাবিদ্যালয় সদায় সোণালী হৈ থাকক তাৰে কামনাৰে মই মোৰ সম্পাদকীয়ৰ ইতি ৰেখা টানিলো।

জয়তু সোণাৰি মহাবিদ্যালয়
জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা

শেখ ছাদিক ফাৰহান
সম্পাদক
শৰীৰ চৰ্চা বিভাগ
২০২২-২৩ বৰ্ষ

# কৌতুক

হীৰামণি বৰগোহাঁই

১। এখন বাগিছাত এহাল প্ৰেমিক-প্ৰেমিকা বহি আছে। দুয়োজন কথা পাতি আছে। প্ৰেমিকাই সুধিছে।
প্ৰেমিকা: তুমি মোক কিমান ভাল পোৱা
প্ৰেমিকা: মোৰ চকুলৈ চোৱা ইয়াত তুমি তোমাৰ বাবে কিমান মৰম আছে পঢ়ি চোৱা।
প্ৰেমিকাঃ হেই, ধেমালি কিয় কৰিছা তুমি জানাই দেখোন মই পঢ়িব নাজানো।
২। এদিন এজন অন্ধ, লেঙেৰা আৰু ভিক্ষাৰী এজনে কথা পাতি আছে।
অন্ধ: ছা আকাশত কিমান তৰা ওলাইছে।
লেঙেৰাঃ চাল্লা বাপেৰৰ মুৰটো দেখিছ এক লাথ মাৰিম।
ভিক্ষাৰী: মাৰ, মাৰ। কিমান টকা লাগে মই দিম।
৩। বাপেক: ডাঙৰ হৈ তই কি কৰিবি?
জীয়ে: বিয়া পাতিম।
বাপেকঃ বেয়া কথা এতিয়াৰ পৰা জীৱন ধ্বংস কৰাৰ কথা ভাৱিব নাপায়।
৪। ককাঃ ঐ গৰু, তোৰ স্কুলৰ মাষ্টৰ আহিছে, যা কৰবাত গৈ লুকাই থাক।
নাতিঃ আগতে তুমি পলোৱা ইয়াৰ পৰা, ছাৰে দেখিলে ডাঙৰ কথা হ'ব তুমি মৰিলা বুলি ২ সপ্তাহ চুটি লৈ থোৱা আছে।
৫। এজন মানুহ দৰব বিচাৰি নাপাই ডাক্তৰ ওচৰলৈ গৈছিল।
ৰোগীঃ ডাক্তৰ চাৰ আপুনি একেবাৰে ওপৰত লিখা দৰবটো কতো বিচাৰিয়ে পোৱা নাই।
ডাক্তৰঃ চাওঁ কাগজখন
ৰোগী: এইখন চাওক
ডাক্তৰঃ অ' নহয় এইটো দৰব লিখা নাছিলোঁ নহয়।
কমলটো ধৰেনে নধৰে Check কৰিছে চাইছিলো।
৬। শিক্ষকে নগেনক সুধিলে
শিক্ষকঃ নগেন কোৱাচোন আমাৰ ভাষাটো যে মাতৃভাষা হ'ল পিতৃভাষা কিয় নহ'ল?
নগেনঃ ছাৰ আমাৰ ভাষাটো মাতৃভাষা এই কাৰণে হ'ল যে আমাৰ দেশৰ মাতৃসকলে ইমান কথা কয় যে পিতৃসকলে
কবলৈ সুবিধায়ে নাপায়।
৭। পতিঃ মই অলপ জিৰণি লও, কোনোবাই ফোন কৰিলে মই ঘৰত নাই বুলি ক'বা
পত্নী: অ, হ'ব দিয়া
কিছুসময় পাছত ফোন বাজিলত
পত্নী: তেও এতিয়া ঘৰতে আছে
পতি: খঙৰ তোমাক মই কি ক'ব দিছিলো।
পত্নীঃ নহয় সেইটো মোৰ ফোন আছিল



# ছাত্ৰ একতা সভা- ২০২২-২৩ বৰ্ষ





# ছাত্ৰ একতা সভা- ২০২২-২৩ বৰ্ষ



ভৃগু হাজৰিকা
সভাপতি



হিমাশ্ৰী ফুকন
সাধাৰণ সম্পাদিকা



ৰক্তিম নেওগ
উপ-সভাপতি



প্ৰতাপ থাপা
গুৰু ক্ৰীড়া সম্পাদক



দিপাংকৰ হাজৰিকা
লঘু ক্ৰীড়া সম্পাদক



কল্যাণ চেতিয়া
সাংস্কৃতিক সম্পাদক



ৰিচা কোঁৱৰ
সাহিত্য সম্পাদিকা





মনিষা কৰ্মকাৰ
আলোচনী সম্পাদিকা



পূজাশ্ৰী গগৈ
সংগীত সম্পাদিকা



সংগীতা দে
ছাত্ৰী জিৰণী চ'ৰা সম্পাদিকা



বিশ্বজিৎ গগৈ
সমাজ সেৱা সম্পাদক



শেখ ছাদিক ফাৰহান
শৰীৰচৰ্চা সম্পাদক



সন্তোষ নায়ক
ছাত্ৰ জিৰণী চ'ৰা সম্পাদক

## মহাবিদ্যালয়ৰ অধ্যাপক আৰু অধ্যাপিকাসকল


### অসমীয়া বিভাগ



ড০ ৰঘুনাথ কাগয়ুং
মুৰব্বী অধ্যাপক



ড০ ৰীতা দত্ত
অধ্যাপিকা



পদ্মা কুমাৰী গগৈ
অধ্যাপিকা



শিল্পীশিখা কোঁৱৰ
অধ্যাপিকা



দেবজিৎ বৰা
অধ্যাপক

### অৰ্থনীতি বিজ্ঞান বিভাগ




মিণ্টু গগৈ
মুৰব্বী অধ্যাপক



ড০ পৰাণন কোঁৱৰ
অধ্যাপক



মৃদুস্মৃতি পাটোৱাৰী
অধ্যাপিকা



মনোজ চেতিয়া
অধ্যাপক

### ইংৰাজী বিভাগ



ড০ দীপাঞ্জলি গগৈ
মুৰব্বী অধ্যাপিকা



ড০ দীপাঞ্জলি গগৈ
অধ্যাপক



ড০ অনিতা কোঁৱৰ
অধ্যাপিকা



অঞ্জুআৰা বেগম
অধ্যাপিকা



অংকিতা বৰুৱা
অধ্যাপিকা

### বুৰঞ্জী বিভাগ



সুশীল কুমাৰ চুড়ী
মুৰব্বী অধ্যাপক



দিব্যজ্যোতি কোঁৱৰ
অধ্যাপক



লিণ্ডি গডউইন
অধ্যাপিকা



চুমন গগৈ
অধ্যাপিকা

## ৰাজনীতি বিজ্ঞান বিভাগ


বিনোদৰাজ খনিকৰ
মূৰব্বী অধ্যাপক


ড° চক্ৰপাণি পাতিৰি
অধ্যাপক


ড° লাকী চেতিয়া
অধ্যাপিকা


আবিতা গগৈ
অধ্যাপিকা


দ্বীপজ্যোতি বৰা
অধ্যাপক

## শিক্ষাতত্ব বিভাগ


ড° প্ৰণিতা কলিতা
মূৰব্বী অধ্যাপিকা


ধনদা কোঁৱৰ
অধ্যাপিকা


কাব্যশ্ৰী হাজৰিকা
অধ্যাপিকা


গীতিকা তালুকদাৰ
অধ্যাপিকা


যতিন্দ্ৰনাথ শইকীয়া
অধ্যাপক


দুলুমণি চেতিয়া
অধ্যাপিকা

## উদ্ভিদ বিজ্ঞান বিভাগ


সুমন গগৈ
মূৰব্বী অধ্যাপিকা


ড° প্ৰণতি গগৈ
অধ্যাপিকা


পৰিস্মিতা কোঁৱৰ
অধ্যাপিকা

## প্ৰাণী বিজ্ঞান বিভাগ


ৰাণা কোঁৱৰ
মূৰব্বী অধ্যাপক


জ্যোতি প্ৰসাদ ফুকন
অধ্যাপক


ড০ অমৃতা মেচ
অধ্যাপিকা


পূবালী বৰা
অধ্যাপিকা


ভেনিলা বাইলুং
অধ্যাপিকা

# গণিত বিভাগ




মনোৰঞ্জন কোঁৱৰ
মূৰব্বী অধ্যাপক


ড০ কৌশিক দিহিঙ্গীয়া
অধ্যাপক

# ৰসায়ন বিজ্ঞান বিভাগ



অমৃত কুমাৰ বৰপূজাৰী
মূৰব্বী অধ্যাপক


সুচিত্ৰ নাৰায়ণ ৰাজখোৱা
অধ্যাপক


অমিকা ৰায়
অধ্যাপিকা



বিকাশ শৰ্মা
অধ্যাপক

# পদাৰ্থ বিজ্ঞান বিভাগ


সুদিপ্ত পাল
অধ্যাপক

অংকিতা ভাগৱতী
অধ্যাপিকা


ৰঞ্জিত দাস
অধ্যাপক



মহাবিদ্যালয়ৰ কৰ্মচাৰীসকল



মহাবিদ্যালয়ৰ কেণ্টিনৰ কৰ্মচাৰীসকল



মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰৰ কৰ্মচাৰীসকল

# মহাবিদালয় গৌৰৱ






ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা ২০২২-২৩ বৰ্ষৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত আন্তঃ মহাবিদ্যালয় কাৰাটে আৰু তাইকোৱান্দু প্ৰতিযোগিতাত ক্ৰমে মৃন্ময় দেওঘৰীয়া আৰু বিৰাজ বৰুৱাই সোণাৰি মহাবিদ্যালয়ৰ হৈ প্ৰতিনিধিত্ব কৰি সোণ আৰু ব্ৰঞ্জৰ পদক লাভ কৰে



মহাবিদ্যালয়ৰ কাবাডী দল

## ২০২২-২৩ বৰ্ষৰ মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহত স্থান প্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকল



ৰিতাশ্ৰী গগৈ
শ্ৰেষ্ঠ অভিনেত্ৰী



শ্ৰেষ্ঠ গায়িকা



শ্ৰেষ্ঠ সমাজসেৱক



শ্ৰুতি বৰুৱা
মিঃ সোণাৰি কলেজ



শ্ৰেষ্ঠ ভাৰ উত্তোলক




শ্ৰেষ্ঠ ভাৰ উত্তোলক



মিঃ সোণাৰি মহাবিদ্যালয়



শ্ৰেষ্ঠ [illegible]


@RITASHRI